# Assam Legislative Assembly Debates

REFERENCE (NOT FOR ISSUE)

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

No. 17

The 2nd April, 1997

Price— Rs. 27.50

# CONTENT

## BUDGET SESSION

No. 17

Dated, the 2nd April, 1997


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-64 |
| 2. | Zero Hour Notice | 65 |
| 3. | Call Attention Notice | 75 |
| 4. | Matter Under Rule—301 | 79 |
| 5. | Introduction of Government Bill | 81 |
| 6. | Government Resolution | 85 |
| 7. | Consideration and Passing of Government Bill | 91 |
| 8. | Discussion on The Amendment | 100 |
| 9. | Amendment of Clause 24, Section 130 | 115 |
| 10. | Obituary Reference | 118 |
| 11. | Adjournment | 119 |
| 12. | Annexxure I to VIII | 120 to 135 |


—+—

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 2nd April, 1997

The House met at 9 A.M. of the Clock in the Assembly Chamber, at Dispur with Mr. Ganesh Kutum Speaker in the Chair.

### STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now Starred Question No. 281 Questioner Shri Sukur Ali.

বিষয় ঃ খালী পদ

শ্ৰীশুকুৰ আলিয়ে সুধিছে ঃ

* মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰাগাৰ বিভাগৰ অধীনত কি কি পদ খালী হৈ আছে ?

(খ) খালী হৈ থকা পদবোৰ পূৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কাৰাগাৰ বিভাগৰ বিভিন্ন পৰ্য্যায়ত মুঠ ৪৩ টা পদ খালী হৈ আছে। খালী পদৰ বিতং তালিকা ইয়াৰ লগত সন্নিবিষ্ট কৰা হৈছে। ( See the Annexure—I )

(খ) খালী পদ সমূহ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে আৰু সোনকালে খালী পদ সমূহ পূৰণ কৰা হ'ব।

* শ্ৰীগুকুৰ আলি ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰাগাৰ বিভাগৰ মুঠ কিমান পদ খালী আছে সেইটো উত্তৰত কৈছে। কিন্তু বৰ্ত্তমান যিখিনি কৰ্মচাৰী আছে সেইখিনি যথেষ্ট নহয়। খ প্ৰশ্নৰ উত্তৰত দেখা পাইছো পদ পূৰণৰ কাৰণে ব্যৱস্থা লৈ থকা হব বুলি কৈছে আৰু লগতে খালী হৈ থকা পদৰ তালিকা দিছে। উদ্যোগ বিষয়া আৰু কাৰীকৰি প্ৰশিক্ষক পদ খালী হৈ থকাও দেখুৱাইছে। কাৰাগাৰ বিলাকত উদ্যোগ বা কৃষি আৰু বাহ-বেতৰ কাম কৰা হৈছেনে? গতিকে সেই পদবিলাক অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰীঅতুল বৰা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগৰ কাম বিশেষকৈ বাহ-বেতৰ কাম সকলো কাৰাগাৰতে নহলেও প্ৰায়বিলাক কাৰাগাৰতে সেই বিলাক চলি থাকে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যোৰহাট শিলচৰ আৰু বিভিন্ন জিলাত বাহ-বেতৰ কাম কৰা হয়। সেইটো অসমৰ বাহিৰত ভাল ধৰণে আদৰি লৈছে। কিন্তু কাৰাগাৰ বিলাকত এই বিলাকৰ প্ৰশিক্ষক নিয়োগ কৰা হোৱা নাই। যদি প্ৰশিক্ষক নিয়োগ নকৰে তেন্তিয়াহলে আমাৰ আয়ৰ লগতে উদ্যোগটো নোহোৱা হব। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে সদনত জনাব লাগে এই খালী হৈ থকা প্ৰশিক্ষকৰ পদবিলাক সোনকালে পূৰণ কৰিব লাগে।

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰাগাৰৰ ক্ৰেফ্টফট্ ইঞ্চট্ৰাক্টৰৰ পদ ৩টা খালী হৈ আছে। আমাৰ চৰকাৰ হোৱাৰ লগে লগে ষ্টাফ চিলেকশ্যন বোৰ্ড ভঙ্গ কৰি দিয়া হৈছে। সেয়ে নতুন নীতি নিৰ্দ্ধাৰণ নোহোৱালৈকে এই বিলাকত অলপ পলম হব।

* শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি এই পদ বিলাক কেতিয়াৰ পৰা খালী হৈ আছে।

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৪৩ টা পদ একেলগে খালী হোৱা নাই। বিভিন্ন সময়ত এই পদবিলাক খালী হৈছে। এই বিলাক পূৰণ কৰোতে সময় লাগিব।

---

* Speech not corrected

Mr. Speaker : Now Starred Question No. 282.
Hon'ble Member Shri Nizamuddin Khan.

**Re : Nos. of Master Roll Workers.**

Shri Hemen Das asked :

* 282. Will the Minister of Soil Conservation be pleased to state :

(a) Number of Master Roll workers working in this Department ?

(b) Whether this services will be regularised ?

Shri Akan Rabha ( Minister of State Soil Conservation ) replied :

(a) Total number of Master Roll Workers working in this Department are 509 numbers ( except Hill Districts.

(b) The matter is being processed, as per rules and procidures.

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি মাষ্টাৰ ৰোল যিখিনি ৫০৯ জন থকা বুলি দিছে এই শ্ৰমিক সকলক যিখিনি মজুৰী দিয়া হয় সেইখিনি নিয়মিত ভাবে দি থকা হৈছে নেকি ?

* শ্ৰীঅকন ৰাভা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, নিয়মিত ভাবে দি থকা হৈছে। যোৱা বছৰ কিছু অসুবিধা হৈছিল আৰু ডিও হৈ থকা কাৰণে। এতিয়া এপ্ৰিল মাহৰ পৰা ৰেগুলাৰ কৰা হব।

---

* Speech not corrected

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মাষ্টাৰ ৰোল শ্ৰমিক সকলৰ চাকৰী নিয়মীয়া কৰাৰ কাৰণে চৰকাৰৰ এটা ঘোষণা আছিল সেই ঘোষণামতে কিমানক ৰেগুলাৰাইজ কৰা হৈছে সেইটো জনাব লাগে।

* শ্ৰীঅকন ৰাভা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাইছো যে আমাৰ চৰকাৰ অহাৰ আগৰ পৰাই মুখ্য সচিবৰ এটা নিৰ্দ্দেশ আছে যে মাষ্টাৰ ৰোলৰ কৰ্মী আৰু ওৱৰ্কচাৰ্জ কৰ্মী সকলক 'ফেজ ওৱাইজ' ৰেগুলাৰ কৰিব লাগে। কিন্তু কৰা হোৱা নাছিল। আমাৰ চৰকাৰ অহাৰ লগে লগে এইটো চোৱা হৈছে।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে নীতিৰ ভিত্তিত মাষ্টাৰ ৰোলৰ কৰ্মী সকলৰ ক্ষেত্ৰত প্ৰচেচ কৰি থকা হৈছে। কিন্তু সেই নীতিটোনো কি জনাব লাগে।

* শ্ৰীঅকন ৰাভা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো আমাৰ চৰকাৰ অহাৰ পিচত মুখ্য সচিবৰ যি নিৰ্দ্দেশ আছিল— যি সকলে ১৫/২০ বছৰ মাষ্টাৰ ৰোলত কাম কৰি আহিছে তেওঁলোকক অগ্ৰাধিকাৰ ভিত্তিত নিয়মীয়া কৰাৰ ব্যৱস্থা লোৱাৰ নিৰ্দ্দেশ দিয়া হৈছে।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় এই কথাটো অৱগত যে কেন্দ্ৰীয় চৰকাৰৰ এটা নীতি আছে এটা বিভাগত ১ বছৰ ধৰি কাম কৰি থাকিলে নিয়মীয়া কৰিব লাগে। সেই হিচাবে আমাৰ ৰাজ্যখনত ১৫/২০ বছৰ কাম কৰি থকাৰ পিচতো নিয়মীয়াকৰণ কৰা নহয়। এই বিষয়ত এই কৰ্মী সকলক ৫ বছৰ কাম কৰাৰ পিচত নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* শ্ৰীঅকন ৰাভা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ পৰামৰ্শৰ বাবে ধন্যবাদ দিছো। বিষয়টো আমাৰ চৰকাৰে বিবেচনা কৰিব।

---

* Speech not corrected

**Re : Amount allotted under F.D.R.**

**Dr. Nazrul Islam asked :**

* 283. Will the Minister of Revenue be pleased to state :

(a) What amounts were allotted under **F.D.R.** to various Schools of Lahorighat L. A. Constituency during 1995-96 ?

Furnish the list along with the name of schools and amount allotted )

(b) Whether the works of the said schools were completed ?

(c) If not why ?

**Dr.** Zoii Nath Sarma ( Minister ) replied :

(a) Rs. 4,50,000.00 ( Rupees fours lakh fifty thousand ) was allotted during 1995-96 ( list enclosed )
( See the Annexure—II )

(b) Two numbers of Schools have already been completed.

(c) Steps have been taken to complete the works of the remaining Schools as soon as possible.

* ডাঃ নজৰুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিখন লিষ্ট আছে, ১৭ খন আছে, তাত ৪ লাখ ৫০ হেজাৰ টকা দিছে। এতিয়ালৈকে ২খন স্কুলৰ কাম সম্পূৰ্ণ হোৱা বুলি কৈছে আৰু বাকী বিলাকৰ ব্যৱস্থা লৈ থকা হৈছে বুলি কৈছে। কিন্তু মই জনাত কোনো স্কুলৰ কাম হোৱা নাই। টকা বিলাক আত্মসাৎ কৰা বুলি অভিযোগ উঠিছে। এই টকা যাতে আত্মসাৎ কৰিব নোৱাৰে আৰু এই বছৰতে কাম সম্পূৰ্ণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

---

* Speech not corrected

* ডঃ জয় নাথ শৰ্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আত্মসাৎ যদি কৰিছে ইতিমধ্যে সেইটো বন্ধ কৰিব নোৱাৰি। সেইটো তদন্ত কৰিব পাৰি। ১৯৯৫ চনৰ অক্টোবৰৰ মাহত এই টকা 'ডাফ্‌ঠ' যোগে দিয়া হৈছিল জিলা প্ৰাথমিক শিক্ষা বিষয়াক। এই ড্ৰাফ্‌ঠৰ টকা ১৯৯৫ তে দিয়াৰ পিচত ১৯৯৬ গ'ল আৰু ১৯৯৭ ৰ আজি মাৰ্চ মাহ গ'ল কাম কি কাৰণত হোৱা নাই আমি কব পৰা নাই। ১৭ খন স্কুলৰ ভিতৰত ২ খন স্কুলক ৭৫ হেজাৰকৈ দিয়া হৈছিল। এই দুখনৰ কাম হোৱা বুলি ৰিপ'ট আহিছে আৰু ইউটিলাইজেচন চাৰ্টিফিকেট দিছে। বাকী ১৫ খনৰ এল পি স্কুলৰ কি কাৰণে কাম হোৱা নাই আমাৰ বিভাগ অৱগত নহয়।

* ডাঃ নজৰুল ইছলাম: মাননীয় অধ্যক্ষ মহোদয়, এই স্কুল বিলাকৰ যদি কাম হোৱা নাই তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* ডঃ জয় নাথ শৰ্মা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আত্মসাৎ হোৱাটো এতিয়া বন্ধ কৰিব নোৱাৰি। ইয়াৰ পিচত কি কৰিব লাগিব সেইটো দাবী কৰক। ইয়াত লোকেল যি সকল প্ৰতিনিধি আছে সেই সকলে লিখিত ভাবে নজনোৱাৰ কাৰণে ইয়াত প্ৰশ্ন উঠিছে আৰু তেতিয়াহে মই গম পাইছো। আমাৰ পৰা ড্ৰাফ্‌ঠ নি কাম কৰা নাই।

মোস্তাফা ছহিদুল ইছলাম: মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো একো কাম হোৱা নাই গতিকে ধিং আৰু লাহৰি ঘাটৰ তদন্ত কৰি ব্যৱস্থা লব লাগে।

* ডঃ জয় নাথ শৰ্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে এইটো, আমাৰ শিক্ষা বিভাগৰ বিষয়াৰ ওপৰত দি দিম। আপোনা-লোকে বিচাৰিলে ডি চি বা লোকেল এম এল এৰ জৰিয়তে কৰিব পৰা যায়। আচল কথাটো যাতে ওলায়।

* শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক জিলাতে এনে ধৰণেই আছে। শতকৰা ৫০ ভাগ কাম হোৱা নাই। সেয়ে প্ৰতিখন জিলাতে ইয়াৰ তদন্তৰ ব্যৱস্থা কৰিব লাগে।

* Speech not corrected

* ডঃ জয় নাথ শৰ্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন পোৱাৰ পিচত হে মই কোন কোন সমষ্টিত স্কুলৰ কাম হোৱা নাই সেইটো গম পাইছো। আপোনালোকে কোন কোন সমষ্টিত কাম হোৱা নাই প্ৰত্যেকে একোখনকৈ লিষ্ট দিব। সেই লিষ্ট বিলাকৰ মতে অনুসন্ধান কৰিম, তেতিয়া সেইটো লাভ হব। আপোনলোকে প্ৰত্যেকে ইয়াত সহযোগ কৰিব।

( Starred Question No. 284 was not raised as the Questioner of the said Question was absent when called for )

### Re : Area Development Fund

Shri Abu Saleh Najmuddin asked :

* 284. Will the Minister of Planning & Development be pleased to state :

Is there any proposal of the Government to increase the MLAs area development fund up to the amount of Rs. 25 lakhs during the year 1997-98 ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied : No

Mr. Speaker : Now starred Question No. 285. Hon'ble Member Smti. Pranati Phukan.

বিষয় : বৈদ্যুতিকৰণ গাওঁৰ সংখ্যা

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে :

* ২৮৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাইৰকটীয়া বিধান সভা সমষ্টিৰ মুঠ কিমান গাৱঁত বৈদ্যুতিকৰণ কৰা হৈছে ?

* Speech not corrected

(খ) বৈদ্যুতিকৰণৰ সংযোগ নথকা গাঁৱৰ মুঠ সংখ্যা কিমান ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৩১-৩-৯৬ তাৰিখলৈকে এই সমষ্টিৰ মুঠ ১৪২ খন গাওঁ বৈদ্যুতিকৰা হৈছে।

(খ) বৈদ্যুতিকৰণ নোহোৱা মুঠ গাঁৱৰ সংখ্যা ৪১ খন।

* শ্ৰীমতী প্ৰণতী ফুকন : মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে বৈদ্যুতিকৰণ নোহোৱা ৪১ খন গাওঁত বৈদ্যুতিকৰণৰ কিবা ব্যৱস্থা লৈছে নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোটেই গাওঁবিলাকলৈকে বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিব লাগে। সোনকালে এই ৪১ গাওঁলৈ বিদ্যুৎ যোগান ধৰাটো সম্ভৱ নহব। অদূৰ ভৱিষ্যতে এইটো বিবেচনা কৰা হ'ব।

* শ্ৰীমতী প্ৰণতী ফুকন : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কিছুমান গাওঁৰ নাম যুগুতাই দিয়া আছে। এই নাম যুগুতাই দিয়া গাওঁ কেইখনৰ যিবিলাক গাওঁৰ পৰা ইতিমধ্যে ৰিপোৰ্ট আহিছে সেইবিলাকত বৈদ্যুতিকৰণ কৰি দিবলৈ অতি শীঘ্ৰে ব্যৱস্থা কৰিব লাগে। খুটী পুতি থোৱা আছে তাঁৰৰ সংযোগ নাই। আধৰুৱা হৈ থকা কাম বিলাক সোনকালে কৰিবলৈ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : গ্ৰাম্য বৈদ্যুতিকৰণৰ আৱশ্যকীয় পুঁজি পালে সেইখিনি সংযোগ কৰি বিদ্যুৎ যোগান কৰা হব।

---

* Speech not corrected

Mr. Speaker . Now Starred Question No. 286.
Hon'ble Member Shri Sheikh Abdul Hamid.

**Re : Tourist resort.**

* 286. Will the Minister of Tourism be pleased to state :

(a) Is it within the knowledge of Government that the river line area of Baghbar Hill can become a tourist Resort ?

(b) If so, whether Government will takeup Baghbar Hill Area as Tourist Resort ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(a) Yes.

(b) At present there is no such scheme.

* শ্ৰীশ্বেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মই আগতেও কৰিছিলো। এই কাৰণেই কৰিবৰ মন যায় যে শৈলধৰ ৰাজখোৱাই বাঘবৰক লৈ এটা কবিতা লিখিছিল। বাঘবৰ অঞ্চলৰ চতলা, ফুলবা নগৰবেৰাক লৈ টুৰিষ্ট স্পট হব পাৰে। অতি সোনকালে ভ্ৰমণকাৰী সকলৰ কাৰণে এটা টুৰিষ্ট স্পষ্টৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰী অতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শ বিবেচনা কৰা হ'ব। কিন্তু ইতিমধ্যে টুৰিষ্ট স্পট বাছি লোৱা হৈছে। সেইবোৰৰ উন্নতি কৰাৰ ব্যৱস্থা সম্পূৰ্ণ হোৱা নাই। গতিকে তেখেতৰ পৰামৰ্শ ভৱিষ্যতে বিবেচনা কৰা হ'ব।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ ফেন্সী বজাৰ ইমান কনজাষ্টেড হৈছে যে তাত মানুহৰ উশাহ লবলৈকো সুবিধা নোহোৱা হৈছে। আমি ডাঙৰ ডাঙৰ চহৰ বিলাকত যেনে বাংগালোৰ,

* Speech not corrected.

কলিকতা, মহিশূৰ আদিব দৰে চহৰৰ মাজত খালী কৰি ৰাখিব লাগে আৰু পাৰ্ক চুইমিং পুল আদি কৰি ৰাখিব লাগে।

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : চাৰ, এই মাটি ডোখৰত থকা কমপ্লেক্সটো চৰকাৰে এতিয়া উঠাই আনিব নোৱাৰে। ট্ৰেড চেণ্টাৰ হব নালাগে কিন্তু আগতেই হৈ গ'ল। বাকী যিখিনি খালী অংশ আছে সেইখিনি মই মাননীয় মুখ্যমন্ত্ৰী হৈ উত্তৰ দিছো। এটা কেবিনেট সিদ্ধান্ত কৰি আপোনালোকৰ পৰামৰ্শৰ লগত আমাৰ মতৰ মিল কৰি তেনে ভাবে ব্যৱস্থা কৰা হব ।

* শ্ৰীগৌতম ৰায় : মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে হাইলাকান্দি জিলাৰ জেলৰ কাৰণে ১৯৮৭ চনতে মাটি লোৱা হৈছিল। তেতিয়া অসম গণ পৰিষদ দলৰ চৰকাৰ আছিল। কিন্তু ১৯৯৫ চনৰ আজি-প্ৰিজনচ্ গৈ কৈছে যে তাত জেল হোৱাৰ প্ৰশ্ন নুঠে। তেতিয়া উপায়ুক্ত আব্দুল চাহাবৰ দ্বাৰা দাতা আদি সংগ্ৰহ কৰি মাটিখিনি জেলৰ কাৰণে লোৱা হৈছিল। চেংচনো হৈছিল। এইটো কেতিয়া হব আৰু কি পৰ্য্যায়ত আছে মন্ত্ৰী মহোদয়ে জনাবনে ? আৰু দ্বিতীয় বাৰ মই বহুবোৰ জেল দেখিছো। তাত কয়দী বিলাকৰ বৰ বেয়া অৱস্থা চলি আছে। মইও আছিলো জেলত। জেলত নোসোমোৱাকৈ কোনো মন্ত্ৰী হব নোৱাৰে। আকৌ যাম। জেললৈ মই ভয় নকৰো। কিন্তু আমি দেখিবলৈ পাইছো আনকি গুৱাহাটী জেলতো অফিচাৰ বিলাকে বাৰাণ্ডাত বহি থাকিবলগীয়া হৈছে ঠাইৰ অভাৱত। জেলমন্ত্ৰী ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্ট কৰি দিব নে হাইলাকান্দিৰ জেলৰ কি অৱস্থা হৈছে ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : হাইলাকান্দি জেলৰ বৰ্ত্তমান কি অৱস্থা সেই তথ্য বৰ্ত্তমান মোৰ হাতত নাই । কিন্তু জেলৰ কাৰণে মাটি লোৱা হৈছে যেতিয়া জেল হব। কিয়নো মাটি লোৱাতহে যথেষ্ট সময় লাগে। মাটি লোৱা সম্ভৱ হৈছে যেতিয়া বাকী খিনি কাম কৰা সম্ভৱ হৈ উঠিব।

---

* Speech not corrected,

Mr. Speaker : Now. Starred Question No. 287.
Hon'ble Member Shri Bhimananda Tanti asked

**Re : Shifting of District Jail**

Shri Bhimananda Tanti asked.

* 287. Will the Minister of Jails be pleased to state :

a) Whether Government is considering for shifting of Guwahati District Jail ?

b) If so, whether Government has identified the place to be shifted ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

a) Yes.

b) Yes, Silagrant Town in Silasendurighopa Mouza of North Guwahati Revenue Circle, has been identified.

* শ্ৰীভীমানন্দ তাতী : মাননীয় অধ্যক্ষ মহোদয়, জিলা কাৰাগাৰ ১৯৯৭ চনতে স্থানান্তৰ কৰাতো সম্ভৱপৰ হ'ব নে নাই মন্ত্ৰী মহোদয়ে জনাব নেকি ? জেইল চিফটিং তেনেকুৱাকৈ কৰিব নোৱাৰি । এইটো সম্ভৱপৰ নহয় । এখন জেইলৰ কাৰণে গিথিনি আন্তৰগাঁথনি লাগে সেইটো কৰাটো সম্ভৱ নহয় । চিফটিঙৰ ব্যৱস্থা হৈ আছে ।

* শ্ৰীভীমানন্দ তাঁতী : কাৰাগাৰ স্থানান্তৰ কৰাৰ পিছত খালী হোৱা ঠাইখিনি কি কামত ব্যৱহাৰ কৰা হ'ব ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আজি উত্তৰত জনাইছো তুমাহমানৰ আগতে জেইলৰ আশে পাশে ঘৰ বা বজাৰক দিয়া নহয় । মই মুখ্যমন্ত্ৰী আৰু ৰেভিনিউ মন্ত্ৰীলৈ চিঠি লিখিছিলো । ইয়াৰ এটা অংশ ইন্টাৰনেচনেল ট্ৰেড আৰু কমাৰ্চ চেন্টাৰক দিয়া হৈছে । আৰু এটা অংশ বাকী জেইল উঠাই নিয়াৰ পিছত এই

* Speech not corrected

মাটি ডোখৰ যাতে সদ্‌ব্যৱহাৰ হয়— বজাৰ বা অন্য নিজৰ নিজৰ সম্পত্তি কৰিব নোৱাৰে, মই ইতিমধ্যে পৰামৰ্শ দিছো। ব্যক্তিগত কোনো অনুষ্ঠান প্ৰতিষ্ঠানৰ যাতে ব্যক্তিগত সম্পত্তি নহয় চৰকাৰীভাৱে মাটি দোখৰ সদ্‌ব্যৱহাৰৰ ব্যৱস্থা কৰা হ'ব।

Mr, Speaker : Question No. 288 Hon'ble Member Shri Misbahul Islam Laskar, Minister Flood Control is to reply,

**Re : Payment to Contractors.**

Shri Misbahul Islam Laskar asked.

* 288. Will the Minister of Flood Control be pleased to state ?

a) Whether it is a fact that some payment was made recently to Contractors against the scheme of protection of River Barak in Krishnapur G. P. under Silchar Flood Control Division ?

b) If so, when, how much and whom the payment was made ( furnish the details )

c) How many schemes of River Barak Protection under Silchar Flood Control Division got A. A. ? When the work will start ?

Shri Promode Gegoi ( Minister ) replied :

a) No payment was made recently against the scheme of Protection of River Barak in Krishnapur G. P. under Silchar Flood Control Division.

b) Does not arise.

c) 5 five) Nos. of protection schemes got A. A. The work of one scheme at Tarapur Shibbari is in progress and nearing completion. Regarding other 4 ( four ) schemes actual protection work could not yet be started due to fund constraint.

Mr. Speaker : Question No. 288. Hon'ble Member Shri Misbahul Islam Laskar. Minister Flood Control to reply.

Shri Misbahul Islam Laskar : Hon'ble Speaker Sir, though Hon'ble Minister in his reply has stated that no payment was made but according to my information payment of Rs. 2 lakh has already been made to the Contractor for construction of road, though the road has not yet been constructed. However, may I know from the Hon'ble Minister what are those 5 numbers of protection work that got administrative approval for river protection and the other 4 number of protection work which got the approval ?

Shri Promode Gogoi ( Minister, Flood Control ) : Hon'ble Speaker Sir, actually these schemes were taken up in the year 1992-93 and during the period 1993-94 an amount of Rs. 1.19 Lakh and during the year 1994-95 an amount of Rs. 0.09 Lakh were paid and during the year 1995-96 and 1996-97, no payment was made to any contractor. Regarding other schemes, Strengthening and stabilisation of I/B of river Borak at Tarapur Sivbari area from ch. 0 to 175 M. The estimated

amount/ was Rs. 320 lakhs during the year 1996-97. During the year 1994-95 and amount of Rs. 9.00 Lakhs and during 1995-96 and amount of Rs. 144.00 lakhs and during 1995-96 an amount of Rs. 142 lakhs were kept in Revenue Deposit. Regarding protection of Silchar town from the erosion of river Barak on on its L/B at Uttarkrishnapur ch. 20-280 M. The estimated amount for the said work was Rs. 82.15 Lakhs. The expenditure during the year 1994-95 Rs. 128 lakhs was paid. During the year 1996-97 no payment was made to any Contractor. The third scheme, Protection of village Krishnapur under the scheme dyke along L/B of Borak from Masimpur Katakhal estimated at Rs. 41.49 lakh. During 1994-95 Rs. 1.28 lakhs was paid and during the year 1995-96 and 1996-97 no payment was made to any contractor. The Scheme No. 4, protection of village Gobindapur area along L/B of Borak near Baskandi. Actual bank protection work could be started due to constraint of fund.

Shri Misbahul Islam Laskar : Sir, will the Hon'ble Minister enquire into the whole affairs of the case as because I have personally visited the sites and I do not find any work there.

Shri Promode Gogoi, (Minister, Flood Control) : It will be be very difficult to ascertain for the period of 1993-94 if there was any deficit of fund.

Mr. Speaker : Now Starred Question No. 289. Hon'ble Member Shri Hemanta Kalita. Hon'ble Minister P.W.D. reply.

বিষয় : গেচ ভিত্তিক্র বিদ্যুৎ প্ৰকল্প

শ্ৰীহেমন্ত কলিতাই সুধিছে :

* ২৮৯ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত বৰ্ত্তমান কেইটা গেচ ভিত্তিক বিদ্যুৎ প্ৰকল্প আছে আৰু সেই কেইটাৰ কেইটাই বৰ্ত্তমান উৎপাদন কৰি আছে ?

খ) নতুনকৈ গেচ ভিত্তিক বিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ চিন্তা কৰিছে নেকি? যদি কৰিছে এই ক্ষেত্ৰত বৰ্ত্তমান তেল আৰু প্ৰাকৃতিক গেচ আয়োগে তেল উদ্‌ঘাটন কৰা আৰু বহু পৰিমানৰ গেচ থকা তিতাবৰ সমষ্টিৰ বৰহোলাত স্থাপন কৰিবনে ?

গ) আমগুৰি প্ৰকল্পৰ কাম বৰ্ত্তমান কেনে স্তৰত আছে? উক্ত প্ৰকল্প স্থাপন কৰাৰ বিষয়ে সময় সীমা ভিত্তিত ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত বৰ্ত্তমান চাৰিটা গেচ ভিত্তিক বিদ্যুৎ উৎপাদন কেন্দ্ৰ আছে। সেই কেইটা হল— নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰ, লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰ, গেলেকি ভ্ৰাম্যমান গেচ টাৰ্বাইন কেন্দ্ৰ আৰু কঠালগুৰি ভ্ৰাম্যমান গেচ টাৰ্বাইন কেন্দ্ৰ।

কঠালগুৰিত অৱস্থিত ভ্ৰাম্যমান তাপ বিদ্যুৎ কেন্দ্ৰৰ বাহিৰে বাকী কেইটা কেন্দ্ৰত বিদ্যুৎ উৎপাদন চলি আছে।

খ) ভাৰত চৰকাৰৰ তেল আৰু প্ৰাকৃতিক গেচ মন্ত্ৰনালয়ে জনাইছে যে বৰ্ত্তমান প্ৰাকৃতিক গেচৰ নাটনিৰ বাবে অসমত নতুনকৈ গেচ বিদ্যুৎ প্ৰকল্প স্থাপন কৰা সম্ভৱ নহয়।

গ) বৰ্ত্তমান আমগুৰি প্ৰকল্পটো অসম চৰকাৰে NTPC ৰ দ্বাৰা সম্পাদন কৰিবলৈ জনোৱা প্ৰস্তাৱক NTPC য়ে গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নামত আবণ্টিত ১·৫ নিযুত ঘনমিটাৰ গেচ অসম চৰকাৰৰ অনুৰোধ ক্ৰমে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেচ মন্ত্ৰনালয়ে NTPC ৰ নামত পুনৰ আবণ্টন দিবলৈ সন্মতি প্ৰকাশ কৰিছে।

এই প্ৰকল্পটো নবম পৰিকল্পনাৰ ভিতৰত হব বুলি আশা কৰা যায়।

* শ্ৰীহেমন্ত কলিতা : মাননীয় অধ্যক্ষ মহোদয় কঠালগুৰিত অৱস্থিত ভ্ৰাম্যমান তাপ বিদ্যুৎ প্ৰকল্পৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হব মন্ত্ৰী মহোদয়ে জনাবনে? দ্বিতীয়তে, যোৱাকালি এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, ০·৬১ নিযুত ঘনমিটাৰ গেচ জ্বলি পুৰি শেষ হৈছে। এই ধৰণে প্ৰতি দিনে অসমৰ গেচ পুৰি গৈ আছে। সেই গেচখিনি ব্যৱহাৰ কৰি বিদ্যুৎ উংপাদন কৰিব পাৰি এই ক্ষেত্ৰত চৰকাৰে কিবা কাৰ্য্য ব্যৱস্থা লোৱাৰ বাবে চিন্তা কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে? তৃতীয়তে ক্ষেত্ৰ ভিত্তিক অঞ্চল সমূহত সৰু সৰু বিদ্যুৎ প্ৰকল্প কৰাৰ বাবে বিদ্যুৎ উৎপাদন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ দুটামান তাপ বিদ্যুৎ কেন্দ্ৰ মেৰামতি কৰি থকা হৈছে। গতিকে কিমান সময় লাগিব এইটো খাটাং কৰি কব পৰা নহয়। তাৰোপৰি গেচ জ্বলি আছে আৰু ব্যৱহাৰ হোৱা নাই এই সম্পৰ্কত বহু আগৰে পৰা কৈ থকা হৈছে। সেই গেচখিনিৰ যে সদ্‌ব্যৱহাৰ কৰিব লাগে সেই সম্পৰ্কত অসমৰ সকলো বিলাক ৰাজনৈতিক দলে বিশেষকৈ গণ পৰিষদ দলে বহু আগৰে পৰা দাবী তুলি আহিছে। সেই গেচ খিনি জ্বলি যোৱাৰ ফলত কোটি কোটি টকা নষ্ট হৈছে। সেই কাৰণে এই গেচখিনি সদ্ব্যৱহাৰ কৰাৰ কাৰণে এতিয়াও যুজি থকা হৈছে।

---

* Speech not corrected

Mr. Speaker : Now Starred Question No. 290 Hon'ble member Dr. Kalyan Kumar Gogoi.

**Re : Main Drain of Dibrugarh Town.**

Dr. Kalyan Kumar Gogoi asked :

*290. Will the Minister of Flood Control be pleased to state :

a) What step Government is taking to clean the main drain of Dibrugarh town which is filled up with garbages which causes flood to the low land of the town after a heavy shower ?

b) What is the amount spent for this main drain for cleaning and improvement of drain for last 5 years ?

c) It is true that some machines and pipes worth lakhs of rupees which were brought for cleaning purpose of the drain are laying dumped in the E & D Dibrugarh ?

Shri Promode Gogoi (Minister) replied :

a) It is proposed to clean the garbages dumped in the Dibrugarh town protection drain in the reaches of Dibrugarh market area only under untied fund before onset of the next monsoon.

b) Rs. 10.45 lakhs.

c) Yes, some machines and pipes were brought for cleaning the drain mechanically and are now kept in the Dibrugarh E & D go-down after execution of the said scheme.

ডাঃ কল্যান কুমাৰ গগৈ : অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাখন পৰিষ্কাৰ কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে ? মন্ত্ৰী মহোদয়ে কৈছে ডিব্ৰুগড় মাৰ্কেট এৰিয়া পৰিষ্কাৰৰ বাবে মনচুনৰ আগতে আনটাইদ ফাণ্ডৰ পৰা টকা দিয়া হব। মই জনাত যিটো ডাঙৰ ড্ৰেইন আছে সেইটো চাফা কৰাৰ বাবে এই টকা দিয়া হোৱা নাই। এই আনটাইদ ফাণ্ডৰ টকাটো ডিব্ৰুগড়ৰ আশে পাশে থকা নলা-নৰ্দ্দমা পৰিষ্কাৰ কৰাৰ বাবে দিয়া হৈছে। দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে কৈছে যে, যোৱা ৫টা বছৰত ১০.৪৫ লাখ টকা খৰচ কৰা হৈছে। কিন্তু মই জনাত তাৰো বেছি টকা খৰচ কৰা হৈছে আৰু টকা অপব্যয় কৰা হৈছে। গতিকে এই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে ? তৃতীয়তে, মন্ত্ৰী মহোদয়ে কৈছে যে, কিছুমান মেচিন কিনা হৈছিল। কিমান টকাৰ মেচিন কিনা হৈছিল আৰু এই মেচিনবিলাক এনেয়ে কিয় পৰি আছে সেই মেচিনবিলাক কিয় কামত লগোৱা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীপ্ৰমোদ গগৈ ( বাননিয়ন্ত্ৰণ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, Furnish to me, Machines are still serviceable for cleaning the drains and these machines can be utilised. Our department is ready to help the development authority.

* ডাঃ কল্যান কুমাৰ গগৈ : অধ্যক্ষ মহোদয়, ১.৩ লাখ টকাৰে মেচিন কিনা হৈছে আৰু সেই মেচিনবিলাক ব্যৱহাৰ হোৱা নাই। ডিব্ৰুগড় বাইজে তাৰ পৰা কোনো উপকাৰ পোৱা নাই। এনে ধৰণৰ ব্যৱহাৰ নোহোৱা মেচিন কিনাৰ কি প্ৰয়োজন ? তাৰোপৰি ডিব্ৰুগড়ৰ নলাবিলাক ব্ৰহ্মপুত্ৰ নৈত পৰিছে। যিখিনি ঠাইত পৰিছে সেইখিনিত নদীৰ মুখখন ওখ হোৱাৰ কাৰণে পানী ওলায় যাব নোৱাৰে আৰু সেই পানীয়ে ডিব্ৰুগড় জিলাৰ নামনি অংশলৈ বাগৰি আহি বৰবৰুৱা, বৰপথাৰ, কোৰৰ গাওঁ আদি অঞ্চল প্লাৱিত কৰিছে। গতিকে আপোনালোকৰ

* Speech not corrected

বিভাগৰ পৰা এই মেচিনবিলাক ব্যৱহাৰ কৰি ডিব্ৰুগড় জিলাৰ নলা-নৰ্দমাবিলাক পৰিষ্কাৰ কৰাৰ আচনি গ্ৰহণ কৰিবনে ?

* **Shri Promode Gogoi** ( Minister, Flood Control ) : There was no such Scheme.

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মেচিনবিলাক এতিয়া চাৰ্ভিচেবুল হোৱা বুলি কৈছে। কিন্তু ১৯৮৯-৯০ চনতে কিনা মেচিনবিলাক ১৯৯৬ চনলৈকে কিয় ব্যৱহাৰ কৰা হোৱা নাছিল ?

**Shri Promode Gogoi** (Minister, Flood Control) : Mr. Speaker Sir, part of the expenditure that was incurred for cleaning the drain during the last 5 years is follows :

| | | |
|---|---|---|
| 1992-93 | ... | Rs. 4.47 lakhs |
| 1993-94 | ... | Rs. 0.80 thousand |
| 1994-95 | .... | Rs. 3.18 lakhs |
| 1995-96 | ... | Nil |
| 1996-97 | ... | Rs. 2.00 lakhs |
| | Total— | Rs. 10.45 lakhs |

In regard to the second supplementary, the details of machines and pipes brought for mechanical cleaning of the drain during 1988-89, I can place the list in the table of the House as it is a long list. The total expenditure incurred in connection with procurement of machines and pipes and maintenance

* Speech not corrected

is Rs. 1,03,64,146.00. After execution, these machines and pipes are kept in departmental Godown. According to information that I have received, machines are still serviceable and can be utilised. Actually these machines and pipes were purchased during 1988-89 for cleaning the drain mechanically inside the Dibrugarh Town and after execution of the work, these machines and pipes are kept in the Departmental Store.

Mr. Speaker: Now Starred Question No. 291.

Hon'ble Member Sri Atul Bora

বিষয়: পূজি আৱন্টন।

শ্ৰীঅতুল বৰাই সুধিছে:

* ২৯১। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) গোলাঘাট জিলাত ভূমি সংৰক্ষণ বিভাগৰ নামত যোৱা ৫ (পাঁচ) বছৰত কিমান পূজিৰ আৱন্টন দিয়া হৈছে?

খ) জিলাখনত এই বিভাগে যোৱা ৫ বছৰত কি কি আঁচনি হাতত লৈছে আৰু এই আঁচনি সমূহৰ ৰূপায়ণ কি পৰ্য্যায়ত আছে?

শ্ৰীঅকণ ৰাভা (ভূমি সংৰক্ষণ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) গোলাঘাট জিলাত ভূমি সংৰক্ষণ বিভাগৰ নামত যোৱা ৫ (পাঁচ) বছৰত (১৯৯২-৯৩-১৯৯৬-৯৭) মুঠ ২৭,৪৭,৬৯১.০০ টকাৰ আৱন্টন দিয়া হৈছে।

* Speech not corrected

খ) জিলাখনত এই বিভাগে ভূমি উন্নয়ণ আঁচনি ( Land Development Scheme ) কাম হাতত লৈছে আৰু এই আঁচনি সমূহৰ ৰূপায়ণৰ কাম চলি আছে।

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, যোৱা ৫ বছৰত গোলাঘাট জিলাত ভূমি সংৰক্ষণৰ নামত ২৭, ৪৭, ৬৯১.০০ টকাৰ আবন্টন দিয়া হৈছে। কিন্তু মই জনাত এতিয়ালৈকে গোলাঘাট জিলাত ভূমি সংৰক্ষণৰ নামত কোনো আঁচনি ৰূপায়িত হোৱা নাই। ১০০ জোপা গছ ৰোৱা বুলি এজন বিষয়াই বাওঁহাতে সোঁহাতে টিপ চহী মাৰি ১২ লাখ টকা লৈছে। এই ঘটনাটো ১৯৯৫ চনতে লৈছে। এই বিষয়াজনৰ বিৰুদ্ধে বিহীত ব্যৱস্থা মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিবনে ?

* শ্ৰীঅৰুণ ৰাভা ( ভূমি সংৰক্ষণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এনে ধৰণৰ অভিযোগ উত্থাপন কৰিলে তদন্ত কৰি ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now, Starred Question No. 292. Hon'ble Member Shri Prithibi Majhi.

### Re : Development of Tourism.

**Shri Prithibi Majhi asked :**

* 292. Will the Minister of Tourism be pleased to state :

a) Whether Government has any schemes for development of Tourism in Assam ?

b) If so, what are the schemes ?

c) Whether Government has identified the tourist spots ?

---

* Speech not corrected

d) If so, name of the spots ?

e) Whether Government will make survery in this regard ?

**Shri Prafulla Kumar Mahanta** (Chief Minister) replied :

a) Government of Assam have taken up various schemes for development of tourism.

b) Construction of Tourist Lodges, Pilgrim Cottages and Wayside facilities, development of tourist spots, River Cruise facilities are the main schemes undertaken by the Government at present.

c) Yes, Sir.

d) The tourist spots already identified by Government are Kaziranga, Manas, Sibsagar, Orang, Tezpur, Bhalukpung, Gogamukh, Biswanath Ghat, Digboi, Chandubi, Surjyapahar, Pancharatna, Bordoipam Bird Santuary, Diphu, Haflong, Silchar, Bhuban Hill, Barpeta, Pobitora, Madan Kamdev, Nagaon, Batadrowa, Majuli.

e) Survey will be conducted after identified of new tourist spots.

* শ্ৰীপৃথিবী মাঝি : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বিপ্লাইত কৈছে যে টুৰিজিম অৰ ডেভেলপমেণ্টৰ কাৰণে বহুতো ধৰণৰ স্কীম লোৱা হৈছে। কিমান টুৰিজিম এণ্ড লজেচ্ আৰু পিলগ্ৰিম কটেজচ্ নিৰ্মাণ কৰা হৈছে বা কিমান নিৰ্মাণ কৰি থকা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ৩টা টুৰিষ্ট লজেচ্ ২টা পিলগ্ৰিম কটেজচ্ আৰু অন্যান্য সা-সুবিধাবিলাক দিবৰ

* Speech not corrected

বাবে বৰ্তমান চৰকাৰে স্কীমত ধৰি লৈছে। সেইবিলাকৰ ভিতৰত কাজিৰঙাত ৩ টা টুৰিষ্ট লজ, ২টা কটেজলচ, গুৱাহাটীত ১টা, শিৱসাগৰত ২ টা, ডিফুত ১টা, হাফলঙত ১ টা, ভৰলুমুখত ১টা, শিলচৰত ১টা আৰু চাওডুবিত ১টা, মানাহত ১টা আৰু বৰপেটা ৰোডত ২টা টুৰিষ্ট লজৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

* শ্ৰীপৃথিবী মাঝি : মাননীয় অধ্যক্ষ মহোদয়, এই স্কীমবিলাকৰ কাৰণে কিমান পুঁজি ধৰা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, স্কীমমতে কাম কৰিবৰ বাবে কেৱল ঠাইকেইখনহে বাছি লোৱা হৈছে। ইয়াৰ ওপৰত প্লেন এষ্টিমেট নোহোৱাকৈ কিমান টকা ধৰা হব সেই কথা কব পৰা নাযাব।

* শ্ৰীভূপেন ৰয় : মাননীয় অধ্যক্ষ মহোদয়, নামনি অসমৰ বঙ্গাইগাওঁত থকা কচুগাওঁ, দেওচিৰি, তামৰঙা, আৰু মহামায়া এই অঞ্চলকেইটাৰ কাৰণে পুঁজিৰ ব্যৱস্থা কৰিব পাৰিব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যি কেইখন ঠাইৰ নাম কৈছে তাৰ তালিকা এখন দিলে আমি ঠাইকেইডোখৰ অন্তৰ্ভুক্ত কৰি লবৰ বাবে বিবেচনা কৰিম। আৰু সোমোৱাই লবৰ বাবে চেষ্টা কৰিম। মহামায়াখন ঠিক ৰাস্তাৰ কাষতে। দেওচিৰি বঙাইগাওঁত আৰু বাকী কেইখনো উন্নত কৰাৰ কাৰণে এই চাৰিখন ঠাইৰ তালিকা এখন চৰকাৰৰ ওচৰত দিবলৈ অনুৰোধ জনাইছো আৰু বাঘবৰৰ বিষয়ে বেলেগে প্ৰশ্ন দিব লাগে।

* মোস্তাফা চহিদুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, শংকৰদেৱৰ জন্ম ঠাই আলিপুৰ দুৱাৰ এখন পবিত্ৰ তীৰ্থস্থান। সেই ঠাইলৈ অসমৰ মানুহৰ বাহিৰেও অসমৰ বাহিৰৰ পৰা বহুত মানুহ সেই ঠাইলৈ আহে তাত ভক্ত সকল থাকিবৰ বাবে লজৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে উত্থাপন কৰা বিষয়টো বিবেচনা কৰিবৰ বাবে তেখেত সকলৰ পৰামৰ্শ লিখিত হিচাবে দিলে ভাল হয়।

---

* Speech not corrected.

* ডাঃ কল্যান গগৈ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী লজবিলাকত ভাৰতীয় মানুহৰ কাৰণে ৫০ টকা আৰু বাহিৰৰ পৰা অহা মানুহৰ কাৰণে ৭০০ টকা দিব লাগে।

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত উত্তৰ দিবলৈ মোৰ হাতত তথ্য নাই। এই বিষয়ে পিচত উত্তৰ দিয়া হব।

Mr. Speaker : Now. Starred Question No. 293. Hon'ble Member Shri Abu Bakkar Siddque Jotder.

**Re : Territorial division under Forest Department.**

**Shri Abu Bakkar Siddique Jotder** asked :

* 293. Will the Minister of Forest be pleased to state :

a) What is the total number of territorial division under the Forest Department ?

b) What is the total number of Reserve Forest in Assam ?

**Shri Nagen Sarma** (Mi nister, Forest) replied :

a) 27 Nos.

b) 357 Nos.

* শ্ৰীআবু বক্কৰ ছিদ্দিক জোটদাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বন মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে অসমত ৩৫৭ টা ৰিজাৰ্ভ আছে। এতিয়া মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ফৰেষ্ট ৰিজাৰ্ভত কিমান সংখ্যক টেৰিটৰিয়েল ডিভিজন আছে ? খ) ফৰেষ্ট ৰিজাৰ্ভত কিমান বেদখলকাৰী আছে গ) ফৰেষ্ট ভিলেজৰ অধীনত কিমান মাটি আছে ?

* Speech not corrected

* শ্ৰীনগেন শৰ্মা ( বন বিভাগৰ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাটি কালি হৈছে ১৭৪৫৬৭,৭১ স্কোৱেৰ কিলোমিটাৰ আৰু বে-দখল হৈ পৰা মাটিৰ কালি হিচাব এতিয়া দাখিল কৰিব নোৱাৰিম। পিচত দাখিল কৰিব পৰা যাব।

* শ্ৰীআবু বক্কৰ ছিদ্দিক জোটদাৰ : মাননীয় অধ্যক্ষ মহোদয়, ফৰেষ্ট ভিলেজত কিমান মাটি কালি আছে ?

* শ্ৰীনগেন শৰ্মা ( বন বিভাগৰ মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত ১৬০ খন ফৰেষ্ট ভিলেজ আছে। মুঠ মাটিৰ কালি কিমান সেই বিষয়ে এতিয়া জনাব পৰা নহব।

* শ্ৰীআবু বক্কৰ চিদ্দিক জোটদাৰ : অধ্যক্ষ মহোদয় যিবিলাক মানুহে ফৰেষ্টত বসবাস কৰি আছে। সেই থকা ঠাইবিলাক ফৰেষ্ট ভিলেজ হিচাবে ঘোষণা কৰি এই মানুহখিনিক চেটেলমেণ্ট দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ? মোৰ ধাৰণা সীমান্ত অঞ্চলৰ লগতে অসমৰ ফৰেষ্টৰ মাটিত দখল কৰি যিসকলে গাওঁ পাতি বসবাস কৰি আছে যেনে কোকৰাঝাৰ আৰু বঙাইগাওঁত ইতিমধ্যে যিবিলাক গাওঁ আছে সেই গাওঁবিলাকত চেটেলমেণ্ট দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* শ্ৰীনগেন শৰ্মা ( বন বিভাগৰ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৬০ খন গাওঁ ফৰেষ্ট ভিলেজ হিচাবে চিনাক্তকৰণ কৰা হৈছে। সেই সকলক সুবিধা দিব পাৰি কিন্তু যিসকলে ১৯৮০ চনৰ পিচত গাওঁ নিজে নিজে তৈয়াৰ কৰি লৈছে সেই সকলক ফৰেষ্ট ভিলেজ হিচাবে স্বীকৃতি দিব নোৱাৰি আৰু সুবিধাও দিব নোৱাৰি যেনে—বেংমা, দৈয়াং আদিত বিষয়ে যথেষ্ট সংখ্যক লোক আছে। এই আমি কেন্দ্ৰীয় চৰকাৰৰ লগত বহুতবাৰ যোগাযোগ কৰিছো কেন্দ্ৰীয়। চৰকাৰৰ অনুমোদন সাপেক্ষে হে আমি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম ।

* শ্ৰীগৌতম ৰয় : মাননীয় অধ্যক্ষ মহোদয়, বৰাক ভেলীৰ কিছুমান মানুহ

---

* Speech not corrected.

আহি ফৰেষ্ট ভিলেজত বসবাস কৰি আছে। সেই সকলৰ কাৰণে কি ব্যৱস্থা লৈছে ?

শ্ৰীনগেন শৰ্ম্মা (বন বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮০ চনৰ পিচত অহা ব্যক্তি সকলৰ ক্ষেত্ৰত উচ্ছেদ কাৰ্য্য চলি আছে।

Mr. Speaker : Now starred Question No. 294

Hon'ble Member Shri Nizamuddin Khan.

বিষয় :— পদৰ সংখ্যা

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

* ২৯৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পশুপালন বিভাগৰ সঞ্চালক, অতিৰিক্ত সঞ্চালক, যুটীয়া সঞ্চালক, উপ-সঞ্চালক/জিলা বিষয়া আৰু সহকাৰী সঞ্চালক / সমপৰ্য্যায়ৰ বিষয়া আদি পদৰ সংখ্যা কিমান ? (পদ হিচাবে বেলেগ কৈ উল্লেখ কৰিব)

খ) এই পদ সমূহৰ আটাইবিলাক পদত বিষয়া নিযুক্তি নিদিয়াৰ কথাটো সঁচানে ?

গ) যদি সঁচা, কিমান বিষয়া নিযুক্তি দিবলৈ বাকী আছে ? (পদ অনুসৰি জনাব)

ঘ) As per rules জ্যেষ্ঠতাৰ ভিত্তিত খালী পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পশুপালন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

ক) পদৰ সংখ্যা হৈছে :—

১) সঞ্চালক— ১টা

২) অতিৰিক্ত সঞ্চালক— ৪টা

৩) যুটীয়া সঞ্চালক— ১১টা

৪) উপ সঞ্চালক/জিলা পৰ্য্যায়ৰ বিষয়া মুঠ—৪১টা

৫) সহকাৰী সঞ্চালক/সম পৰ্য্যায়ৰ বিষয়া মুঠ—৪৮টা

খ) সঁচা নহয়। মাত্ৰ কেইটামান পদত অৰ্হতা নথকা বাবে পদোন্নতি দিব পৰা হোৱা নাই।

গ) অতিৰিক্ত সঞ্চালক— ৪ টা নিযুক্তি দিবলৈ বাকী আছে।

যুটীয়া সঞ্চালক— ৫টা নিযুক্তি দিবলৈ বাকী আছে।

উপসঞ্চালক জিলা পৰ্য্যায়ৰ বিষয়া— ৮ টা নিযুক্তি দিবলৈ বাকী আছে।

ঘ) হয়, ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক পদ পুৰণ কৰিবলৈ বাকী আছে এতিয়া সেই খালী পদ সমূহ পুৰণ কৰাৰ বাবে সোনকালে ব্যৱস্থা লব নেকি ?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় এইটো প্ৰছেচ্ কৰা হৈছে, কেইদিন মানৰ ভিতৰতে প্ৰমোচন দিব পৰা যাব। ইতিমধ্যে যোৱা ২৭ মাৰ্চ তাৰিখে ৬৫ টা খালী পদত প্ৰমোচন দিয়া হ'ল।

* শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, ভেটেৰিনাৰী চাৰ্জন কিমানটা পদ খালী হৈ আছে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ভেটেৰীনাৰী চাৰ্জন ভালেখিনি পদ খালী হৈ আছে, সংখ্যাটো এতিয়া মই কব নোৱাৰিম।

* শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, খালী পদ পুৰণ কৰাৰ ব্যৱস্থা কৰিব নে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, খালী পদ পুৰণ কৰা হব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান খালী পদত প্ৰমোচন দিয়া বুলি মন্ত্ৰী মহোদয়ে জনাইছে, সদ্যহতে কিমান টা

---

* Speech not corrected

খালী হব ওলাইছে, তাৰ ভিত্তিত কিমানজন জনজাতি, অনু-সুচিত জনজাতি নিযুক্তি দিব পৰা হব? এই সংক্ৰান্তত চুপ্ৰিম কোৰ্টৰ জাজ্‌মেন্ট আছে কিমান পাৰচেন্ট দিব লাগে। এই ক্ষেত্ৰত জাজ্‌-মেন্ট দিছে নেকি? আৰু লগতে বেকলগ পুৰণ কৰাৰ কাৰণে অসম চৰকাৰৰ পশুপালন মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত স্পেচিয়েল গাইদ্‌ দিয়াৰ কথা চিন্তা কৰিছে নেকি?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই ক্ষেত্ৰত বেলেগ প্ৰশ্ন কৰা উচিত হব মই এতিয়া এই বিষয়ে কবলৈ অসুবিধা হব। অনুসুচিত জাতি আৰু জনজাতি কল্যান বিভাগৰ পৰা ইতিমধ্যে অনুমোদন লাভ কৰা হৈছে। আমি যি ৬৫ টা পদত প্ৰমোচন দিছো এই বিভাগৰ পৰা অনুমোদন পাইহে দিছো। চুপ্ৰিম কোৰ্টৰ তেনেকুৱা ধৰণৰ কোনো নিৰ্দ্দেশ পোৱা হোৱা নাই। বেকলগ যি ধৰণে পাব লাগে তাৰ সপক্ষেহে আমি প্ৰমোচন দিছো।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চুপ্ৰিম কোৰ্টৰ নিৰ্দ্দেশ আছে, বছৰত এশটা পদ যদি ওলায়, তেতিয়া হলে তেখেত সকলে শতকৰা পঞ্চাশ ভাগ পদ পুৰণ কৰিব পাৰে। ৬৪ টা পদ তুমাহৰ ভিতৰত খালী হব, ৩৪ টা জনজাতি যুৱক-যুৱতী ডাক্তৰ পাচ কৰি আছে, এই ৩৪ টা জনজাতি আৰু অনুসূচীত জাতিৰ প্ৰাৰ্থীক আপোনালোকৰ বিভাগত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে চুপ্ৰিম কোৰ্টৰ ৰায়ৰ যিটো কথা কৈছে এইটো যদি তেখেতে মোক দিয়ে, তেতিয়া হলে নিশ্চয়ই পৰীক্ষা কৰি চোৱা হব। ১৯৭৮ চনৰ যিখন আইন আছে সেইখনৰ সপক্ষে বেকলগ পুৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰমোচনৰ ব্যৱস্থা কৰা হৈছে, তেতিয়া হলে মাননীয় মন্ত্ৰী মহোদয়ে

---

* Speech not corrected

পশু পালন বিভাগৰ সঞ্চালকক বিভাগৰ ফালৰ পৰা প্ৰমোচন নিদিয়াকৈ এগ্ৰিকালচাৰ ইউনিভাৰছিটিৰ পৰা আনি সঞ্চালক হিচাবে নিয়োগ কৰা কথাটো সঁচা নেকি? যদি নিয়োগ কৰিছে কি কাৰণত কৰা হৈছে এইটো মন্ত্ৰী মহোদয়ে জনাব নেকি?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো আগতে আছিছিল, কিন্তু সময়ৰ অভাবৰ কাৰণে উত্তৰ দিব পৰা নহ'ল। সঞ্চালক নিয়োগৰ ক্ষেত্ৰত তেনেকুৱা প্ৰমোচন দিব পৰা বিষয়া নাছিল। ১৯৯৪ চনত যি নিয়ম ওলাইছে তাক এমেণ্ড কৰা হৈছে। সেইমতে এগ্ৰি-কালচাৰ ইউনিভাৰছিটিৰ পৰা অৰ্হতা সম্পন্ন বিষয়াক সঞ্চালক পদত নিযোগ কৰিব পৰা যায়, সেই কাৰণে নিয়োগ কৰা হৈছে।

* শ্ৰীমুনিন মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অৰ্হতা সম্পন্ন বিষয়া বিভাগত নোহোৱা বুলি কৈছে, কিন্তু বৰ্ত্তমানৰ অতিৰিক্ত সঞ্চালক অৰ্হতা সম্পন্ন নোহোৱাকৈ কেনেকৈ কাৰ্য্য নিৰ্বাহ কৰি আছে মন্ত্ৰী মহোদয়ে জনাব নে?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অতিৰিক্ত সঞ্চা-লকৰ পদ চাৰিটা খালী আছে, অৰ্হতা সম্পন্ন ব্যক্তি নাই, সেই বাবে ডাইৰেক্ট ৰিকুইটমেণ্টৰ বাবে দিয়া হৈছে, ডাইৰেক্ট ৰিকুইটমেণ্টৰ পৰা যি কেইটা দিব পাৰি অন্ততঃ দুটা হলেও খালী পদ পুৰণ কৰিব পৰা হব।

* শ্ৰীমুনিন মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, অৰ্হতা সম্পন্ন বিষয়া বিভাগত কিয় নোহোৱা হ'ল মন্ত্ৰী মহোদয়ে জনাব নে?

* শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজেই জানে যে এল, ও, চি, স্কেণ্ডেলত কেবাজনো বিষয়া বৰখাস্ত হৈ আছে বা নিলম্বিত হৈ আছে, সেই কাৰণেই অৰ্হতা সম্পন্ন বিষয়াৰ অভাৱ হৈছে।

---

* Speech not corrected

Mr. Speaker. Now Starred Question No. 295. Hon'ble Member Shri Etuwa Munda,

**Re : Number of Jails.**

**Shri Etuwa Munda** asked :

* 295. Will the Minister of Jails be pleased to state :

(a) What is the total number of Jails in Assam ?

(b) What is the present condition of the Marigaon Jails ?

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) replied :

(a) 26.

(b) The Jail Buildings have been completed, but staff Quarters are in half done stage and construction of Jail Hospital and installation of Deep Tube well are yet to be done.

* শ্ৰীএটোৱা মুণ্ডা: মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ২৬টা কাৰাগাৰ আছে আৰু মৰিগাওঁৰ কাৰাগাৰ সম্পূৰ্ণ হৈছে যদিও ষ্টাফ আৰু হস্পিতেলৰ কাম কৰিব পৰা নাই। এতিয়া মই প্ৰশ্ন কৰিব খুজিছো যে নিৰ্মীয়মান হস্পিতালৰ ষ্টাফ কুৱাৰ্টাৰ কেতিয়ালৈ সম্পূৰ্ণ কৰা হব, কেতিয়া সম্পূৰ্ণ কৰি কাৰাগাৰটো মুকলি কৰিব ? বৰ্ত্তমান অসমৰ কোন কোন জিলা আৰু মহকুমাত নিৰ্মীয়মান অৱস্থাত কাৰাগাৰ আছে আৰু সেই কাৰাগাৰ সমূহ সম্পূৰ্ণ কৰিবৰ কাৰণে কিবা আঁচনি লৈছে নেকি ? যদি লৈছে কোন জিলাত কৰিব মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰী অতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩ চনৰ এপ্ৰিলৰ ১ তাৰিখে প্লেনিং কমিশ্বনে এইটো এক্সক্লুড কৰি —

* Speech not corrected

দিছে। গতিকে ব্যৱস্থা কৰা হৈছে। নন্-প্লেন প্ৰভিজন ৰাখি এই আধৰুৱা কামবিলাক সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা কৰা হব।

* মোস্তাফা শ্বহিদুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ কাৰাগাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিছিল, উদ্বোধন কৰাৰ আজি প্ৰায় সাত বছৰ হৈছে। কি কাৰণে কাৰ্য্যক্ৰম হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে? আৰু তাত যি আৰ্মি ৰখা হৈছে, এই ক্ষেত্ৰত কিবা ব্যৱস্থা লব নেকি?

* শ্ৰীঅতুল বৰা (গড়কাপ্তানি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণে বৰ্ত্তমান তাত আৰ্মি, পেৰা-মিলিটাৰী সময়ে সময়ে থাকি যায়।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান চুপাৰিন টেনডেন্ট পদ খালী হৈ আছে। আমি গুৱাহাটী, ধুবুৰী, হাইলাকান্দি পৰিদৰ্শন কৰোতে তাত অতিৰিক্ত চুপাৰিন টেনডেন্ট নাই, ইয়াৰ ব্যৱস্থা কৰিব নেকি মন্ত্ৰী মহোদয়ে জনাব নে?

* শ্ৰীঅতুল বৰা (গড়কাপ্তানি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৪৩টা পদ খালী হৈ আছে বুলি কৈছে, কোন কোন পদ খালী আছে সেই সম্পৰ্কে কৈছো, তেখেতে কৈছে চুপাৰিন টেনডেন্ট পদ খালী হৈ আছে। এই পদ সমূহ পুৰণ কৰিবলৈ এ, পি, এচ, চি, পৰীক্ষা পাতে; তাৰ পিচতহে দিব লাগে। এতিয়া আমাৰ নিযুক্তি বন্ধ হৈ আছে।

Mr. Speaker : Now Question hour is over.

(Starred Question Nos. 296 to 300 Could not be taken up for disposal as the Question hour was over. However, the said replies of the said Questions deemed to have been laid on the table of the House.)

বিষয় : মঠাউৰীৰ দুৰৱস্থা।

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে :

* ২৯৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

Speech not corrected

ক) খৰমুজা সুখচৰ মথাউৰি দুৰ্ব্বল আৰু বিছিন্ন হোৱা কথাটো সঁচানে ?

খ) যদি সঁচা উক্ত মথাউৰিটো শক্তিশালী কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) উক্ত মঠাউৰীত ৯ (ন) ঠাইত চিগে। তাৰে অতি প্ৰয়োজনীয় বুলি ভবা দুটা চিগাত পশ্চাৎ বান্ধৰ প্ৰস্তাৱ আৰু দুখন অঁচনি মঠাউৰীটো শক্তিশালী কৰণ Raising and Strengthening ) বাবে প্ৰস্তাৱ যোৱা ২৫ তম্ কাৰিকৰী উপদেষ্টা কমিটিৰ দ্বাৰা অনুমোদন কৰাই ৰখা হৈছে।

Re : **Control of Erosion**,

**Shri Girindra Mallik** asked :

* 297. Will the Minister of Flood Control be pleased to state :

a) Whether any preventive measure has been adopted for the control of erosion of Rukni and Sonai Rivers in Dhalai Constituency ?

b) If so, what amount of money has been sanctioned for the purpose ?

c) If not, will the Government propose to take initiative for the control of erosion at Jamalpar Monirkhal and Polonghat under Dhalai Constituency, Cachar ?

**Shri Promode Gogoi** ( Minister, Flood Control ) replied :

a) Yes.

b) Two schemes are sanctioned as below :—

i) Protection of Bambidyapith H. E. School at Bhagabazar on left bank of river Rukni for an amount of Rs. 19,44,962.00.

ii) Protection of Ujanjamalpar from erosion of river Sonai on left bank for an amount of Rs. 71.36,200.00

c) Erosion at other sites are under observation. Formulation of these schemes depends on overall priorition position of the District.

বিষয়: নতুন সংমণ্ডল আঁচনি।

শ্ৰীৰনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে:

* ২৯৮। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) ভূমি সংৰক্ষণ বিভাগে নতুনকৈ সংমণ্ডল কাৰ্য্যালয় গঠন কৰাৰ আঁচনি লৈছে নেকি?

খ) যদি লোৱা হৈছে তেনেহলে গোটেই অসমত এনেকুৱা কিমানটা নতুন সংমণ্ডল সৃষ্টি কৰা হব জনাব নেকি?

গ) ধুবুৰী জিলাতো উক্ত নতুন সংমণ্ডল সৃষ্টি কৰা হব নেকি?

শ্ৰীঅকণ ৰাভা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) হয়, লৈছে।

খ) সামগ্ৰিকভাৱে গোটেই অসমৰ বাবে ৫টা (পাঁচ) নতুন সংমণ্ডল সৃষ্টিৰ প্ৰস্তাৱ আছে।

গ) হয় প্ৰস্তাৱ আছে।

বিষয়: ভূমি সংৰক্ষণৰ আঁচনি।

শ্ৰীমুনিন মহন্তই সুধিছে:

২৯৯। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) ৰাজ্যখনত ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰা হয় জনাবনে?

খ) জলচ্ছেদ প্ৰকল্প আৰু উল্‌টা খুন্দা বান্ধ কোন কোন স্থানত কৰা হৈছে জনাবনে?

গ) এই আঁচনি সমূহৰ কিমানটা কাৰ্য্যকৰী আৰু কিমানটা অসম্পূৰ্ণ বা কৃতকাৰ্য্য নহল জনাবনে?

শ্ৰীঅৰুণ ৰাভা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) ৰাজ্যখনত ভূমি সংৰক্ষণ বিভাগে প্ৰধানকৈ তলত উল্লেখ কৰা আঁচনি সমূহ কাৰ্য্যকৰী কৰি আহিছে।

১) নৈৰ গড়া খহনীয়া প্ৰতিৰোধ আঁচনি।

২) প্ৰতিৰোধ মূলক বনানিকৰণ আঁচনি।

৩) উল্টা খুন্দা নিয়ন্ত্ৰণ আঁচনি।

৪) ভূমি উন্নয়ণ আঁচনি।

৫) জল বিতৰণ আঁচনি।

৬) প্ৰাকৃতিক সৌন্দৰ্য্যকৰণ আঁচনি।

৭) বাগিছা শস্য উন্নয়ণ আঁচনি।

বিত্তীয় অনুদান প্ৰাপ্তি সাপেক্ষে আৰু ভূমি ক্ষয়ৰ প্ৰকোপৰ নিৰ্ভৰ কৰি উল্‌টা খুন্দাৰ দ্বাৰা আক্ৰান্ত অসমৰ প্ৰায়বোৰ ঠাইতে ১৯৫৬ চনৰ পৰা বহুসংখ্যক উল্‌টা প্ৰতিৰোধ আঁচনিৰ কাম হাতত লোৱা হৈছে।

খ) নলবাৰী জিলাৰ পাগলাদিয়া নদীৰ উপত্যকাত ৪ টা জলচ্ছেদ প্ৰকল্প নিম্ন উল্লেখিত স্থান সমূহত ৰূপায়ণ কৰি থকা হৈছে।
১) কালিয়াকুৰ ২) চুখা ৩) বুঢ়াদিয়া ৪) বৰলিয়া।

গ) এই আঁচনি সমূহৰ সকলোবোৰ প্ৰকল্প সময়মতে কাৰ্য্যকৰী কৰা হৈছে। কোনো আঁচনি অসম্পূৰ্ণ কৰি ৰখা নাই।

**Re : Adamtilla Gas Plant.**

**Shri Sukhendu Shekhar Dutta** asked :

* 300. Will the Minister of Power be pleased to state :

a) Why Commissioning of the Adamtilla Gas plant is being delayed?

b) When it will be commissioned ?

**Shri Prafulla Kumar** Mahanta (Chief Minister) replied :

a) The Delay in commissioning of the project is due to the delay in land acquisition, delay in shifting of machineries to site because of disruption in road communication due to flood & other reasons covered under the Force Majeure clause.

b) The first Unit of 3 MW of this project is expected to be commissioned by April/98. The balance units of the project are expected to be commissioned by June 1998.

( Matter raised by Hon'ble Minister, Shri Jatin Mali after the question hour )

* শ্ৰীযতীন মালী ( শিক্ষামন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা বিষয় আজি পবিত্ৰ সদনত আপোনাৰ জ্ঞাতাৰ্থে সকলো মাননীয় সদস্য সকলৰ অৰ্থে মই উপস্থাপন কৰিব বিচাৰিছো । মাননীয় অধ্যক্ষ মহোদয়, আজি 'দৈনিক অগ্ৰদূত' কাকতত এটা কথা প্ৰকাশ পাইছে 'শিক্ষামন্ত্ৰী যতীন মালীৰ অভূতপূৰ্ব কাণ্ড অবৈধভাৱে বিলালে লক্ষ লক্ষ টকা।"

মাননীয় অধ্যক্ষ মহোদয়, বাতৰিটো ওলোৱাৰ বাবে বেয়া হোৱা নাই, কাৰণ অসমৰ মানুহে কিছুমান কথা স্পষ্টভাৱে জনাটো বাঞ্চনীয়। কিন্তু বাতৰিটোৰ প্ৰকাশিত কথাখিনি বাতৰিটোৰ আৰম্ভণীৰে পৰা বাৰে-পাচিমান ভুল । প্ৰথম কথা হল এইটো যে মই গড়কাপ্তানি বিভাগৰ অতিথিশালাত টকা বিতৰণ কৰা নাই। মই মিৰ্জাৰ ছোৱালী হাইস্কুলত টকা বিতৰণ কৰিছিলো । বি, কে কলেজখনতো কৰা নাই, কোনো কলেজতেই কৰা নাই। শ্বহীদ বেদীৰ নামত এটা ফুটাকড়িও দিয়া নাই । যিখিনি কথা কৈছে সেইটো অভূতপূৰ্ব বুলি কৈছে।

---

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে দুটামান কথা সদনৰ জ্ঞাতাৰ্থে কব বিচাৰিছো। পলাসবাৰী সমষ্টিত ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে যিমান টকা খৰচ কৰা হৈছিল তাৰ ৯২ পাৰচেন্ট এনেয়ে গৈছে। ( ভইচ.........মাননীয় অধ্যক্ষ মহোদয় ) মই কৈ থকা অৱস্থাত বিৰোধী পক্ষৰ দলপতিয়ে কব নেলাগে। এতিয়া কথা হৈছে, 'চেক' বিলোৱা কথাটো অনিয়ম হৈছে বুলি কৈছে। ডি, আৰ, ডি, এ বিভাগৰ জৰিয়তে চিমেণ্ট, ৰড, ইত্যাদি যি ধৰণে দিয়াৰ নিয়ম আছে সেইটো ঠিক ভাৱে আছে। কেৱল চিমেণ্ট ৰড বাকী যিখিনি থাকে সেইখিনিৰ বাবে নিৰ্মাণ কমিটি গঠন কৰি দিয়া হৈছে। ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ভিতৰত সেই সময়ত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল তেতিয়াৰ পলাসবাৰী সমষ্টিৰ ৰামপুৰ, ছয়ানী বৰদুৱাৰ ব্লকৰ ডি, আৰ, ডি, এ, ৰ টকা গোটেইখিনি আত্মসাৎ কৰা হৈছিল। কোনো ধৰণৰ টকা তেতিয়া চৰকাৰৰ দিনত ৰাইজে পোৱা নাছিল। আনহাতে তাত যিজন আঞ্চলিক পঞ্চায়ত সভাপতি আছিল গোপীনাথ দাস ডাঙৰীয়া, মহেন্দ্ৰ মেধি গাওঁ পঞ্চায়তৰ সভাপতি আৰু উপসভাপতি তৰুণ ঠাকুৰীয়াক চাচপেন' কৰা হৈছে। তেওঁলোকক পুলিচে বিচাৰি ফুৰিছে। বৰ্ত্তমান তেওঁলোক পলাটক অৱস্থাত আছে। তেওঁলোকে গোটেই টকাখিনি আত্মসাৎ কৰি ঘূৰি ফুৰিছে। ডি, আৰ, ডি, ৰ গাইড লাইন ঠিকেই থাকিব। সেই কাৰণে নিৰ্মাণ কমিটি গঠন কৰা হৈছে। টকা যাতে ৰাইজে প্ৰকৃতভাৱে পায় দিবৰ কাৰণে কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা কব বিচাৰিছো যে যোৱাকালি আমাৰ এগৰাকী বিধায়ক গৌতম ৰায় ডাঙৰীয়াই কামৰূপ জিলাৰ ডি, চি,ক টেলিফোন কৰি কৈছিল যে এনেকুৱা কিমান টকা ক'ত ক'ত খৰচ কৰিছে? মাননীয় সদস্যজনক আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো যে পলাসবাৰী সমষ্টিৰ ছয়ানী, বৰদুৱাৰ আৰু ৰামপুৰত যোৱা ৫ বছৰে টকা খৰচ নহল। তেতিয়া তেওঁলোকে ডি, চি,ক টেলিফোন কৰি কৈছিল নে নাই? কিয় টকা টকা খৰচ হোৱা নাই? ১৯৯২ চনত যেতিয়া পঞ্চায়ত আৰু

গ্ৰামোন্নয় বিভাগৰ কৰ্মচাৰী সকলক সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে জৰ্জ ফিল্ডত মাতি আনি কামৰূপ জিলাৰ টকাৰে ১৬ লাখ টকা চাহ ভাত খাই খৰচ কৰিছিল। ( সদনত গণ্ডগোল··· ।)

মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছে দেশখন খালে। অসমৰ মানুহক জনাব বিচাৰিছো যে কলিকতাত আপুনি ডি, আৰ, ডি. এ টকাৰে ফ্লেট কিনিছে। হিতেশ্বৰ শইকীয়াই কংগ্ৰেছ কৰ্মী সকলক মাতি কামৰূপ জিলাৰ ১৬ লাখ টকা চাহ ভাত খাই খৰচ কৰিছিল। (· সদনত গণ্ডগোল··· ।)

মাননীয় অধ্যক্ষ মহোদয়, মোক আৰু ৫ মিনিট সময় কৰলৈ দিয়ক। (···সদনত গণ্ডগোল ।)

**Dr. Ardhendu Kumar Dey** : Hon'ble Speaker Sir, we want your ruling.

Mr. Speaker : It is very unfortunate that the House never expected the unperiamentary words from the Minister. The words be expunged from the proceedings.

Short Natice Questions And Answers

Now, Short Notice Question No.—6

Hon'ble member Shri Sambhusing Mallah.

বিষয় : দরীদ্র লোকের যোজনা।

শ্রীশম্ভুসিং মাল্লাই জিজ্ঞাছা করছেন :

৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেনকি ?

ক) আসামে অনুসূচীত জাতি উপজাতি/পিছপরা চা ও প্রাক্তন চা কর্মী এবং দরীদ্র সীমার নিম্নে বসবাসকারী ব্যক্তিদের কল্যানার্থে সরকার কি কোন যোজনা গ্রহণ করেছেন ?

খ) করিমগঞ্জ জিলার অন্তর্গত বিগত ১৫/১৬ এবং ১৬/১৭ সনে কতজন লোককে কি কি যোজনার আওতায় সুবিধা প্রদান করা হয়েছে ? Beneficiaries দের নাম ও ঠিকনা দেবেন কি ?

গ) রামকৃষ্ণ নগর কৃত্রিম প্রজনন কেন্দ্র গত ১০/১২ বৎসর যাবৎ সরকারী সাহায্য না পাওয়াতে কেন্দ্রটি সম্পূর্ণরূপে বন্ধো, সরকার কি এই আর্থিক বৎসরে ঐ প্রজনন কেন্দ্রকে শক্তিশালী করার জন্য কোন কোন পদক্ষেপ নিয়াছেন কি? বিস্তারিত তথ্য জানাবেন কি?

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধি** (পশুপালন বিভাগের মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়।

১। গৰু ফাৰ্ম ২। গাহৰি ফাৰ্ম ৩। হাঁহ ফাৰ্ম ৪। ছাগলী ফাৰ্ম এই বিলাক আঁচনি ৰূপায়ণৰ ব্যৱস্থা লোৱা হৈছে।

দুগ্ধ উন্নয়ন বিভাগৰ দ্বাৰা অনুসূচীত জাতি আৰু জন-জাতিৰ বাবে "দুগ্ধ গাওঁ" আঁচনি গ্ৰহণ কৰা হৈছে।

খ) ১৯৯৫-৯৬ চনৰ নিৰ্বাচিত Beneficiaries সকলৰ তালিকা লগত গাঁঠি দিয়া হ'ল। ১৯৯৬-৯৭ চনত Plan Cut ও টকাৰ অভাৱৰ কাৰণে এই আচনি কাৰ্য্যকৰী হোৱা নাই। আনহাতেদি ১৯৯৫-৯৬ চনত Beneficiries Listৰ বিপৰীতে ১,৫০,১৫০/– টকা দিয়া হৈছিল যদিও টকাখিনি Revenue Deposit ত জমা ৰখা হৈছে আৰু উক্ত টকাখিনি এতিয়াও মুকলি হোৱা নাই। ১৯৯৫–৯৬ চনত কৰিমগঞ্জ জিলাত দুগ্ধ উন্নয়নৰ কোনো আঁচনি লোৱা হোৱা নাছিল। ১৯৯৬-৯৭ চনত অনুসূচীত জাতিৰ ১৭ টা পৰিয়ালক আৰু জনজাতিৰ বাবে ১৩টা পৰিয়ালক গাখীৰ গাওঁত সামৰি লোৱা হৈছে। সংশ্লিষ্ট আঁচনিত হিতাধিকাৰীৰ বাচনি বোৰ্ডৰ অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

গ) প্ৰয়োজনীয় টকাৰ অভাৱৰ বাবে কেন্দ্ৰটোৰ কাম কাজ ভাল ধৰণেৰে চলা নাই। কিন্তু বিশ্ব বেংকৰ অধীনত শিলচৰত অৱস্থিত শুক্ৰভাণ্ডাৰ চলাবলৈ আঁচনি লোৱা হৈছে। শুক্ৰভাণ্ডাৰটো কাৰ্য্যক্ষম হলে ৰামকৃষ্ণ নগৰৰ আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন কেন্দ্ৰটোৰ কাম কাজৰ অগ্ৰগতি হব।

শ্ৰীশম্ভুসিং মাল্লা ঃ রামকৃষ্ণ নগরের কৃত্রিম প্রজনন কেন্দ্র দীর্ঘদীন যাবৎ বন্দ তাই কোন সময় চালু করা হবে মন্ত্রী মহোদয়ে একটি সময়সূচী নির্দ্দিষ্ট করে জানাবেন কি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ঃ (পঃ পাঃ আৰু পঃ চিঃ মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত অৱস্থিত শুক্ৰভাণ্ডাৰ যেতিয়া ঠিকমতে পৰিচালিত হব তেতিয়া ৰামকৃষ্ণ নগৰৰ আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন কেন্দ্ৰটোৰ কাম-কাজৰ অগ্ৰগতি হব।

শ্ৰীসম্ভুসিং মাল্লা ঃ মাননীয় মন্ত্রী মহোদয় আসামের অনেক যায়গার State Veterinary Hospital ও সাবচেন্টার গুলিতে সরকারের দিক থেকে পর্য্যাপ্ত পরিমাণে ঔষধ, ভেকসিন ইত্যাদি দেওয়া হইতেছেনা যার কারণে অনেক গরু, মাহিষ, ছাগল, হঁাস, মুৰগী ইত্যাদি ঔষধের অভাবে মারা যাইতেছে। আমাদের করিমগঞ্জ জিলায় ঔষধ পর্য্যাপ্ত পরিমাণে না থাকায় অনেক গর, মহিষ মারা গেছে তাই অতিশীঘ্র প্রত্তিটি ভেটেরিনারী ডিসপেনসারী ও সাব সেন্টার গুলিতে ঔষধ ও ভেকসীন পাঠানোর ব্যবস্থা করিবেন কি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ঃ (পঃ পাঃ আৰু পঃ চিঃ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ঔষধ-পাতি ডিচপেনচেৰী চাব চেন্টাৰ বিলাকত ঠিকমতে দিব পৰা নাই সেইটো কথা সঁচা। ফাণ্ড নথকাৰ কাৰণে ঔষধ-পাতি বিলাক ঠিকমতে দিব পৰা নাই। গৰু-ছাগলীৰ বেমাৰ হোৱা বুলি খবৰ পোৱা নাই আৰু তেনেকুৱা অভিযোগো পোৱা নাই। গতিকে এই বিষয়ে মই তদন্ত কৰি চাম আৰু ঔষধ-পাতি বিলাক ডিচপেনচেৰী আৰু চাবচেন্টাৰ বিলাকত যাতে দিয়া হয় তাৰ ব্যৱস্থা ল'ম।

**Shri Sukhendu Shekhar Dutta :** Hon'ble Speaker Sir, the Hon'le Minister has mentioned about certain welfare measures in the District of Karimaganj but it is found that even the Welfare Officers of the Tea Gardens are not looking into the welfare of the people

in tea garden areas and they are being deprived of the Governmental measures which have been adopted. The Minister has also stated that these are actually are in a very bad shape. So, may I request for a thorough enquiry into the matter so that the downt-rodden people get some real benefit.

**Shri Surendra Nath Medhi** (Minister) : Hon'ble Speaker Sir, this is a fact that most of the dispensaries and sub-centres are in a delapidated condition and not properly looked after. Medicines are not adequately being sent to these dispensaries and sub-centres for the last five years. These are not properly mainta-ined. We have taken all necessary steps so that reg-ular supply of medicines can be given to the dis-pensaries and sub-centres. The number of beneficiaries also may be more than what has been stated in the list annexed here to.

Mr. Speaker : : Now, Short notice Question No. 7 Hon'ble Member Shri Padma Hazrika.

বিষয় : **Cool Park** আঁচনি।

শ্ৰীপদ্ম হাজৰীকাই সুধিছে :

৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তেজপুৰ চহৰত ক'ল পাৰ্ক ( Cool Park ) নামৰ আঁচনিখন কেতিয়া হাতত লোৱা হৈছিল আৰু কেতিয়া আঁচনি সম্পূৰ্ণ কৰা হ'ল জনাবনে ?

খ) উক্ত আঁচনি নির্মান কৰোঁতে চৰকাৰী সাহার্য্য/অনুদান লোৱা হৈছিলনে? যদি হৈছিল কোন কোন বিভাগৰ পৰা লোৱা হৈছিল? (মঞ্জুৰীৰ পৰিমান সহ) অনুগ্ৰহ কৰি জনাবনে? লগতে কোন কোন চৰকাৰী বিভাগৰ পৰা সামগ্ৰী ধাৰ কৰি অনা হৈছিল পৰিমান সহ জনাবনে?

গ) উক্ত আঁচনি ৰূপায়ণৰ বাবে চৰকাৰী সাহার্য্যৰ উপৰিও বেচৰকাৰী ব্যক্তি/সংগঠনৰ পৰা পোৱা সাহার্য্যৰ পৰিমাণ কিমান?

ঘ) উক্ত আঁচনিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ কোন কোন ৰাজাৰ পৰা ক্ৰয় কৰা হৈছিল আৰু অসমৰ বাহিৰৰ ঠিকাদাৰৰ আৰু যোগানকাৰী সকলৰ নাম অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী,যে উত্তৰ দিছে:

ক) উক্ত আঁচনিখন ইং ১৯৯৫ চনৰ নবেম্বৰ মাহত লোৱা হয় আৰু ইং ১৯৯৬ চনৰ ১৫ ডিচেম্বৰত ৰাইজৰ কাৰণে মুকলি কৰি দিয়া হয় যদিও ১৯৯৬-৯৭ চনৰ সংসদত স্থানীয় অঞ্চল উন্নয়ণৰ পুঁজিৰ অধীনত জল ক্ৰীড়া আৰু চুইমিং পুলৰ শেষ পৰ্য্যায়ৰ কিছুকাম বাণিজ্য গৃহৰ শেষ পৰ্য্যায়ৰ কাম চলি আছে।

খ) হয়। নিম্নোক্ত ধৰণে চৰকাৰী পুঁজি আবন্টন লোৱা হৈছিল।

| | পুঁজিৰ নাম | বছৰ | পুঁজিৰ পৰিমাণ |
|---|---|---|---|
| ১। | আচুতীয়া পুঁজি | ১৯৯০-৯১ | ২·৮৭ লাখ |
| ২। | ,, | ১৯৯১-৯২ | ০·৪২২৬০ লাখ |
| ৩। | ,, | ১৯৯৩-৯৪ | ৩·২৬ ,, |
| ৪। | ,, | ১৯৯৪-৯৫ | ৫·০০ ,, |
| ৫। | ,, | ১৯৯৫-৯৬ | ২·০০ ,, |
| ৬। | সংসদৰ স্থানীয় অঞ্চল উন্নয়ণৰ আচনি | ১৯৯৫-৯৬ | ৫·০০ ,, |
| ৭। | ,, | ১৯৯৬-৯৭ | ১০·০০ ,, |
| ৮। | যুগত গ্ৰামোন্নয়ণ আচনি অন্তঃ গাঠনিৰ অধীনত বাণিজ্য গৃহ | ১৯৯৫-৯৬ | ৩·৩৫ ,, |

নিম্নোক্ত বিভাগ সমূহৰ জৰিয়তে বিভাগীয় দৰত সামগ্ৰী ক্ৰয় কৰা হৈছিল।

১। গ্ৰামোন্নয়ন অভিকৰণ (ক) চিমেণ্ট—২০০০ বেগ = ৩,৯২,৬৫০·০০ টকা
(খ) ৰড— ৪৭ কুইণ্টল = ৮০,৯৬১·০০ টকা
(গ) টিনপাত—৫৬ খন = ৯৬,৩৮৮·০০ ,,

২। জনস্বাস্থ্য কাৰিকৰী
(ক) চিমেণ্ট—৪০০ বেগ = ৬১,১৮৪·০০ ,,
(খ) পাইপ— ৪৯ ডাল = ৪০,১৭৭·০০ ,,
(গ) (বিভিন্ন জোখৰ)

৩। গড়কাপ্তানী (গৃহ)
বিভাগ : (ক) পাইপ—২০৩ ডাল = ৫৮,৬৯০·০০ ,,
(বিভিন্ন জোখৰ)

(গ) বেচৰকাৰী ব্যক্তি/সংগঠনৰ পৰা মুঠ সাহায্যৰ পৰিমাণ—
২০,৮৫,৪৫০·০০ টকা।

(ঘ) উক্ত আঁচনিৰ বাবে প্ৰয়োজনীয় কিছু সামগ্ৰী নিম্নোক্ত ৰাজ্য সমূহৰ পৰা সংগ্ৰহ কৰা হৈছিল। আচনি ৰূপায়ণৰ বাবে অসমৰ বাহিৰৰ কোনো ঠিকাদাৰ নিয়োগ কৰা হোৱা নাছিল। বিভিন্ন প্ৰদেশৰ যোগানকাৰীৰ নাম তলত দিয়া ধৰণৰ :

| বস্তুৰ নাম | যোগানকাৰীৰ নাম | ৰাজ্যৰ নাম |
|---|---|---|
| ১। প্লে-প্লেন | কে ডি কনচেণ্টচ মেচাৰ্চ টেংক, হায়দৰাবাদ—৫০০০২৮ (এ,পি) | অন্ধ্ৰ প্ৰদেশ |
| ২। পেডেলবাব, নাঙৈ ইত্যাদি— | কলিকতা স্পৰ্টচ বোট্চ্ ৩১ অক্তানগঞ্জ ৰোড, কিডিৰপুৰ, কলিকতা--৭০০০২ | পশ্চিম বঙ্গ |
| ৩। ফোৱাৰাব সামগ্ৰী | প্ৰিমিয়াৰ ইৰিগেচন ইকুইপমেণ্টচ লিমিটেড, ১৭/১ ডিং আলিনপুৰ ৰোড, কলিকতা--৭০০০২৭ | ,, |

| | | |
|---|---|---|
| ৪। | গাৰ্ডেনৰেঞ্চ | পাইন এণ্টাৰপ্ৰাইজেছ,<br>২১ নিৰ্মল চন্দ্ৰ ষ্ট্ৰীট,<br>কলিকতা—৭০০০১২ |
| ৫। | ইজেকটো মটৰ আৰু পাম্প | ইলেট্ৰিকেল এণ্ড মেকানিকেল ইঞ্জিনিয়াৰচ কৰ্পৰেচন,<br>৩১ যতুনাথ দে ৰোড, পূৰ্বৰ ১৭,<br>দাস লেন, কলিকতা--৭০০০১২ |

* শ্ৰীপদ্ম হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, তেজপুৰ চহৰৰ 'ক'ল-পাৰ্ক নামৰ আঁচনিখন লৈ ৰাইজৰ মাজত বহু ধৰণৰ কথা উঠিছে যে এই পাৰ্কখনৰ কাৰণে বহু লাখ টকা সংগ্ৰহ কৰা হৈছে, গ্ৰামোন্নয়ণ বিভাগৰ পৰা প্ৰায় ৬ লাখ টকা, তাৰোপৰি উক্ত আঁচনি ৰূপায়ণ কৰাৰ কাৰণে চৰকাৰী সাহাৰ্য্যৰ উপৰিও বেচৰকাৰী ব্যক্তি সংগঠনৰ পৰা আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ পৰা বহু টকা সংগ্ৰহ কৰা হৈছে, কিন্তু এই টকাটো খৰচ কৰাৰ ক্ষেত্ৰত বহু খেলিমেলি হৈছে বুলি ৰাইজৰ সন্দেহ হৈ আছে। জানিব পৰা মতে কোনো নিয়ম-নীতি নোহোৱাকৈ উপায়ুক্তই হেনো এই টকা-পইচা বিলাকি খৰচ কৰিছে আৰু যথেষ্ট পৰিমাণৰ টকা-পইচা খৰচ কৰি বিভিন্ন ধৰণৰ ডুৰ্নীতিত লিপ্ত হৈছে। গতিকে ৰাজহুৱা 'স্বাৰ্থ-জৰিত এই আঁচনি বিলাকত ডুৰ্নীতি দূৰ কৰিবৰ কাৰণে এই তেজপুৰ চহৰত ক'ল পাৰ্কৰ সম্পৰ্কত কিমান টকা বিভিন্ন চৰকাৰী-বেচৰকাৰী বা ব্যক্তিগত খণ্ডৰ পৰা সংগ্ৰহ কৰা হৈছিল আৰু কিমান টকা খৰচ কৰা হৈছিল, এই গোটেই বিষয়-টোৰ সম্পূৰ্ণ তথ্য উলিয়াবৰ কাৰণে তদন্তৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা ( পৌৰ-প্ৰশাসন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বিভাগৰ ফালৰ পৰা কিমান টকা খৰচ হ'ল আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা কিমান টকা সংগ্ৰহ কৰা হৈছিল সেই হিচাবটো দিয়া হৈছে। বেচৰকাৰী খণ্ডৰ কিমান টকা সংগ্ৰহ হ'ল গোটেই হিচাবটো ইয়াত নাই। উক্ত আঁচনিৰ বাবে প্ৰয়োজনীয় কিছু সামগ্ৰী অন্যান্য ৰাজ্যৰ

---

* Speech not corrected

পৰা সংগ্ৰহ কৰা হৈছিল আৰু আঁচনি ৰূপায়ণৰ বাবে বাহিৰৰ কোনো ঠিকাদাৰ নিয়োগ কৰা হোৱা নাছিল। তাৰোপৰি তেজপুৰ চহৰৰ এই ক'ল—পাৰ্ক নামৰ আঁচনি ৰূপায়ণৰ সম্পূৰ্ণ কাম শোনিতপুৰ জিলাৰ উপায়ুক্তই সম্পন্ন কৰিছে। অসম চৰকাৰৰ পৌৰ প্ৰশাসন বিভাগ এই আচনিৰ লগত জৰিত নহয় আৰু এই বিষয়ে পৌৰ প্ৰশাসন বিভাগক আগতে এই বিষয়ে জনোৱা নাই। কেৱল তেজপুৰ পৌৰসভাৰ এলেকাৰ অন্তৰ্গত এই পাৰ্কখন অৱস্থিত। মাননীয় সদস্য শ্ৰীহাজৰীকা ডাঙৰীয়াই যিহেতু তদন্ত কৰাটো বিচাৰিছে এই বিষয়ে তদন্ত হব লাগে। এই বিষয়ে আমি চাম।

* **শ্ৰীগিৰীণ বৰুৱা :** মাননীয় সদস্য শ্ৰীহাজৰীকা ডাঙৰীয়াই যিটো বিষয়ে উথাপন কৰি তদন্ত কৰাতো বিচাৰিছে এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয় আৰু মন্ত্ৰী ডাঙৰীয়াই উত্তৰত জনাইছে যে নিশ্চয় চাম। কথাটো হৈছে যিহেতু গ্ৰামোন্নয়ন বিভাগৰ পৰা পৌৰ-প্ৰশাসন এলেকাত অৱস্থিত আঁচনিত টকা খৰচ কৰিব নোৱাৰে, আমাৰ নগাৱঁতো এনে ধৰণৰ পাৰ্কৰ কাৰণে পৌৰ-প্ৰশাসন এলেকাত গ্ৰামোন্নয়ন বিভাগে টকা খৰচ কৰিব নোৱাৰে বুলি জনাইছে। তেনেস্থলত তেজপুৰৰ ক্ষেত্ৰত গ্ৰামোন্নয়ন বিভাগে কেনেকৈ খৰচ কৰিলে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাম বুলি কৈছে আৰু এই বিষটো চাম বুলি জনাইছে। কিন্তু আমি বিচাৰো মন্ত্ৰী মহোদয়ে তদন্ত কৰিম বুলি কব লাগে আৰু আজি ২ এপ্ৰিল, গতিকে অহা ৮ এপ্ৰিল তাৰিখে তদন্ত কৰি গোটেই বিষয়টো সদনত জনাবনে ?

* **শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা ( পৌৰ-প্ৰশাসন মন্ত্ৰী ) :** মই ইতিমধ্যেই কৈছো তদন্তৰ বিষয়টো চাম কিন্তু এই বিষয়টো পৌৰ-প্ৰশাসন বিভাগে কৰা নাই গতিকে গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি বিষয়টো আমি তদন্ত কৰিম।

* **শ্ৰীভীমানন্দ তাঁতী :** অধ্যক্ষ মহোদয়, চিল্ড্ৰেন পাৰ্কৰ কাৰণে ডেভেলপমেণ্ট ফাণ্ডৰ পৰা কিমান টকা পাইছে এই বিষয়ে জনাবনে ?

---

* Speech not corrected

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা ( পৌৰ-প্ৰশাসন মন্ত্ৰী ) : কোন কোন বিভাগৰ পৰা টকা পোৱা হৈছে সেই বিষয়ে জনোৱা হৈছে। আচুতীয়া পুঁজিৰ পৰা ১৯৯০-৯১ পৰা ১৯৯৫-৯৬ চনলৈ কিমান টকা দিয়া হৈছে সেই বিষয়ে মই আগতেই জনাইছো।

* শ্ৰীপদ্ম হাজৰীকা . মাননীয় সদস্য বৰুৱাদেৱে কোৱাৰ দৰে এই গোটেই বিষয়টো তদন্ত কৰি অতি সোনকালে জনাব লাগে কিন্তু ৰাজহুৱা স্বাৰ্থৰ এই বৃহৎ খেলিমেলি আৰু দুৰ্নীতিৰ বিষয়টোৰ ওপৰত যিমান গুৰুত্ব দিব লাগিছিল সিমান দিয়া হোৱা নাই আৰু মন্ত্ৰী ডাঙৰীয়াই গ্ৰামোন্নয়ন বিভাগৰ লগত যোগাযোগ কৰিম বুলি কৈছে। গতিকে এই বিষয়টোৰ ওপৰত অতি সোনকালে তদন্ত কৰাৰ ব্যৱস্থা লব নে ?

## Unstarred Questions & Answers

বিষয় : পৰ্যটনকাৰী ক্ষেত্ৰ উন্নয়ন।

শ্ৰীজ্যোতিষ দাসে সুধিছে :

৬৩০। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত শ্ৰীসুৰ্য্যপাহাৰ মহাপীঠস্থান টুক্ৰেশ্বৰী দেৱালয়, পাগলাৰটেক আদিত পৰ্যটন বিভাগে ইতিমধ্যে পৰ্যটনকাৰী ক্ষেত্ৰ হিচাপে চিহ্নিত কৰিছে নেকি ?

খ) এই ক্ষেত্ৰবোৰৰ উন্নয়নৰ কাৰণে চৰকাৰে কিবা আঁচনি লৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) এতিয়ালৈকে গোৱালপাৰা জিলাৰ অন্তৰ্গত কেৱল শ্ৰীসুৰ্য্য পাহাৰ মহাপীঠস্থানকহে পৰ্যটনকাৰী ক্ষেত্ৰ হিচাপে চিহ্নিত কৰা হৈছে। বাকীবোৰ স্থানক এতিয়াও চিহ্নিত কৰা হোৱা নাই।

খ) এই ক্ষেত্ৰবোৰৰ ভিতৰত কেৱল শ্ৰীসুৰ্য্য পাহাৰৰ আঁচনি লোৱা হৈছে।

* Speech not corrected

বিষয় ঃ মথাউৰি নিৰ্ম্মাণ আৰু সম্পূৰ্ণ ।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

৬৩১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) তেজপুৰ মহকুমাৰ ডিপোটাৰ পৰা শিঙৰীলৈকে প্ৰস্তাৱিত ব্ৰহ্মপুত্ৰ নৈৰ মথউৰি নিৰ্মাণৰ আঁচনিখনৰ কাৰ্য্যকৰী ৰূপটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

খ) এই আঁচনিৰ বাবে ধাৰ্য্য কৰা মুঠ ব্যয়ৰ পৰিমাণ কিমান আৰু সমুদায় ধন কেন্দ্ৰৰ পৰা পোৱা হৈছেনে ?

গ) এই মথাউৰিৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ কৰি কেতিয়াৰ ভিতৰত শেষ কৰাৰ কথা বিবেচনা কৰা হৈছে ?

শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ডিপোটাৰ পৰা শিঙৰীলৈকে ব্ৰহ্মপুত্ৰ নৈৰ মঠাউৰী নিৰ্মাণৰ বাবে কোনো প্ৰস্তাৱ সদ্যহতে চৰকাৰৰ হাতত নাই, অৱশ্যে ডিপোটাৰৰ পৰা গাভৰুলৈকে এটা পশ্চাৎ বান্ধ নিৰ্মাণৰ প্ৰস্তাৱ বিভাগৰ হাতত আছে।

খ) এই আঁচনিৰ প্ৰাক্‌কলন মূল্য ২·৯২ কোটি টকা এতিয়ালৈকে সমুদায় ধন কেন্দ্ৰৰ পৰা পোৱা নাই ।

গ) কিছুমান কাৰিকৰী অসুবিধাৰ হেতু এই বছৰত নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা নাই যদিও এই বিত্তীয় বছৰত আৰম্ভ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে ।

বিষয় ঃ গৃহহীন লোকৰ সংখ্যা

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ

৬৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিয়নী বিধান সভা সমষ্টিৰ মুঠ কিমান লোক গৃহহীন হৈছে ? ( বানপানী আৰু গৰা খহনীয়াত )

খ) গৃহহীন লোকক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) মৰিয়নী বিধান সভা সমষ্টিত উপায়ুক্তৰ প্ৰতিবেদন মতে যোৰা বানপানী আৰু গৰাখহনীয়াত কোনো লোক গৃহহীন হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

বিষয় ঃ বনাঞ্চল সম্পৰ্কত।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৬৩৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত কিমানখন সংৰক্ষিত বনাঞ্চল আছে ? এই বনাঞ্চল সমূহত কি কি মূল্যবান গছ আছে? এই গছ-গছনি সমূহ সংৰক্ষণৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি ? (জিলা ভিত্তিত বনাঞ্চলৰ তালিকা সদনৰ মেজত দাখিল কৰিব) বনাঞ্চল সমূহত থকা গছ-গছনি সমূহৰ বৰ্তমানৰ বজাৰৰ মূল্য কিমান ?

খ) বৰ্তমান চৰকাৰে কেৱল মাত্ৰ সংৰক্ষিত বনাঞ্চল নামাকৰণেৰে নিৰ্বাচন কৰি ৰখা এলেকাবোৰত নতুনকৈ গছ ৰোপণ কৰাৰ কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ? একোখন বনাঞ্চলত কিমান টকা মূল্যৰ মূল্যবান গছ ৰোপণ কৰিব পাৰি জনাবনে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত ৩৫৭ খন সংৰক্ষিত বনাঞ্চল আছে। এই সংৰক্ষিত বনাঞ্চল সমূহত শাল, চেগুন, বনচোম, গমাৰী, তিতাচপা, কৰৈ, নাহৰ, চাম, হলং আদি বহুতো মূল্যবান গছ আছে।

গছ-গছনি সমূহ সংৰক্ষণৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনি আছে। জিলাভিত্তিত বনাঞ্চলৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰা হ'ল।

(See the Annexure—III)

বনাঞ্চল সমূহত থকা গছ-গছনি সমূহৰ বৰ্তমানৰ বজাৰৰ মূল্য নিৰূপণ কৰা হোৱা নাই।

খ) হয়।

বনাঞ্চলৰ মাটি কালি অনুযায়ী বন পৰিকল্পনাৰে বনাঞ্চল সমূহত গছ ৰোপণ কৰা হয়।

বিষয় : গাওঁ পঞ্চায়ত কাৰ্য্যালয় নিৰ্মাণ।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

৬৩৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী জিলাৰ মুঠ কিমানটা গাওঁ পঞ্চায়ত কাৰ্য্যালয় নিৰ্মাণৰ বাবে ভূমি উপদেষ্টা সমিতিয়ে আৱণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল? ( মাটিৰ পৰিমাণৰ সৈতে মহকুমা পৰ্য্যায়ত পঞ্চায়ত সমূহৰ নাম উল্লেকিয়াব।

খ) উক্ত আৱণ্টনৰ সিদ্ধান্ত মৰ্মে কিমানটা পঞ্চায়তক মাটি চমজাই দিয়া হৈছে?

গ) বাকী পঞ্চায়ত সমূহৰ মাটি কিমান দিনত চমজাই দিয়া হব?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে সুধিছে :

ক) ধুবুৰী জিলাৰ মুঠ ১৯ খন গাওঁ পঞ্চায়তক মাটি আৱণ্টন দিয়াৰ সিদ্ধান্ত ভূমি উপদেষ্টা সমিটিয়ে গ্ৰহণ কৰিছিল। ( আৱণ্টিত মাটিৰ পৰিমাণ আৰু পঞ্চায়তসমূহৰ নামৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল ) ( See the Annexure—IV )

খ) ১৯ খন গাওঁ পঞ্চায়তক মাটি চমজাই দিয়া হৈছে।

গ) প্ৰশ্ন নুঠে।

বিষয় :— সমবায় সমিতিৰ কাৰ্য্যালয় ভাৰাঘৰত।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে :

৬৩৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ভাৰাঘৰত চলি থকা গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ ঘৰ নিৰ্মাণৰ বাবে চলিত অৰ্থ বছৰত ( ১৯৯৬-৯৭ ) কিমান টকা ধাৰ্য্য কৰা হৈছে? উক্ত মঞ্জুৰীৰ টকা ইতিমধ্যে মোকলাই দিয়া হৈছেনে? যদি হৈছে কোন জিলাৰ বাবে ( জিলাভিত্তিত ) কিমান টকা মঞ্জুৰী দিছে বা মোকলাই দিয়া হৈছে? ( জিলা ভিত্তিত মঞ্জুৰীৰ বিৱৰণ তালিকা যদি থাকে সদনৰ মেজত দাখিল কৰিব )।

খ) ধুবুৰী জিলাৰ কিমান সংখ্যক গাওঁ পঞ্চায়ত সমবায় সমিতিৰ স্থায়ী ঘৰ নির্মাণৰ প্রস্তাৱ কার্যকৰী নোহোৱা অৱস্থাত চৰকাৰৰ হাতত পৰি আছে। (সমিতি সমূহৰ তালিকা সদনৰ মেজত দাখিল কৰিব।)

গ) উক্ত প্রস্তাৱবোৰৰ ভিত্তিত চলিত অর্থ বছৰত সমিতি সমূহৰ স্থায়ীঘৰ নির্মাণৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে কেতিয়া কৰিব?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯৬–৯৭ চনত গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ ঘৰ নির্মাণৰ বাবে চলিত বিত্তীয় বছৰত কোনো পুঁজি মঞ্জুৰী দিয়া হোৱা নাই।

খ) বৰ্ত্তমানলৈকে ধুবুৰী জিলাৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ স্থায়ী ঘৰ নির্মাণৰ কোনো প্রস্তাৱ চৰকাৰৰ হাতত পৰি থকা নাই।

গ) প্ৰশ্ন নুঠে।

**Re : Bank of the River Kushiara.**

**Shri Sirajul Haque Choudhury** asked :

636. Will the Minister of Revenue be pleased to state :

What steps Government has taken to acquire land along the bank of the river Kushiara in Karimganj town for construction of Border Road to facilitate patrolling by B. S. F. to prevant smuggling and infiltration ?

**Dr. Zoii Nath Sarmah** (Minister) replied :

The Revenue Department has not taken any steps for acquisition of land for the purpose due to non-receipt of such proposal from B.S. F. or any other authority.

বিষয় : গৰাখহনীয়া ৰোধ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

৬৩৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নগাওঁ জিলাত কপিলী নদীয়ে কোন কোন ঠাইত গৰাখহনীয়াই ভাবুকীৰ সৃষ্টি কৰিছে জনাবনে ?

খ) গৰাখহনীয়া ৰোধৰ চৰকাৰৰ দৃষ্টি ভঙ্গী জনাবনে ?

শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) কপিলী নদীৰ গড়াখহনীয়াই ভাবুকিৰ সৃষ্টি কৰা ঠাইকেইখন হ'ল— ১) কাৱৈমাৰী ২) বৰচোং ৩) দক্ষিণ চাংচকি ৪) কপিলী কান-আটগাওঁ ৫) আমতলা ৬) জৰাবাৰী আৰু ৭) পূব কামপুৰ গাওঁ (আটাই কেইখন কপিলী নদীৰ বাওঁপাৰে অৱস্থিত আৰু কামপুৰ ৰাজহ চক্ৰৰ অধীনত) আৰু কপিলী নদীৰ সোঁপাৰে অৱস্থিত লংকা ৰাজহ চক্ৰৰ ৮) ফৰমা গাওঁ।

খ) কোনো এক অঞ্চলত গড়াখহনীয়াৰ দ্বাৰা হব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণৰ গুৰুত্বৰ ওপৰত খহনীয়া প্ৰতিৰোধ আঁচনিৰ কাৰ্য্যকাৰীতা নিৰ্ভৰশীল।

বিষয় : চৰকাৰী ও চিলিং উদ্বৃত্ত মাটিত ক্ষুদ্ৰ চাহ বাগিছা স্থাপন।

শ্ৰীদিলেশ্বৰ তাতীয়ে সুধিছে :

৬৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিনিচুকীয়া জিলাত কিমানখন ক্ষুদ্ৰ চাহ বাগিছা স্থাপন হৈছে আৰু ইয়াৰে কিছুমান চৰকাৰী আৰু চিলিং উদ্বৃত্ত মাটিত স্থাপন হৈছে নেকি ?

খ) উক্ত চাহ বাগিছা সমূহৰ মাটিৰ পৰিমাণ কিমান আৰু উক্ত বাগিছা সমূহৰ মালিকসকল কোন কোন ?

গ) চৰকাৰৰ নিয়ম অনুযায়ী এই সকলো বাগিছাই মাটিৰ আৱন্টন পোৱাৰ যোগ্যনে ?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ২২২ খন ক্ষুদ্ৰ চাহ বাগিছা আছে। ইয়াৰে কিছুমান চৰকাৰী মাটিত, কিছুমান চিলিং উদ্ধৃত মাটিত আৰু কিছুমান পট্টা মাটিত স্থাপন হৈছে।

খ) মাটিৰ পৰিমাণ ৪৪৯৭ বিঘা ৩ কঠা ৪ লেচা। মালিক সকলৰ নাম নাম গাঠি দিয়া হ'ল। ( See the Annexure V )

গ) যোগ্য ; টিৰাপ জনজাতীয় বেষ্টনীত ক্ষুদ্ৰ চাহ বাগিছাৰ মাটিৰ পট্টন পোৱা অযোগ্য ব্যক্তিৰ ব্যতিৰেকে।

বিষয় : বন্যা নিয়ন্তের জন্য তৈরী বাঁধ মেরামতি।

শ্ৰীআনোৱাৰ হুচেইন লস্কর জিজ্ঞাসা করছেন :

৬৩৯। মাননীয় বন্যা নিয়ন্ত্রণের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) আসামে বন্যা নিয়ন্ত্রের জন্য তৈরী বাঁধ গুলো দির্ঘ দিন ধরে মেরামতি না হওয়ার ফলে বন্যা নিয়ন্ত্রের অনুপযোগী হয়ে পড়েছে সরকার অবগত আছেন কি ? যদি হ্যা, তবে কি ব্যবস্থা গ্রহণ করা হয়েছে জানাবেন কি ? যদি অবগত নয়, তবে কারণ কি ?

খ) সরকার নির্মিত বন্যা নিয়ন্ত্রণ বাঁধ এর বাঁধের পাশের জমি দিনের পর দিন অনাধিকৃত ভাবে দখল হচ্ছে সরকার অবগত আছেন কি ? বন্য নিয়ন্ত্রের জন্য তৈরী বাঁধ এর উপর ( পাশে ) পাকা 'ঘরবারী তৈরী হচ্ছে'— এ খবর সরকার জানেন কি ?

গ) সরকার বন্যা নিয়ন্ত্রণ বিভাগের বন্দোবস্থ দিয়েছেন কি ? যদি হ্যা, তবে বন্দোবস্থী ব্যক্তিদের নাম ঠিকনা সদনে দাখিল করিবেন কি ? যদি না, তবে অবৈধ ভাবে তৈরী পাকা ও কাচা ঘর বাড়ী কি ভাবে তৈরী হলো ? বন্যা নিয়ন্ত্রণ বিভাগের কর্মচারীবৃন্দ এ সব অবৈধ জবর দখলর বিরুদ্ধে কোন ব্যবস্থা গ্রহণ না করার কারণ কি ?

শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সরকার অবগত আছেন। বর্তমানে সীমিত বিত্তীয় পরিস্থিতির জন্য আবশ্যকতা অনুযায়ী আশানুরূপ মেরামতির ব্যবস্থা করা সম্ভব হয়ে উঠেনি।

তবে সীমিত পুঁজির মধ্যে সম্ভবপর সর্ব প্রকার ব্যবস্থা গ্রহণ করা হচ্ছে।

খ হ্যা, অবগত আছেন। কোনো কোনো অঞ্চলে স্থায়ী ধরণের নির্মানের কথা একেবারে অস্বীকার করা যায়না।

গ) বিভাগের দ্বারা অধিগৃহীত সরকারী জমি বন্দবস্তি দেওয়ার কোনো প্রশ্ন উঠেনা।

বিভাগের জমির উপর অবৈধ দখল ও ঘরবাড়ি নির্মাণ স্থানে স্থানে বিভাগের জন্য এক জ্বলন্ত সমস্যা হয়ে দাড়িয়েছে। উক্ত জমি দখল মুক্ত করার জন্য বিভাগের দ্বারা করণীয় প্রয়োজনীয় ব্যবস্থা নেওয়া হয়ে থাকে।

**Re : Movements of Bolder, Gravels.**

**Shri Abu Saleh Najmuddin** asked :

640. Will the Minister of Forest etc. be pleased to state:

a) Whether the Government is aware that the movement of Bolder, Gravels etc. are stopped ?

b) Why the movement of above mentioned at (a) Forest materials are stopped ?

**Shri Nagen Sarma** (Minister) replied :

a) No

b) Does not arise.

(Unstarred Question No. 641 was deferred )

**বিষয় ঃ অবৈধভাৱে বৈদ্যুতিক খুটা বিক্ৰী।**

**শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ**

৬৪১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৭২ নং বৰছলা বিধান সভা সমষ্টিৰ অন্তৰ্গত কেতবোৰ এলেকাৰ লগতে চুবুৰীয়া অন্যান্য গ্ৰামাঞ্চলত ব্যৱহাৰৰ বাবে গ্ৰাম্য বৈদ্যুতিকৰণ

বিভাগৰ তত্বাৱধানত ৰখা প্ৰায় এক হাজাৰ বিদ্যুৎ পৰিবহনৰ বাবে ব্যৱহৃত খুটা, সংশ্লিষ্ট গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডলটো প্ৰায় ২ বছৰ পূৰ্বে তেজপুৰ বিদ্যুৎ সংমণ্ডলৰ লগত চামিল কৰাৰ পিছত বিদ্যুৎ বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ সম্মিলন চক্ৰই কৰবাত বিক্ৰী কৰি দিয়া বুলি বাতৰি কাকতত প্ৰকাশ পোৱা খবৰটো সঁচানে ?

খ) যদি সঁচা হয়, তেন্তে এই সন্দৰ্ভত চৰকাৰে তদন্তৰ ব্যৱস্থা লৈছিল নেকি ? যদি লৈছিল তাৰ ফলাফল কি ? যদি লোৱা নাই, তেন্তে এতিয়া বিশেষ তদন্তৰ ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) তেজপুৰ আৰু তাৰ ওচৰ চুবুৰীয়া এলেকাত থকা প্ৰায় এক হাজাৰ বিদ্যুৎ পৰিবহনৰ বাবে ব্যৱহৃত খুটা বিদ্যুৎ বিভাগৰ একাংশ বিষয়া কৰ্মচাৰী আৰু ঠিকাদাৰ সম্মিলিত চক্ৰই ক'ৰবাত বিক্ৰী কৰি দিয়া বুলি, বাতৰি কাকতত প্ৰকাশ পোৱা খবৰটো মুঠেই সঁচা নহয় ।

খ) যদিও বাতৰিটো সঁচা নহয়, তথাপি অসম ৰাজিক বিদ্যুৎ পৰিষদে সত্য নিৰূপণ কৰাৰ বাবে এজন জ্যেষ্ঠ অনুসন্ধানকাৰী বিষয়াক নিয়োগ কৰা হৈছিল । উক্ত বিষয়াজনে নিজে গৈ তেজপুৰ বিদ্যুৎ সংমণ্ডল আৰু উপসংমণ্ডলৰ অধীনত থকা সকলোবোৰ এলেকা পৰিদৰ্শন কৰি চালি জাৰি চাই দেখে যে মাত্ৰ ৪১৫ টা পৰিবহনৰ বাবে ব্যৱহৃত খুটা ঠায়ে ঠায়ে পৰি আছে আৰু এইবোৰ তেজপুৰ সংমণ্ডল আৰু উপসংমণ্ডলৰ সম্পত্তিৰ বহীত ভৰোৱা হৈছিল আৰু কামৰ বাবে ৰাখি থোৱা হৈছিল । এক হাজাৰ খুটা এনেয়ে পৰি থকা বুলি ওলোৱা বাতৰিটো সম্পূৰ্ণ মিছা বুলি প্ৰমাণিত হয় ।

বিষয় ঃ নিয়মবহিৰ্ভূত ধন খৰচ ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৬৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ পৰা ১৯৯৬ মে' মাহলৈকে পৰিকল্পনা ( Planning ) বিভিন্ন শিতানৰ অ-পৰিকল্পনা (Non Planning) শিতানত নিয়ম বহিভূৰ্ত ভাৱে কোন কোন শিতানত কিমান টকা খৰছ কৰা হ'ল জনাবনে ?

খ) এই ধন কোন কোন বিভাগৰ পৰা কৰ্তন কৰা হৈছিল বিভাগ অনুসৰি তালিকা দাখিল কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) উক্ত সময়চোৱাত পৰিকল্পনাৰ বিভিন্ন শিতানৰ আবণ্টিত ধন নিয়ম-বহিৰ্ভূত ভাৱে খৰছ কৰা নাই।

খ) প্ৰশ্ন নুঠে।

বিষয়ঃ বুঢ়ীদিহীং নদীৰ গৰাখহনীয়া।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছেঃ

৬৪৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বুঢ়ীদিহীং নদীয়ে ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ ডিগবৈমুখ বামুন-বাৰী অঞ্চলত কৰা ব্যাপক গৰাখহনীয়াই অঞ্চলটোৰ বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে তৈল নগৰী দুলীয়াজানৰ কাৰণে ভাবুকীৰ সন্মুখীন হব লগা হৈছে নেকি ?

খ) যদি হৈছে, তেন্তে এই গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে ?

শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

ক) বুঢ়ীদিহীং নদীৰ গৰাখহনীয়াই ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ ডিগবৈ মুখ, বামুনবাৰী অঞ্চলত ক্ষতিসাধন কৰিলেও তৈলনগৰী দুলীয়াজানৰ কাৰণে বৰ্ত্তমানলৈকে তেনে ভাবুকিৰ সৃষ্টি কৰা নাই।

খ) গৰাখহনীয়া ৰোধ কৰিবলৈ পশ্চাৎ বান্ধৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে, যিখনৰ ৰূপায়ণ বিত্তীয় অনুদানৰ ওপৰত নিৰ্ভৰশীল।

বিষয়ঃ চৰকাৰী উকীল।

শ্ৰীনিজামুদ্দিন খানে সুধিছেঃ

৬৪৫। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ১৯৯৬-৯৭ চনত কিমানজন চৰকাৰী উকীল নিযুক্তি দিয়া হৈছে ?

খ) চৰকাৰী উকীল নিযুক্তিৰ ভিত্তি কি ?

গ) ১৯৯৫-৯৬ চনত থকা আৰু ১৯৯৬-৯৭ চনত নিযুক্তি পোৱা চৰকাৰী উকীলৰ (বৰপেটা জিলাৰ) তালিকা অৰ্হতা/অভিজ্ঞতাসহ জনাব নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) মুঠ ৮১ জন।

খ) অসম আইন বিভাগৰ নিয়মাৱলী আৰু ফৌজদাৰী কাৰ্য্যবিধি আইন অনুসাৰে উপায়ুক্ত/মহকুমাধিপতিয়ে জিলা ন্যায়াধীশ/মুখ্য ন্যায়িক দণ্ডাধীশ/মহকুমা ন্যায়িক দণ্ডাধীশৰ লগত আলোচনা কৰি দাখিল কৰা তালিকাৰ পৰা চৰকাৰী উকীল নিযুক্তি দিয়া হয়।

(See the Annexure – VI)

গ) ১৯৯৫-৯৬ চনত থকা আৰু ১৯৯৬-৯৭ চনত নিযুক্তি পোৱা বৰপেটা জিলাৰ চৰকাৰী উকীলৰ তালিকা পৃথকে দিয়া হ'ল।

বিষয়: বিলাসীপাৰা মহকুমাত আদালতৰ কাম।

শ্ৰীআলি আকবৰ মিঞাই সুধিছে:

৬৭৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) বিলাসীপাৰা মহকুমাৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে আৰু তাত ন্যায়িক আদালত (Judicial Court) ৰ কাম আজিলৈকে আৰম্ভ নকৰা কথাটো সঁচানে?

খ) যদি সঁচা, তেন্তে তাত ন্যায়িক আদালতৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হব?

গ) ন্যায়িক আদালতৰ কাম আৰম্ভ কৰাৰ বাবে বিলাসীপাৰাত ঘৰৰ অভাৱ নাই সঁচানে?

ঘ) যদি ঘৰৰ অভাৱ নাই, তেন্তে আদালতৰ কাম ইমান দিনে কিয় আৰম্ভ কৰা নহল?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) ১-১০-৮৯ তাৰিখৰ পৰা বিলাসীপাৰা মহকুমাৰ কাম আৰম্ভ কৰা হৈছে। ন্যায়িক আদালতৰ কাম আৰম্ভ কৰা হোৱা নাই।

খ) মাননীয় উচ্চ ন্যায়ালয়ৰ লগত আলোচনা মৰ্মে পৰ্য্যায়ক্ৰমে ব্যৱস্থা লোৱা হৈছে।

গ) ন্যায়িক আদালত ভৱন আৰু ডুজন ন্যায়িক বিষয়াৰ বাসভৱনৰ বাবে উপযুক্ত ঘৰ পোৱা নাই।

ঘ) প্ৰশ্ন নুঠে।

**বিষয় : Aforestation ৰ মাটিৰ পৰিমাণ।**

শ্ৰীশুকুৰ আলীয়ে সুধিছে :

৬৪৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মানিকপুৰ Aforestation Division ৰ অধীনত ১৯৯৬-৯৭ ৰ বিত্তীয় বছৰত মুঠ কিমান হেক্টৰ মাটিত Aforestation কৰা হৈছে।

খ) উক্ত বিত্তীয় বছৰত Aforestation ৰ বাবে মুঠ কিমান টকা খৰচ কৰা হয়?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৭৫০ হেক্টৰ।

খ) ৭, ৬০, ৫০০.০০ টকা।

**Re : River eroded Peop'e.**

**Shri Hemen Das** asked :

648. Will the Minister of Revenue be pleased to state.

a) No. of river eroded people in the year 1996 in Barnagar Circle in Barpeta District?

b) Whether Government have taken any step for their relief and rehabilitation?

c) If not, please state the reason.

**Dr. Zoii Nath Sarma** (Minister) replied :

a) 91 Nos. of families

b) It is under consideration of the Government.

c) In view of reply at (B) above. Does not arise.

**Re : Anti-erosion measure.**

**Dr. Nazrul Islam** asked :

649. Will the Minister Flood Control be pleased to state :

a) Is there any proposal to take anti-erosion measure of Brahmaputra at Bhuragaon in Laharighat L.A.C. in this finanacial year ?

b) What are those proposals ?

**Sri Promod Gogoi** (Minister) replied :

a) Yes.

b) The proposal is for diverting the spill channel by providing bamboo screen and bamboo cribe etc. for by inducing siltation.

**Re : Revenue Circle.**

**Shri Sheikh Abdul Hamid** asked :

650. Will the Minister of Revenue be pleased to state :

a) No. of families eroded by the Brahmaputra during 1990-96 were Baghbar Revenue Circle ( Please furnish village wise figure ).

b) Steps taken by the Government to rehabilate the affected families ?

**Dr. Zoii Nath Sarma** (Minister) replied :

a) During 1990-96, 7381 Nos. of families eroded by the Brahmaputra River under Baghbar Circle. ( Village-wise figure enclosed ).

( See the Annexure—VII

b) Proposal for rehabilitation grant under considera-tion to eroded families 1114 Nos. of families have

been paid Rehabilition grant. Steps are being taken to allot land under M.N.P Schemes to re-habilate river eroded landlers persons.

**Re : Ruling of the Supreme Court.**

**Shri Girindra Mallik** asked :

651. Will the Minister of Forest be pleased to state :

a) Is it a fact that after Ruling of the Suprime Court on December, 1996, people living in Forest villages are deprived of all shorts of developmental works ?

b) If so, what will be the procedures of uplifting the people living in forest villages since long ?

**Shri Nagen Sarma** (Minister) replied :

a) No. it is not a fact.

b) Does not arise.

বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত।

শ্ৰীগুণিন মহন্তই সুধিছে :

৬৫২। মাননীয় ৰাজহ আৰু পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৫ চনৰ বানপানীত মৰিগাওঁ জিলাৰ কিমানটা মথাউৰী আৰু গড়কাপ্তানী পথ আৰু দলং আৰু কিমানটা পৰিয়াল ক্ষতিগ্ৰস্থ হৈছিল জনাবনে ?

খ) বানক্ষতিগ্ৰস্থ মথাউৰী আৰু গড়কাপ্তানী পথ সমূহ পুনৰ নিৰ্মানৰ আৰু মেৰামতিৰ ব্যৱস্থা কৰিবলৈ বাননিয়ন্ত্ৰণ আৰু গড়কাপ্তানী বিভাগক ধন আবন্টন দিয়া হৈছেনে ? ( সুকীয়া সুকীয়াকৈ জনাব )

গ) যদি মেৰামতিৰ ব্যৱস্থা কৰিছে কি কি পথ সমূহ আঁচনিৰ অন্তৰ্ভুক্ত কৰিছে জনাবনে ? ( তালিকা সদনৰ মেজত দাখিল কৰিব।

ঘ) ক্ষতিগ্ৰস্থ পৰিয়াল সমূহৰ পুনঃ সংস্থাপনৰ আঁচনি চৰকাৰৰ আছে নেকি ?

ঙ) যদি আছে, এই আঁচনিৰ অধীনত কিমান ধন ধাৰ্য্য কৰা আছে ?

চ) এই আচনিৰ অধীনত পুনৰ সংস্থাপনৰ ব্যৱস্থা কেতিয়া কৰা হব।

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) যে উত্তৰ দিছে :

ক) ১৯৯৫ চনৰ বানপানীত মৰিগাওঁ জিলাত ২ টা মথাউৰী, ৪টা জলসিঞ্চন বান্ধ আৰু ১৮ টা পানীতোলা যন্ত্ৰ নষ্ট হয়। একেদৰে গড়কাপ্তানী বিভাগৰ ৩৭ টা ৰাষ্টা, ৮৭ খন দলং আৰু ৬৯,২৩০ টা পৰিয়াল ক্ষতিগ্ৰস্থ হয়।

খ) হয় দিয়া হৈছে।

মৰিগাওঁ জিলাৰ বাবে বাননিয়ন্ত্ৰণ বিভাগক ৩৫.৩৯ লাখ টকা আৰু গড়কাপ্তানী বিভাগক ২৭ লাখ টকা আবন্টন দিয়া হৈছে।

গ) মেৰামতি কৰিবলগীয়া পথ সমূহৰ তালিকা ইয়াৰ লগত দিয়া হৈছে। (See the Annexure—VIII)

ঘ) বান ক্ষতিগ্ৰস্থ পৰিয়ালক পুনঃ সংস্থাপনৰ বাবে আঁচনি আছে।

ঙ) ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত ৪.০০ কোটি টকা ধাৰ্য্য কৰা হৈছিল।

চ) যাবতীয় নথি পত্ৰ আৰু প্ৰতিবেদন সমূহ সময় মতে নোপোৱা হেতুকে পুনৰ সংস্থাপনৰ প্ৰস্তাৱ সমূহ বিবেচনা কৰিব পৰা নাই আৰু এই প্ৰক্ৰিয়া সম্পূৰ্ণ হলেই পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

বিষয় : মৰিয়নিৰ গৰাখহনীয়া।

শ্ৰীমতী ৰুপম কুৰ্মীয়ে সুধিছে :

৬৫৩। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিয়নি টাউনৰ ভোগদৈ, জয়মতী নগৰ, কোনড়ি পাৰ্ক আৰু উদয়পুৰ আদি ঠাইত প্ৰত্যেক বছৰে গৰাখহনীয়া হোৱা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে, গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কি আঁচনি হাতত লৈছে ?

শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয়, জানে।

খ) "Protection work of Moriani town from the erosion of river Bhogdoi on L/B" নামৰ ৫০.০১ লাখ টকাৰ আঁচনিখন ২০ তম্ কাৰিকৰী উপদেষ্টা কমিটিৰ দ্বাৰা অনুমোদিত কৰোৱা হয়, কিন্তু আৱশ্যকীয় পুঁজিৰ অভাৱত বৰ্ত্তমানলৈকে কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

**Re : Appeal filed before Assam Administrative Tribunal :**

**Shri Sukhendu Shekhar Dutta** asked :

* 654. Will the Chief Minister be pleased to state :

a) No. of Appeal filed before the Assam Administrative Tribunal in the year 1991 to 1995. ( Number may be shown year wise)

b) The average time required for disposal of each appeal for the year 1991 to 1995. ( Average time may be shown year-wise.)

**Shri Prafulla Kumar Mahanta** (Chief Minister) replied :

a) Number of Appeal filed before the Assam Administrative Tribunal in the year 1991 to 1995 is indicated below.

| Year | | No. of Appeal filed. |
| --- | --- | --- |
| 1991 | — | 169 Nos. |
| 1992 | — | 144 ,, |
| 1993 | — | 118 ,, |
| 1994 | — | 136 |
| 1995 | — | 68 ,, |

b) Average time required for disposal of each appeal is shown approximately :

| | | |
|---|---|---|
| 1991 | — | 88 days. |
| 1992 | -- | 55 ,, |
| 1993 | --- | 75 ,, |
| 1994 | -- | 132 ,, |
| 1995 | --- | 132 ,, |

বিষয় ঃ কাৰাগাৰৰ সংখ্যা

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে ঃ

৬৫৫। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্য খনৰ কাৰাগাৰৰ মুঠ সংখ্যা কিমান ?

খ) কাৰাগাৰ অধীক্ষকৰ পদ কিমান খালী হৈ আছে ?

গ) মৰিগাওঁ জিলাৰ কাৰাগাৰ আনুষ্ঠানিক ভাৱে কেতিয়া মুকলি কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ২৬ খন ।

খ) ৮ টা ।

গ) মৰিগাওঁ জিলা কাৰাগাৰখন যোৱা ৪-৯-৯০ চনতে আনুষ্ঠানিক ভাবে মুকলি ( উদ্বোধন ) কৰা হৈছে ।

বিষয় ঃ পশু চিকিৎসালয়ৰ পূৰ্ণাংগ ৰূপ ।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

৬৫৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৭২ নং বৰছলা বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰগাওঁ মৌজাৰ পশু-চিকিৎসালয়খনে পূৰ্ণাংগ ৰূপ পাইছেনে ?

খ) যদি পাইছে, তেন্তে ইয়াত চিকিৎসক আৰু প্ৰয়োজনীয় আন কৰ্মচাৰী এতিয়াও নিয়োগ কৰা হোৱা নাই কিয় ?

গ) বৰছলা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিহগুৰি পশু চিকিৎসালয়ৰ চিকিৎসকৰ বাসভৱনটোৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হৈ কেতিয়া সম্পূৰ্ণ হল আৰু এই ভৱনটো বৰ্তমান কি অৱস্থাত আছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) পাইছে। নিৰ্মাণৰ কাম শেষ হৈছে।

খ) পদ সৃষ্টি নোহোৱাৰ বাবে নিয়োগ কৰিব পৰা হোৱা নাই।

গ) ১৯৮৭–৮৮ বিত্তীয় বছৰত নিৰ্মাণ কাৰ্য্য আৰম্ভ হয় আৰু ১৯৮৮-৮৯ বিত্তীয় বছৰত সম্পূৰ্ণ হয়। বৰ্তমান ভৱনটো অব্যৱহৃত হৈ আছে আৰু কিছু মেৰামতিৰ প্ৰয়োজন।

**Re : Divisional Soil Conservation Office.**

**Shri Abu Saleh N.jmuddin** asked :

657. Will the Hon'ble Minister of Soil Conservation be pleased to reply.

a) Is there any proposal of the Government to establish a Divisional Soil Conservation Office in each and every administrative District.

b) If the answer of (a) is yes then when these office will start functioning ?

**Shri Akan Rabha** (Minister) replied :

a) At present, there is no such proposal.

b) Does not arise.

বিষয় ঃ ছৈখোৱা আৰু হাপজানৰ ওচৰত
নদীৰ দ্বাৰা গাওঁ নিঃশেষ।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

৬৫৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) তিনিচুকীয়া জিলাৰ ছৈখোৱা আৰু হাপজান মৌজাৰ অন্তৰ্গত

শস্য শ্যামলা কুৰিখন গাওঁ ধলাৰ ওচৰত অনন্ত নলা নামে খ্যাত এটা নলাই বৰ লুইতৰ লগত মিলি এটি সুঁতি হৈ পুনৰ বৃহৎ নদীলৈ ৰূপান্তৰিত হৈ এই কুৰিখনমান গাওঁ নিঃশেষ কৰা কথা চৰকাৰ অৱগত নে?

খ) যদি অৱগত, তেন্তে হেজাৰ হেজাৰ শিবিৰত থকা লোকৰ বাবে চৰকাৰে কিবা সাহাৰ্য্য আগবঢ়াইছে নেকি?

গ) এই লোক সকলৰ পুনৰ সংস্থাপনৰ বাবে কিবা আঁচনি হাতত লৈছে নেকি?

শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১৫ খন গাওঁ খহনীয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা বিষয়ে চৰকাৰ অৱগত।

খ) হয়, ১৯৯৬ চনত ৪৯৮ টা পৰিয়ালৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰা হৈছিল।

গ) ইতিমধ্যে ৯৭ টা পৰিয়ালক ডুমডুমা আৰু তিনিচুকীয়া ৰাজহ চক্ৰত পুনৰ সংস্থাপন দিয়া হৈছে আৰু চক্ৰ বিষয়া সকলক দুৰ্দশাগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপন দিবৰ বাবে প্ৰস্তাৱ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

বিষয় ঃ দিৰাক চোমনী মথাউৰিৰ কাম।

ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ

৬৫৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ঃ

ক) দিৰাক চোমনী মথাউৰিৰ দীৰ্ঘতা কিমান? এইটো সঁচা নে যে বিভাগীয় অমনোযোগিতাৰ বাবেই নতুন মথাউৰিৰ দুয়ো কাষতে বৃহৎ আকাৰৰ গাত খান্দি মথাউৰি নিৰ্মাণ কৰাৰ ফলত সহজে মথাউৰিৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিব?

খ) এইটো সঁচানে যে মূল নদীখনৰ ইউ (U) আকৃতিৰ ভঙাৰ পোনে পোনে বন্ধা নতুন মথাউৰিৰ কাম যি ঠাইত চলিব লাগিছিল সেই ঠাইতে কামৰ অগ্ৰগতি অতি লেহেম হৈছে?

গ) মূল নদীখনৰ পুৰণি মথাউৰিটোত একেবাৰে চকু নিদি কেৱল নতুন মথাউৰিৰ কামতহে লাগি থকা অৱস্থাত এইবাৰ নদিহিঙৰ কোৱাল সোঁতে নতুন মথাউৰিত সহজে খুন্দা মৰাৰ আশংকা আছে নেকি ?

শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নতুনকৈ নিৰ্মাণ কৰা দিবাক চোমনি পশ্চাৎ বান্ধৰ দীৰ্ঘতা ৪২০০ মিটাৰ।

গধূৰ বুলডজাৰে কাম কৰাৰ বাবে ও অন্যান্য কাৰণত ঠায়ে ঠায়ে কিছু দ' গাতৰ সৃষ্টি কৰা কথাটো সঁচা। সেই বিষয়ে বিভাগে দৃষ্টি ৰাখিছে আৰু উপযুক্ত সময়ত সেই বিলাকৰ প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হব।

খ) মূল নদীখনৰ ইউ ( U ) আকৃতিৰ ভঙাৰ পোনে পোনে নতুন মথাউৰি নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

গ) তেনে আশংকা দূৰীকৰণৰ বাবে ন-পুৰণি দুয়োটা মথাউৰিৰ ওপৰত প্ৰয়োজনীয় পৰ্য্যবেক্ষণ কৰি থকা হৈছে ও আৱশ্যকীয় ব্যৱস্থা লোৱাৰ বাবে দিহা কৰা হৈছে।

**Re : Dreding of the river Brahmaputra**

**Dr. Kalyan Kumar Gogoi** asked :

660. Will the Minister of Flood Control be pleased to state :

a) Hon'ble Minister on 23.12.96 replied to a short notice question No. 57 that the bed of the river Brahmaputra is not raised and there is no scheme of dredging of the river Brahmaputra but is it true that Hon'ble Minister said in a pressmeet in Dhubri on February 3, 1997 that the Brahmaputra

bed is rising due to situation and dredging of the river is likely to be started in the current year only ?

b) Will the Hon'ble Minister clarify whether his recent statement is true ?

**Shri Promod Gogoi** ( Minister of Flood Control ) replied :

a) Recent studies do not indicate rise of bed level of Brahmaputra by several metres. There is a proposal from Inland Water Transport Department, Government of Assam for taking up dredging work for perenial navigation during Ninth Five year Plan.

q) The reply as above is for clarification of honourable member.

## Zero Hour Notice

Mr. Speaker — I have received as may as 8 Zero Hour notices from the Hon'ble Members Shri Nizamuddin Khan, Shri Abu Bakkar Siddique Joteder, Dr Kalyan Kumar Gogoi, Smt. Pramila Rani Brahma, Shri Nizamuddin Khan, Shri Etwa Munda, Shri Mustafa Shahidul Islam and Shri Sukhendu Shekhar Dutta,

As per Rules, I have selected only three Zero Hour notices for raising before the House to-day.

I now call upon the Hon'ble Member, Shri Abu Bakkar Siddique Jotedar to raise his Zero Hour motion which was published "Natun Dainik" dated 31.3.97 under the caption "পঞ্চায়ত সচিবৰ অনশন অব্যাহত"

Mr. Jotedar please raise your Zero Hour motion.

* শ্ৰীআবু বক্কৰ ছিদ্দিক জোটদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে শূন্য কাল চোৱাত মই যিটো বিষয় এই সদনত উত্থাপন কৰিব বিচাৰিছো, সেই বিষয়টো অত্যন্ত জৰুৰী বিষয়। আমাৰ ৰাজ্যৰ পঞ্চায়ত সচিব সকলে আজি আমৰণ অনশন আন্দোলনত নামিব লগা হৈছে। অধ্যক্ষ মহোদয়, ১৯৯৩ চনতে আমাৰ এই শিক্ষিত যুৱক সকলক পঞ্চায়তৰ চেক্ৰেটাৰী হিচাবে নিযুক্তি দিয়া হৈছিল, তেওঁলোকক গাওঁ-পঞ্চায়তৰ সভাপতি হিচাবে নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকক মাত্ৰ ৯০০ টকাকৈ দৰমহা দিয়া হৈছিল। কিন্তু আজি কেবা বছৰো ধৰি এই সচিব সকলক চাকৰিৰ পৰা কৰ্ত্তনৰ ব্যৱস্থা কৰা হ'ল। সেয়ে তেওঁলোকে ন্যায় বিচাৰি যোৱা ২৬ মাৰ্চ তাৰিখৰ পৰা দিছপুৰৰ লাষ্ট-গেটত আমৰণ অনশন আৰম্ভ কৰিছে আৰু আজি পৰ্য্যন্ত সেই আমৰণ অনশন অব্যাহত আছে। আজি আমাৰ ৰাজ্যৰ শিক্ষিত যুৱক সকলক অনিশ্চয়তাৰ ফালে ঠেলি দিয়া হৈছে। তাৰোপৰি আমাৰ ৰাজ্যখনত আজি নিবনুৱা সমস্যাই এটা জটিল ৰূপ ধাৰণ কৰিছে। আচৰিত কথা আমাৰ এই আমৰণ অনশনকাৰী সকলৰ অৱস্থা এতিয়া সংকটজনক হৈছে, কেবাগৰাকী অনশনকাৰীক চিকিৎসাৰ কাৰণে হস্পিতাললৈ স্থানান্তৰ কৰা হৈছে, তথাপিতো আজি ইমান দিন ধৰি তেওঁলোকে দিছপুৰ লাষ্টগেটত আমৰণ অনশন কৰি বহি থকা বাবেও কোনো লোক চৰকাৰৰ তৰফৰ পৰা তেওঁলোকৰ খবৰ লবলৈ যোৱা নাই, তেওঁলোকৰ অভাৱ-অভিযোগখিনি শুনাৰ কাৰো অবকাশ নাই আৰু কোনেও তেওঁলোকৰ অভাৱ-অভিযোগখিনি অনুভৱ কৰা নাই।

* Speech not corrected

কিন্তু আচৰিত কথা চৰকাৰৰ পক্ষৰ পৰা সিহঁতে কৰা দাবীৰ পৰিপ্ৰেক্ষিতত যি অনশন আন্দোলন কৰি আছে তাৰ কোনো খবৰ নললে। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আমৰণ অনশনৰ জৰিয়তে তেওঁলোকক হত্যা কৰাৰ পৰিকল্পনা কৰিছে নেকি? এই আমৰণ অনশনৰ জৰিয়তে তেওঁলোকক মৰিবলৈ দি চৰকাৰে সমস্যা সমাধান কৰিব বিচাৰিছে নেকি? গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই যুৱক সকল আমাৰ আৰু যেতিয়ালৈকে পঞ্চায়ত থাকিব যেতিয়ালৈকে এক্ট থাকিব আৰু তেতিয়ালৈকে এই সচিব সকলৰ দৰ্কাৰ হব। যিহেতুকে তেওঁ-লোকক দৰ্কাৰ হব সেয়ে তেওঁলোকৰ অভাৱ অভিযোগ চৰকাৰে বিবেচনা কৰিব লাগে। বিশেষকৈ বিভাগীয় মন্ত্ৰী মহোদয়ে তেওঁলোকক মাতি আনি আলাপ আলোচনাৰ মাজেদি সমস্যা সমাধান কৰিবলৈ অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যদি কৰে কেতিয়া ব্যৱস্থা হাতত লব সেইটো মই মন্ত্ৰী মহোদয়ৰ উত্তৰত জানিব বিচাৰিলো। এই খিনিকে কৈ মই পঞ্চায়তৰ সচিব সকলৰ আমৰণ অনশনৰ ওপৰত দিয়া বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, নতুন দৈনিক বাতৰি কাকতত প্ৰকাশিত হোৱা ৩১ মাৰ্চৰ বাতৰিটো মোৰ দৃষ্টি গোচৰ হৈছে। এই বিষয়ে মই ব্যৱস্থা লম।

Mr. Speaker : I now call upon Shri Nizamuddin Khan to raise his motion which was published in the 'Natun Dainik' on 31-3-97 under the caption "দুৰ্নীতিত পোত গৈছে কৃষি উদ্যোগ উন্নয়ণ।"

* শ্ৰীনিজামুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতিত পোট গৈছে কৃষি উদ্যোগ নিগম। আমাৰ মন্ত্ৰী মহোদয়ে যোৱা কালি এই সদনত কৃষি বিশ্ববিদ্যালয়ৰ কথা কওঁতে কৃষক সকলৰ কিছু কথা কৈছে। আমাৰ

* Speech not corrected,

কৃষি উদ্যোগ উন্নয়ন নিগমৰ যি ব্যাপক দুৰ্নীতি হৈছে, তেতিয়া হলে কৃষক সকলৰ উন্নয়নমূলক কাম কাজ কিয় হব ? আচৰিত কথা যে ১৯৯৪-৯৫ আৰু ১৯৯৫/৯৬ চনত ২ কোটি ৭৮ লাখ ২৩ হাজাৰ টকা দুই বছৰত লোকচান ভৰিছে। কিন্তু তাত যিজন সঞ্চালক আছিল। তেওঁ কোনো ধৰণৰ উন্নয়নমূলক কাম কাজ হাতত লোৱা নাছিল। তেওঁ যি ধৰণে কাম কাজ কৰিছে তাত কেৱল লোকচান ভৰিব লগা হৈছে। এই নিগম ১৯৬৭ চনতে প্ৰতিষ্ঠিত হৈছিল। গোটেই ২৭ বছৰত লোকচান ভৰিছে ৩৩৩৩১২ কোটি টকা। ১৯৯৩/৯৪ আৰু ১৯৯৪/৯৫ চনত লোকচান ভৰিছে ২৫৮২৩৯৭ কোটি টকা। যদি ইমান বিলাক দুৰ্নীতিয়েই হৈ থাকে আৰু টকাবিলাক লোকচান হৈ থাকে তেন্তে এই নিগমৰ জৰিয়তে কৃষক সমাজৰ উন্নতি সাধন হব ? এই কথাটো বুজিবলৈ টান হৈছে যে এই নিগমে কৃষক সকলৰ কেনেকৈ উন্নতি সাধন কৰিব ? আগৰ যিজন সঞ্চালক আছিল তেওঁক পৰিবৰ্ত্তন কৰি নন্দেশ্বৰ নাথ নামৰ এজন সঞ্চালকক তাত নিয়োগ কৰা হৈছিল। কিন্তু যোৱা ফেব্ৰুৱাৰী মাহত তেওঁক ডকাইতে হত্যা কৰে। তেওঁ কাৰ্যাভাৰ লোৱাৰ পাচত তেওঁ কিছু ভাল কাম হাতত লৈছিল। দুধনৈত ৪২৩৯ টকা আৰু কোকৰাজাৰত ৫ লাখ টকা, তেওঁলোকে টকাটো হাতত ৰাখিব নোৱাৰে কিন্তু তেওঁলোকে ৰাখিছিল। তেওঁলোকে কলে যে টকাটো উগ্ৰবাদীয়ে লৈ গ'ল। কেৱল এইটোৱেই ঘটনা নহয়, আজি যিমানবিলাক ক্ষেত্ৰবিষয়া আছে সকলোখিনিয়ে ১/২ টকা নহয় হাজাৰ হাজাৰ, লাখ লাখ টকা আত্মসাৎ কৰিছে। উগ্ৰপন্থীয়ে লৈ গ'ল। যি সঞ্চালকৰ দিনত ঘটনাটো ঘটিছিল তেওঁ কোনো ধৰণৰ কাৰ্য্যকৰি ব্যৱস্থা গ্ৰহণ কৰা নাছিল। কিন্তু যিজন নতুন সঞ্চালক আহিল যাক ডকাইতে হত্যা কৰিলে তেওঁ এই দুজন সহকাৰী ক্ষেত্ৰ বিষয়া দুজনক নিলম্বিত কৰিছিল। ১৯৯৪/৯৫ চনত এই যে ২ কোটি ৯৮ লাখ ২৭ হাজাৰ টকাৰ দুৰ্নীতি কৰিলে তাৰপৰা আমাৰ অসমৰ কৃষক ৰাইজে কি আশা কৰিব পাৰে ? আমাৰ মাননীয় বিভাগীয় মন্ত্ৰীয়ে কৃষি বিশ্ববিদ্যালয়ৰ পৰা কৃষক সকললৈ কি অৱিহনা সেইটো উল্লেখ কৰিছে। এই খিনিতে মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে বিভাগীয় মন্ত্ৰী মহোদয়ে এই

* Speech not corrected

যে কৃষি উদ্যোগ উন্নয়ন নিগমত যি ব্যাপক দুৰ্নীতি চলি আছে যাৰ ফলত কৃষক ৰাইজৰ ক্ষতি হৈছে সেইটো তদন্ত কৰাৰ ব্যৱস্থা হাতত লব নে? আৰু নন্দেশ্বৰ নাথক হত্যা কৰাৰ পাচত আগৰ সঞ্চালককে কিয় দায়িত্বভাৰ দিয়া হ'ল, তাৰোপৰি তেওঁক এডিচনেল চাৰ্জও কিয় দিয়া হ'ল, যিজন সঞ্চালকে নিগমৰ কোটি কোটি টকা আত্মসাৎ কৰিলে এই সম্পৰ্কে নিৰ্দিষ্ট তদন্তৰ ব্যৱস্থা কৰি শাস্তিমূলক ব্যৱস্থা লবনে সেই কথা স্পষ্টভাৱে জনাব লাগে। দ্বিতীয়তে যিজন সঞ্চালকে দুৰ্নীতি কৰি থৈ গৈছে তেওঁক এডিচনেল চাৰ্জ কিয় দিয়া হ'ল আৰু তেওঁক আঁতৰাই কেতিয়া নতুন সঞ্চালক দিয়া হব জনাব লাগে। তাৰো-পৰি নিগমটো ৰক্ষা কৰাৰ লগে লগে অসমত যিসকল কৃষক আছে তেওঁলোকক সুচাৰুৰূপে আগবঢ়াই নিয়াত সহায় কৰিবলৈ বুলি অনুৰোধ কৰি মই বিভাগীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো। লগতে নন্দেশ্বৰ নাথক কোনে হত্যা কৰিলে তাৰ এটা তদন্ত কৰিবলৈ অনুৰোধ জনালো।

( At 10.30 A.M. Hon'ble Speaker vacated the Chair and Hon'ble Member Shri Holiram Terang, Chairman occupied the Chair )

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই শূন্য কালৰ জৰিয়তে নতুন দৈনিক কাকতত ৩১/৩/৯৭ তাৰিখে 'দুৰ্নীতিত পটন হৈছে উদ্যোগ উন্নয়ন নিগম' শীৰ্ষক যিটো বাতৰি মাননীয় সদস্যগৰা-কীয়ে উত্থাপন কৰিছে, মই বাতৰি কাকত যোগে আগতেই অবগত হৈছো। মাননীয় অধ্যক্ষ মহোদয়, এই কৃষি উদ্যোগ নিগমটো গঠন কৰা হৈছিল অসমৰ কৃষি ৰাইজৰ কাৰিকৰী দিশত সাৰ আদি দি কেনেকৈ ব্যৱহাৰ কৰিব লাগে বা দিয়াতো আৰু দিহা পৰামৰ্শ আদি দিয়াৰ কাৰণে। আজি যিটো বিষয় উত্থাপন কৰা হৈছে গোটেই বিষয়টো জৰিত আছে। কৃষি উদ্যোগ নিগমৰ যিজন এম, ডি, বাতৰি কাকতত সন্নিবিষ্ট আছে। মই মাননীয় সদস্য গৰাকীৰপৰা কাগজখন লবলগীয়া হৈছে। মই যোৱাকালিয়ে বিষয়টো আহিব বুলি ভাবিছিলো কিন্তু নোটিছ নাপালো। কিন্তু বিষয়টো আজিহে উত্থাপন

* Speech not corrected.

হ'ল। যোৱা কালিলৈ মই নোটিছ পোৱা নাই। কিন্তু এই বিষয়টো মই ভাল দৰে জানো। এই কথাটো যদি মই কবলৈ যাওঁ তেন্তে কন্দপান ডাঙৰীয়াই জাঙ্ৰ খাই উঠিব।

উপাধ্যক্ষ মহোদয়, এই কথাবিলাক কলে মাননীয় সদস্য শ্ৰীকন্দপান আৰু অন্যান্য কেইজনমান সদস্যই আমাক বেয়া পাব। তেখেত সকলো আমাৰ বন্ধু। ইয়াত এটা আচৰ্য্য জনক কথা হৈছে যে আচলতে এগ্ৰো ইণ্ডাষ্ট্ৰিৰ মেনেজিং ডিৰেক্টৰ জন এ, চি, এচ, কেডাৰৰ হব লাগে যদিও যোৱা ৫ বছৰে তাত এজন একাউন্টেটৰ ওপৰৰ মানুহক মেনেজিং ডিৰেক্টৰ কৰি ৰখা হৈছিল। এইটো বৰ দূৰ্ভাগ্যজনক কথা। এই পোষ্টটোত আগৰ চৰকাৰে একাউন্টচৰ মানুহ এজনক দি থৈছিল। এই বিষয়টো এ, চি, এচ, এচ'চিয়েচনেও ধৰিছিল। কিন্তু চৰকাৰে তেওঁলোকক পাট্টা দিয়া নাছিল। আমাৰ চৰকাৰ অহাৰ পিচত তাত নন্দেশ্বৰ নাথ নামৰ এজন এ, চি, এচ, বিষয়াক নিযুক্তি দিয়া হ'ল। তেখেত বৰ ভাল মানুহ আছিল। দূৰ্ভাগ্যবশতঃ কিছু-দিন আগতে ডকাইতে তেওঁক হত্যা কৰিলে। তেখেতে এই বিভাগটো ভালদৰে চলাবলৈ চেষ্টা কৰিছিল। এই নিগমটোৰ মেনেজিং ডিৰেক্টৰেই হওঁক বা কৰ্মচাৰী সকলেই হওঁক যোৱা ৫ বছৰে তেওঁলোকে কৃষক ৰাইজক যি ধৰণে সহায় সহযোগ আগবঢ়াব লাগে সেই ক্ষেত্ৰত ব্যৰ্থ হৈছে। ইয়াত আৰু বহুতো খেলি মেলি আছে। সেই আটাইবিলাক কথা মই আৰু কবলৈ নাযাও। ইয়াৰ সকলো তথ্য পাতি মোৰ হাতত আছে। এই নিগমটো কেৱল দুৰ্নীতিতে পোট যোৱা নাই, ঋণতো পোট গৈছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীমিঞা ডাঙৰীয়াই কেইবাটাও প্ৰশ্ন আনিছিল কিন্তু তেখেতৰ প্ৰশ্ন বিলাক হয় পিচৰল আছে নাইবা ৰিটেন হিচাবে অহাৰ কাৰণে সদনত আলোচনা কৰিব পৰা নাই। এই বিভাগটোত যোৱা ৫ বছৰে এনেকুৱা কিছুমান জঘন্য কাম হৈছে আচলতে তেনেকুৱা কাম কৰাতো উচিত হোৱা নাই। যেনে—তেওঁলোকে আমেৰিকান স্প্ৰিঙৰ নামত কিছুমান স্পেয়াৰ কিনিছে। সিবোৰ কোন বেঞ্চৰ কাৰণে কিনিছে তেওঁলোকে কব নোৱাৰে। এই কথা বিলাক যোৱাবাৰ কৃষি মন্ত্ৰীৰ দায়িত্বত যি গৰাকী মন্ত্ৰী আছিল অকল তেখেতেই ইয়াৰ বাবে দায়ী নহয়, দায়ী আৰু বহুতো আছে।

এই কথাবিলাক যিদিনা গম পাইছো সেইদিনা মই নিজেই দুখ পাইছো। সেই কাৰণে মই কওঁ যে কৃষক ৰাইজৰ নামত এনেকুৱা ঘটনা হব নাপায়। যিহেতু এই পোষ্টটো এ চি, এচ, কেডাৰৰ পোষ্ট। সেই কাৰণে তাত এজন এ, চি, এচ, বিষয়া দিব লাগে আৰু সেই কাৰণে আমি পাৰচনেল বিভাগৰ লগত যোগাযোগ কৰি যোৱা পৰহি তাত এজন এ, চি, এচ, বিষয়াক এম, ডি. হিচাবে দিয়াৰ ব্যৱস্থা কৰিছো। এই বিষয়াজন বৰ্ত্তমান ওৱেৰ হাউচিং কৰ্পৰেচনৰ মেনেজিং ডিৰেক্টৰ হিচাবে আছে। তেওঁৰ নামটো কি মই নাজানো। তাত এজন এ. চি, এচ বিষয়া দিয়াৰ কাৰণে আমি লাগি আছো আৰু ইতিমধ্যে তাত আমি নন্দেশ্বৰ নাথক নিযুক্তি দিছিলো। এতিয়া তাৰ ইউনিয়নে আমাৰ লগত কাজিয়া কৰি আছে। তেওঁলোকৰ মতে তাত এ. চি, এচ বিষয়া দিব নালাগে। এতিয়া এই বিষয়টোত মাননীয় শ্ৰীখান আৰু শ্ৰীদে ডাঙৰীয়াই বিষয়টো ইনকুৱেৰী কৰাৰ কাৰণে জোৰ দিছে গতিকে মই সদনত আজিয়েই প্ৰতিশ্ৰুতি দিলো এই বিষয়টো অতি সোনকালে ইনকুৱেৰী কৰা হব।

(At 10-39 A. M. Hon'ble Member Shri Holiram Terang, Chairman vacated the Chair and Hon'ble Deputy Speaker occupied the Chair)

* শ্ৰীআলি আকবৰ মিএঃ।:— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিবোৰ তথ্য পাই বুলি কৈছে সেই সম্পৰ্কত মোৰ হাততো বহুতো তথ্য আছে আৰু সেইমতে আগৰ মেনেজিং ডিৰেক্টৰ জনো দূৰ্নীতিত লিপ্ত আছে। গতিকে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লব নে নাই ?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী.: এই সকলোবোৰ কথা আমি তদন্ত কৰি চাম।

* মোস্তাফা ছহিদুল ইছলামঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২০ মাৰ্চৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত "অনুজ্ঞা পত্ৰহীন বিক্সা ভঙা কাৰ্য্যৰ প্ৰতিবাদ" শীৰ্ষক বাতৰিটোত সদৌ অসম ৰিক্সা

* Speech not corrected

চালক সন্থাৰ শ্ৰীএম আব্দুৰ ৰহিমে এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিয়ে যে' আজি গুৱাহাটী মহানগৰীৰ পৌৰ নিগমে ৰিক্সাৰ অনুজ্ঞা পত্ৰৰ সন্ধানত তালাচী চলাই কেইবা শ ৰিক্সা জব্দ কৰে আৰু ৰোলাৰ মেচিনেৰে ভাঙি পেলায়'' । এই বিষয়টো মই বিধান সভাৰ মজিয়ালৈ আনি এটা কথা পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে আজি দুখীয়া শ্ৰমিক সকলেই ৰিক্সা চলায় । আজি বহুতো শিক্ষিত যুৱকেও জীৱিকা নিৰ্বাহৰ কাৰণে ৰিক্সা চলাব লগা হৈছে । তেওঁলোকৰ কাৰোবাৰ ৰিক্সাৰ অনুজ্ঞাপত্ৰ হয়তো ৰিনিউ কৰিবলৈ দিয়াৰ কাৰণে তেওঁলোকৰ অনুজ্ঞাপত্ৰ নাই । এই কাৰণটোক লৈয়ে আজি কেইদিনমান আগতে পৌৰ প্ৰশাসনে ১০০ খন মান ৰিক্সা ভাঙি পেলাইছে । গতিকে মই বিভাগীয় মন্ত্ৰীক সুধিব খুজিছো যে এনে ৰিক্সা ভাঙি পেলোৱাৰ চৰকাৰৰ কিবা আইন আছে নেকি ? আজি গুৱাহাটীত বহুতো ধনী মানুহে গাড়ী মটৰ চলাই আছে । তেওঁ-লোকৰ এই গাড়ীবোৰৰ অনুজ্ঞাপত্ৰ নাথাকিলেও ভাঙি দিয়া নাই । কিন্তু দুখীয়া মানুহে চলাই থকা ৰিক্সা কেইখন প্ৰশাসনে ভাঙি দিছে । আজি আমি শীত তাপ নিয়ন্ত্ৰিত কোঠাত বহি তেওঁলোকৰ দুৰৱস্থাৰ কথা বুজি নাপাও । তেওঁলোকে গোটেই দিনটো কষ্ট কৰি যি উপাৰ্জন কৰে তাৰে দুবেলা দুমুঠি ভাত কৈ খাব নোৱাৰে । এনেকুৱা এটা অৱস্থাত তেওঁলোকৰ ৰিক্সাবোৰ ভাঙি দিছে । এই সম্পৰ্কত কমিউনিষ্ট সদস্য এজনেও বক্তব্য ৰাখিছে । আজি গুৱাহাটী পৌৰ নিগমত এটা নিৰ্বাচিত বডি থকা অৱস্থাত এই দুখীয়া মানুহখিনিৰ যিটো অৱস্থা কৰিলে সেই ক্ষেত্ৰত মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এই ৰিক্সা ভঙা মানুহখিনিক মাতি আনি তেওঁলোকৰ ৰিক্সাৰ ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে । তেওঁলোকৰ ক্ষতি পূৰণ নিদিলে চলিব কেনেকৈ ? গতিকে নিৰ্বাচিত প্ৰতিনিধি হিচাবে তেওঁ-লোকক আমি বচাব লাগিব । গতিকে পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই ক্ষেত্ৰত যিসকল বিষয়া দায়ী তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা লব লাগে ।

* Speech not corrected

তাৰোপৰি অনুজ্ঞাপত্ৰ বিহীন যিবোৰ ৰিক্সা আছে সেই ৰিক্সাবোৰৰ অনুজ্ঞাপত্ৰ দিয়াৰ কাৰণে এটা টাইম বাউণ্ড ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে সেই সময়ৰ ভিতৰত ৰিক্সাবোৰৰ অনুজ্ঞাপত্ৰসমূহ ৰিনিউ কৰি লব পাৰে। ইয়াৰ লগতে মই আৰু এটা কথা কব খোজো যে পৌৰ নিগমত যিসকল ৰিক্সা চালকে ৰিক্সা চলাই তেওঁলোকক নিগমৰ ফালৰ পৰা প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ, বহুতো ৰিক্সা চালকে প্ৰশিক্ষনৰ অভাৱত ভালদৰে ৰিক্সা চলাব নোৱাৰে আৰু তাৰ ফলত বহুতো সময়ত দুৰ্ঘটনা আদি ঘটে। ইয়াৰ কাৰণে পৌৰ প্ৰশাসন বিভাগে আচুতীয়া টকাৰ ব্যৱস্থা কৰিব লাগে। আমি এটা কথা দেখিছো যে আজি গুৱাহাটীত যি সকল ৰিক্সা চালকে ৰিক্সা চলাই তেওঁলোক ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু বানপানীৰ কবলত পৰা মানুহ। তেওঁলোকে চৰ অঞ্চলত বসবাস কৰি জীৱিকাৰ পথ উলিয়াব নোৱাৰি চহৰলৈ গুলাই আহিছে ৰিক্সা চলোৱাৰ বাবে। কেতিয়াবা কেতিয়াবা আকৌ কিছুমান কাকতে এই লোক সকলক বিদেশী বুলিও আখ্যা দিছে। কিন্তু তেওঁলোক বিদেশী নে প্ৰকৃত ভাৰতীয় নাগৰিক সেইটো চৰকাৰে বিচাৰ কৰিব লাগে আৰু তেওঁ-লোকৰ জীৱিকাৰ পথ সুনিশ্চিত কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁলোক আজি নিষ্পেষিত আৰু নিৰ্য্যাতিত হৈ যি ধৰণে জীৱিকা নিৰ্বাহ কৰিব লগা হৈছে সেইটো আমাৰ চৰকাৰে বিচাৰ কৰি চাব লাগে আৰু এই ক্ষেত্ৰত এটা দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিলো।

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীছহিদুল ইছলাম ডাওৰীয়াই যিটো কথা উত্থাপন কৰিছে মই তাৰ ওপৰত কব খোজো যে এই বছৰৰ মাৰ্চ মাহৰ ৮ তাৰিখে বাতৰি কাকতত জাননী ওলাইছিল যে বিধান সভা ৭ তাৰিখৰ পৰা হৈছে। কিন্তু এই বিষয়টো উত্থাপন কৰা হৈছে এপ্ৰিলৰ ২ তাৰিখে। বাতৰি কাকতত জাননী দিছিল মাৰ্চ মাহৰ ৮ তাৰিখে।

* Speech not corrected

জাননীখন মই পঢ়ি দিছো—"যথা বিহিতভাৱে অনুজ্ঞাপত্র লৈ গুৱাহাটী পৌৰ নিগমৰ এলেকাত চলোৱা আৰু চলাই থকা ৰিক্সা মালিক-সকলক জনোৱা যায় যে তেখেতসকলে ৰিক্সা চালকৰ হাতত প্ৰতিখন ৰিক্সাৰে অনুজ্ঞাপত্ৰ দিহে ৰিক্সাখন চলাবলৈ দিব। অনুজ্ঞাপত্ৰ লগত নথকা ৰিক্সাক অনুজ্ঞাপত্ৰ বিহীন বুলি গণ্য কৰা হ'ব আৰু তেনে ৰিক্সা কোনো জাননী বা কাৰণ নদৰ্শোৱাকৈ নষ্ট কৰি পেলোৱা হ'ব। এই জাননী বাতৰি কাকতত প্ৰকাশৰ পিছ দিনাৰ পৰা কাৰ্যকৰী হ'ব। এইটো কোৱা আছে যে অনুজ্ঞাপত্ৰহীন ৰিক্সা বিলাক নষ্ট কৰা হ'ব। গুৱাহাটী পৌৰ নিগম কৰ্তৃপক্ষই ১৯ মাৰ্চ তাৰিখে গুৱাহাটী মহানগৰীত অবৈধ ভাবে অনুজ্ঞাপত্ৰ নোহোৱাকৈ চলাই থকা ৰিক্সাৰ বিৰুদ্ধে এটা অভিযান চলায়। নথিপত্ৰ পৰীক্ষা কৰি অনুজ্ঞাপত্ৰ বিহীনকৈ চলাই থকা ৯২ খন ৰিক্সা নষ্ট কৰি পেলোৱা হয়। গতিকে মই কব খোজো যে জাননী দিহে অনুজ্ঞাপত্ৰ বিহীন ৰিক্সা নষ্ট কৰিছে। গুৱাহাটী পৌৰ নিগমৰ সাধাৰণ সভাৰ অনুমোদন ক্ৰমে ৮ মাৰ্চ তাৰিখৰ দৈনিক অসম আৰু চেন্টিনেল কাকতত বাজহুৱা জাননী দিহে ১৯ মাৰ্চত অভিযানটো চলোৱা হৈছিল। গুৱাহাটী পৌৰ নিগম এলেকাত ১৫ হেজাৰ অনুজ্ঞাপত্ৰ থকা ৰিক্সা আছে। তাৰ ভিতৰৰে পায় এহেজাৰমান ৰিক্সাই ১৯৯৬-৯৭ বৰ্ষৰ বাবে অনুজ্ঞাপত্ৰ নবীকৰণ নকৰিলে। চৰকাৰ বা পৌৰ নিগমৰ তৰফৰ পৰা জৰীপ কৰা নাই যদিও বে-চৰকাৰী সূত্ৰই বাতৰি কাকতত দিয়া হিচাপ মতে পৌৰ নিগম এলেকাত প্ৰায় ২৫ হেজাৰ মান অনুজ্ঞাপত্ৰহীন ৰিক্সা চলাচল কৰে। একোজন মালিকৰে ১০০-১৫০ খন ৰিক্সা থাকে। প্ৰতিখন ৰিক্সাৰ বাবদ ৬/৭ টকা নে তাতোকৈ বেচি ভাড়া পাই থাকে। গুৱাহাটীৰ বাট-পথৰ সংখ্যা আৰু আকাৰ-প্ৰকাৰৰ কথা মনত ৰাখিলে ১৫ হেজাৰতকৈ অধিক ৰিক্সা চলাবৰ বাবে অনুজ্ঞাপত্ৰ দিব নোৱাৰি। অত্যাধিক অনুজ্ঞাপত্ৰহীন ৰিক্সা চলাচলৰ বাবে মহানগৰীৰ বাট-পথত যাতায়তৰ অসুবিধা আৰু কেতিয়াবা দুৰ্ঘটনা হোৱাটো আমি আটায়ে লক্ষ্য কৰিছো। এই

* Speech not corrected

অভিযানটো কোনো ৰিক্সা চালকৰ বিৰুদ্ধে নাছিল, আছিল অনুজ্ঞাপত্র নোলোৱাকৈ ৰিক্সা কিনি ভাৰালৈ চলাবলৈ দিয়া ৰিক্সা মালিকৰ বিৰুদ্ধেহে। ৰিক্সা চালক সকল সাধাৰণতে ৰিক্সাৰ মালিক নহয়। সেয়ে ৰিক্সা চালকসকল ক্ষতিগ্ৰস্ত হোৱা বুলি কোৱাটো সত্য নহয়। আইন কানুন সকলোৰে কাৰণে সমান। এই সকলক দুখীয়া মানুহৰ জীৱনত আঘাট নোহোৱাকৈ আইন কানুনৰ মাজেদিহে কৰা হৈছে। আগতীয়াকৈ জাননী দি কৰা হৈছে। ৰাজহ বিভাগেও ন'টিছ দি ঘৰ ভাঙে। সেইটো আৰু বেচি মাৰাত্মক ঘটনা। গতিকে মই ভাবো অনুজ্ঞাপত্রহীন ৰিক্সা বিলাক যাতে নচলে তাৰ ব্যৱস্থা কৰিব লাগিব আৰু ভবিষ্যতে এইটো কন্ট্ৰোল কৰিব লাগিব। নহ'লে যাতায়তৰ ভিষণ অসুবিধা হব।

মুস্তাফা ছহিদুল ইছলাম : মাননীয় উপাধ্যক্ষ মহোদয়, অনুজ্ঞাপত্রহীন ৰিক্সা চালক বিলাকক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰি অনুজ্ঞাপত্র দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। সেইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। কাৰণ সেইখিনি মানুহ বৰ গৰীব মানুহ।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ মাননীয়, মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৃষি বিজ্ঞানীক প্ৰশিক্ষণ দিয়াৰ কথা যিটো কৈছে তেনেকুৱাই হব।

শ্ৰীচিত্ৰভিউছ ক্ৰন্দপান : মাননীয় উপাধ্যক্ষ মহোদয়, অল ইণ্ডিয়া মটৰ ট্ৰেন্সপোৰ্ট কৰ্পোৰেচনৰ দাবীৰ যিটো আন্দোলন হৈছে সেইটোৱে অসমতো ক্ষতি কৰিব। বিশেষকৈ খাদ্য সমগ্ৰীৰ ক্ষেত্ৰত। ইতিমধ্যে সামগ্ৰীৰ চৰা দাম হৈছে। যিহেতু আমাৰ মাননীয় খাদ্য মন্ত্ৰীও আছে গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে তেখেতৰ দৃষ্টিগোচৰ কৰিছো যাতে ইয়াৰ এটা ব্যৱস্থা লয়।

## Call Attention Notice

Mr. Deputy Speaker : Now, I request Smti Pramila Rani Brahma to call attention of the Hon'ble Chief Minister under Rule 54.

* Speech not corrected

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত শ্ৰীমতী গোলাপী বড়ো স্বামী শ্ৰীমধু বড়ো, গাওঁ গন্ধমৌ, পোঃ অঃ বৰবৰিয়া, ১৯৯৭ চনৰ ২০ মাৰ্চ তাৰিখৰ অপমৃত্যু' বাতৰি সম্পৰ্কে বিষয়টো উত্থাপনৰ জৰিয়তে মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ভাৰপ্ৰাপ্ত মন্ত্ৰী গড় কাপ্তানী বিভাগৰ মন্ত্ৰীৰ জৰিয়তে।

মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰীমতী গোলাপী বড়োক যোৱা ১৯ তাৰিখে ৩ জন সমাজ বিৰোধী লোকে তেওঁৰ ঘৰত বলাৎকাৰ কৰিবলৈ চেষ্টা কৰিছিল। সেই সমাজ বিৰোধী লোক কেইজনক তেওঁ দাবে ঘপিয়ালে যদিও এজনৰ গাত লগাৰ পিছত ২ জন পলাই যায়। এই গোলাপী বড়ো হৈছে আমাৰ বিধানসভা সচিবালয়ৰ এজন চতুৰ্থ শ্ৰেণী কৰ্মচাৰীৰ পত্নী তেওঁৰ নাম । শ্ৰীমধু বড়ো। সেই ঘটনাৰ পিচত ২০ তাৰিখে তেওঁ ৯ মান বজাত বজাৰলৈ আহে । তেওঁ যি ওলাই গ'ল আৰু ঘৰলৈ ঘূৰি নাহিল । পিচত তেওঁৰ মৃত দেহ চাংচাৰীৰ ওচৰত ৰেল লাইনৰ ওপৰত পায়। সেই মৃত দেহটো পিচত থানাত দিয়া হল । তাৰ পিচতে এইটো গোলাপী বড়োৰ মৃত দেহ বুলি চিনাক্ত কৰণ কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচ থানাত ৰিপৰ্ট দিয়াৰ পিচটো গোলাপী বড়োৱে আত্মহত্যা কৰিছে নে হত্যা কৰা হৈছে তাৰ প'ষ্ট মৰ্টেম ৰিপৰ্ট এতিয়ালৈকে দিয়া নাই। বিভিন্ন জনে মত প্ৰকাশ কৰিছে যে গোলাপী বড়োৰ মৃত্য এক অস্বাভাৱিক মৃত্যু । যিজন ব্যক্তিয়ে হত্যা কৰিছে বুলি সন্দেহ কৰা হৈছে সেই জনক এতিয়ালৈকে ধৰিব পৰা নাই । তেওঁ পলাই আছে। সেইজন এজন এল পি স্কুলৰ শিক্ষক । এই ক্ষেত্ৰত আঞ্চলিক আচুৱেও খুব্ধ হৈ আছে। তথাপি চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ তদন্ত কৰাৰ ব্যৱস্থা লোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে মই আপোনাৰ জৰিয়তে আজিৰ ভাৰপ্ৰাপ্ত মুখ্য মন্ত্ৰীক অনুৰোধ কৰিম যাতে গৃহ বিভাগৰ

---

* Speech not corrected

জৰিয়তে গোলাপী বড়োৰ মৃত্যুৰ তদন্ত কৰে আৰু অতি সোনকালে গোলাপী বড়োৰ প'ষ্ট মৰ্টেম ৰিপোৰ্ট দিব লাগে। মৃত গোলাপী বড়োৰ স্বামী এজন সচিবালয়ৰ কৰ্মচাৰী। এই ক্ষেত্ৰত তেওঁৰে যদি এটা ন্যায্য বিচাৰ নাপায় তেতিয়াহলে অসমৰ সাধাৰণ মানুহৰ কাৰণে কি আশা কৰিব পাৰি। গতিকে মই অনুৰোধ জনাইছো অপৰাধী শ্ৰীঅক্ষয় নাথক কৰায়ত্ত কৰি উপযুক্ত শাস্তি দিয়াৰ বিহিত ব্যৱস্থা লব লাগে। লগতে গোলাপী বড়োৰ পৰিয়ালৰ মানুহক চৰকাৰৰ ফালৰ পৰা কমপেনচেচন দিয়াৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণী মাৰিলো।

* **শ্ৰীঅতুল বৰা** (গড়কাপ্তানী মন্ত্ৰী)ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া সদস্য শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই মনোযোগ আকৰ্ষণ কৰা প্ৰস্তাৱ সন্দৰ্ভত সদনৰ জ্ঞাতাৰ্থে জনাব খোজো যে যোৱা ২১/৩/'৯৭ তাৰিখত গুৱালকুছী থানাত ৰাণু বড়ো নামৰ ১৮ বছৰীয়া ব্যক্তিয়ে এটা অভিযোগ দাখিল কৰে। এই অভিযোগ পোৱা মতে ১৮/৩/'৯৭ তাৰিখে ৰাতি ১১.৩০ বজাত অক্ষয় নাথ নামৰ এজন চালফাই কু অভিপ্ৰায়ে গোলাপী বড়োৰ ঘৰলৈ যায়। শ্ৰীমতী গোলাপী বড়োৱে অভিযুক্ত অক্ষয় নাথক দাৰে আঘাট কৰে আৰু আঘাট পাপ্ত হৈ এই লোকজন ঘটনা স্থলীৰ পৰা আতঁৰি যায়। এই ঘটনাৰ পিচত যোৱা ২০/৩/৯৭ তাৰিখে শ্ৰীমতী গোলাপী বড়ো দুপৰীয়া কাপোৰ বোৱা সূতা কিনাৰ বাবে বংশৰলৈ যায় আৰু ইয়াৰ পিচৰ পৰা তেওঁ ঘৰলৈ ঘূৰি অহা নাই। অভিযোগকাৰীয়ে তেওঁৰ মাতৃ গোলাপী বড়োক অক্ষয় নাথে অপহৰণ কৰা বুলি সন্দেহ কৰে।

অভিযোগ পোৱাৰ পিছত গুৱালকুছী থানাত এটা গোচৰ ৰুজু কৰা হয় আৰু তদন্তৰ আৰম্ভ কৰা হয়। তদন্তৰ কালত গোলাপী বড়ো ২০/৩/৯৭ তাৰিখত সূতা কিনাৰ বাবে বংশৰলৈ যোৱা কথাটো প্ৰমানিত হয়। উক্ত দিনাই তেওঁ বংশৰৰ এখন দোকানৰ পৰা তিনি লেচি কমলা ৰঙৰ সূতা কিনে। ঘটনাৰ তদন্ত চলি থকা সময়তে ৰাজু বড়োৱে আৰক্ষীক তেওঁৰ মাতৃ গোলাপী বড়োৰ মৃত দেহ চাংসাৰীৰ ৰেইল লাইনত খণ্ড

* Speech not corrected

বিখণ্ড অৱস্থাত পোৱা বুলি জনায়। এই খবৰ পোৱাৰ লগে লগে আৰক্ষী লোক ঘটনা স্থলীলৈ যায়। কিন্তু আৰক্ষী লোকে ঘটনাস্থলী পোৱাৰ আগতে চি আৰ পি এফ এ মৃতদেহ আতঁৰাই পেলায়। প'ষ্ট মৰ্টেম আদি কাৰোৱাৰ পিছত ৰঙিয়া চি আৰ পি এফ এ এটা ইউ. ডি কেচ নং ৮/৯৭ ৰুজু কৰে। কিন্তু ঘটনাটো কেনেকৈ ঘটে আৰু কেনে পৰিস্থিতিত শ্ৰীমতী গোলাপী বড়োৰ মৃত্যু হয় এই বিষয়ে জানিব পৰা নাই। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক আৰু অতিৰিক্ত আৰক্ষী অধীক্ষৰ তত্বাৱধানত গোচৰৰ তদন্ত চলাই থকা হৈছে। দোষীক ৰুবায়ত্ত কৰিবলৈ জোৰ তদন্ত চলাই থকা হৈছে। এই পৰ্য্যন্ত প'ষ্ট মৰ্টেম ৰিপোৰ্ট পোৱা হোৱা নাই। গতিকে শ্ৰীমতী গোলাপী বড়োৰ মৃত্যুৰ সম্পৰ্কত কোনো সিদ্ধান্তলৈ আহিব পৰা নাই। গতিকে শ্ৰীমতী গোলাপী বড়োৱে আত্মহত্যা কৰা বা কোনোবাই হত্যা কৰা সম্পৰ্কত বৰ্ত্তমান অৱস্থাত কোনো ধৰণৰ সিদ্ধান্তলৈ আহিব পৰা নাই।

যিহেতু গোটেই ঘটনাটো তদন্তাধীন সেয়েহে আমি আশা কৰিছো তদন্তৰ শেষত ঘটনাৰ সবিশেষ পোহৰলৈ আহিব আৰু দোষী ব্যক্তিক শাস্তি প্ৰদানৰ যথাযথ ব্যৱস্থা হব।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম :** মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰীমতী গোলাপী বড়োৰ এতিয়ালৈকে প'ষ্ট মৰ্টেম ৰিপোৰ্ট পোৱা নাই যেতিয়া তেওঁৰ কেনেকৈ মৃত্যু হল কব পৰা নাই। তেওঁক যদি হত্যা কৰা হৈছে তেতিয়াহলে তেওঁৰ পৰিয়ালক কম্পেনচেচন হিচাবে সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰীঅতুল বৰা** (গড়কাপ্তানী মন্ত্ৰী) **:** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়ালৈকে প'ষ্টমৰ্টেম ৰিপোৰ্ট পোৱা নাই, সেইটো পোহাৰ পিচত তদন্ত কৰা হব। গতিকে মই আশা ৰাখিছো প'ষ্টমৰ্টেম ৰিপোৰ্ট পোৱাৰ পিচত এইটো আমি চিৰিয়াচলি লম আৰু গৃহ বিভাগে এই বিষয়ে হাতত লব। আচলতে কথাটো হৈছে আমাৰ প্ৰথমতে যিজন দোষী সেই জনক বিচাৰি উলিয়াব লাগে। তাৰ শাস্তি পোৱাটো প্ৰথম কৰ্ত্তব্য। পৰিয়ালে কম্পেনচেচন কি পায় সেইটো পিচত সোনকালে চেষ্টা কৰা হব।

* Speech not corrected

Mr. Deputy Speaker : Now, item No. 3. Shri Munin Mahanta to draw attention of the House. Minster Flood Control to reply.

* শ্ৰীমুনীন মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ৩০১ নিয়মৰ অধীনত মই এটা কথা উত্থাপন কৰিব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অবিভক্ত নগাওঁ জিলাৰ বৰ্তমান নগাওঁ, মৰিগাওঁ জিলাৰ মাজেদি কলঙৰ সুঁতি গৈ ব্ৰহ্মপুত্ৰৰ পৰা কলিয়াবৰেদি ওলায় নগাওঁ, মৰিগাওঁৰ মাজেদি গৈ কলিয়াবৰত শেষ হৈছে। কলঙৰ পৰা যদিও বাধাপ্ৰাপ্ত হোৱা নাছিল তথাপিও কলঙৰ পানীৰে সোঁত হৈছে। নগাওঁ, মৰিগাওঁ জিলাৰ খেতি-বাতি শস্য শ্যামলা আছিল আৰু মাটিৰ উৰ্ব্বৰাৰ কাৰণে বিখ্যাত আছিল। আজি এই কলং সুতিখন নগাওঁ জিলাক বানপানীৰ পৰা ৰক্ষা কৰাৰ কাৰণে বানপানী নিয়ন্ত্ৰণ আঁচনিত কলিয়াবৰৰ ওচৰৰ হাতীয়ামুখত কলংখন একেবাৰে বন্ধ কৰি দিয়া হ'ল। তাৰ পিছত কলং সুতিখনৰ যিটো গতি, সোঁত আছিল সেইটো বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ ফলত কলিয়াবৰকে আদি কৰি কেইবাটাও অঞ্চলত বিষাক্ত পৰিবেশ তৈয়াৰ হৈছে। ইয়াত পানী বন্ধ হৈ বিহ মেটেকা, সাপ, ম'হ আদিৰ আশ্ৰয়ৰ স্থল হৈছে। নগাওঁ, মৰিগাওঁ বিভিন্ন অঞ্চলৰ মানুহে পৰস্পৰে আলোচনা কৰা শুনা যায় আৰু তেনেকুৱা চিন্তা মানুহৰ মাজত হৈছে। নগাওঁৰ এই কলং সুতিখন বোৱাই নিদিয়াৰ ফলত আমাৰ খেতিবাতিৰ ওপৰত বাকৈকৈ প্ৰভাৱ পৰিছে। সেই কাৰণে যোৱা চৰকাৰৰ দিনতো একশ বছৰীয়া প্ৰস্তুতি লৈছিল। এতিয়া কলং সুতিখন খুলি বোৱাই দিয়াৰ কাৰণে এটা চিন্তা চৰ্চ্চা তেখেতসকলে কৰিছিল। আজি এই বিধান সভাত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো তাত এটা ডাঙৰ শ্লুইচ গেট বহুৱাই ব্ৰহ্মপুত্ৰৰ পৰা কলঙৰ পানী বোৱাই ৰাখিব পাৰি নেকি ? এই সম্পৰ্কত পুংখানুপুংখ ভাৱে আলোচনা কৰি কি কৰিব পৰা যায় এটা আশ্বাস বিচাৰি মোৰ বক্তব্য সামৰণী মাৰিলো।

---

* Speech not corrected

## নগাওঁ জিলাৰ মাজেদি বৈ যোৱা কলং নদী সম্পৰ্কত বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ ব্যাখ্যা ( Statement )

* শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : কলং নদী বৰঘোপ পাহাৰৰ ওচৰত ব্ৰহ্মপুত্ৰ নদীৰ পৰা ওলাই দক্ষিণ পশ্চিমে গতি কৰি নগাওঁ জিলাৰ মাজেৰে বৈ গৈ কপিলী নদীৰ জুৰুঁতি মুখত সংলগ্ন হৈছে। এই নদীৰ গতি পথৰ দৈৰ্ঘ্য প্ৰায় ১৫৮ কিঃ মিঃ। এই নদীৰ অৱবাহিকা অঞ্চল প্ৰায় ৭৮০ বৰ্গ কিঃ মিঃ। বৰ্তমান সময়ত এই নদী দিজু, মিছা, হাৰিয়া, নৈ আদি সৰু সৰু উপনৈ সমূহৰ পানী লগ হৈ বৈ আছে।

কলং নদীৰ মুখখন বন্ধ কৰাৰ আগতে অৰ্থাৎ ১৯৬৪ চনৰ আগতে এই নদীত ব্ৰহ্মপুত্ৰৰ পানী সোমাই সমগ্ৰ নগাওঁ জিলা বৰ্ষা-কালত বান পানীৰে বুৰাই পেলাইছিল। ইয়াৰ উপৰিও কপিলী আৰু হাৰিয়া নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগে লগে কলঙেদি ওভতনি পানী সোমাই নগাওঁ চহৰ আৰু ওচৰ চুবুৰীয়া অঞ্চলত বানপানীৰ সমস্যা জটিলতৰ কৰি তুলিছিল। এই সমস্যাৰ উপশম ঘটাবৰ বাবে ১৯৬৪ চনত কলং নদীৰ মুখখন বৰঘোপ পাহাৰৰ ওচৰত বন্ধ কৰা হয়। ইয়াৰ ফলত নগাওঁ চহৰ অঞ্চলত বান পানীৰ সমস্যা সমাধান নিশ্চিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ মুখখন খুলি দিলে ১৯৬৪ চনৰ আগতে হোৱা বানপানীৰ সমস্যাৰ পুনৰাবৃত্তি হোৱাৰ আশংকা আছে। কলঙৰ মুখখন বন্ধ কৰাৰ ফলত পানী সোমোৱাটো সদ্যহতে বন্ধ হ'ল যদিও ইয়াৰ উপনৈ দিজু আৰু মিছা নদীৰ পানী এতিয়াও কলঙেদি বৈ আছে। ইয়াৰ উজনি অংশতহে কলঙৰ পানীৰ গতি স্থিৰ অৱস্থাত থকা দেখা যায়। কলংখন বন্ধ কৰাৰ ফলত পানী কমি যোৱাটো সত্য। ইয়াৰ উপৰিও নদীৰ পলস আৰু নগাওঁ চহৰ অঞ্চলত আৱৰ্জনা আদি পেলোৱাৰ ফলত নদীৰ গভীৰতা হ্ৰাস পোৱাৰ উপৰিও পাৰিপাৰ্শ্বিকতা দূষিত কৰাটো সঁচা।

কলং নদীৰ মুখখন বন্ধ কৰি দিয়াৰ ফলত সেই ঠাইত বৰ্তমান চৰৰ সৃষ্টি হ'ল আৰু ব্ৰহ্মপুত্ৰ নদীৰ গতি সেই ঠাইৰ পৰা কিছুদূৰ আঁতৰি গ'ল। গতিকে কলঙৰ মুখখন পুনৰ খুলি নিদি ইয়াৰ বিকল্প হিচাবে এখন পানীতুৱাবৰ ব্যৱস্থাৰ বাবে অনুসন্ধান কৰিব পাৰি।

Mr. Deputy Speaker : Now, item No. 4. Hon'ble Minister P.W.D. on behalf of Chief Minister to move :

Shri Atul Bora (Minister P.W.D. on behalf of Chief Minister) : Sir, I begleave to introduce "The Mising Autonomous Council (Amendment) Bill, 1997.

Mr Deputy Speaker : Is it the pleasure of the House to grant leave to introduce. "The Mising Autonomous Council (Amendment) Bill, 1997."

(Voices ... Yes, yes)

The leave is granted. Now, Hon'ble Minister, P.W.D. to introduce the Bill.

Shri Atul Bora (Minister) : Hon'ble Deputy Speaker, Sir, I beg to introduce "The Mising Autonomous Council (Amendment) Bill, 1997."

(Secretary, Assam Legislative Assembly read out the Title the Bill, of "The Mising Autonomous Council (Amendment) Bill, 1997")

Mr. Deputy Speaker : Now, item No, 5, Hon'ble Minister, P.W.D. to move

Shri Atul Bora (Minister) : Hon'ble Deputy Speaker, Sir, I beg leave to introduce "The Lalung (Tiwa) Autonomous Council (Amendment) Bill, 1997"

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to introduce "The Lalung (Tiwa) Autonomous Council (Amendment) Bill, 1997."

(Voices......yes, yes)

The leave is granted. Now, the Hon'ble Minister P.W.D. to introduce the Bill.

Shri Atul Bora ( Minister ) : Hon'ble Deputy Speaker, Sir, I beg to introduce "The Lalung (Tiwa) Autonomous Council (Amendment) Bill, 1997"

(Secretary, Assam Legislative Assembly read out the Title of the Bill "The Lalung ( Tiwa ) Autonomous Council (Amendment) Bill. 1997" )

Mr. Deputy Speaker : Now, item No. 6. Hon'ble Minister, P. W. D. to move.

Shri Atul Bora (Minister) : Hon'ble Deputy Speaker, Sir, I beg leave to introduce "The Rabha Hasong Autonomous Council (Amendment) Bill, 1997."

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

( Voices ..... yes, yes )

The leave is granted. Hon'ble Minister, P.W.D. to introduce the Bill.

Shri Atul Bora (Minister) : Hon'ble Deputy Speaker, Sir, I beg to introduce "The Rabha Hasong Autonomous Council (Amendment) Bill, 1997."

(Secretary, Assam Legislative Assembly read out the Title of the Bill, "The Rabha Hasong Autonomous Council (Amendment) Bill, 1997." )

Mr. Speaker : Now item No. 7, Hon'ble Minister, Revenue to move.

Dr. Zoii Nath Sarma (Minister) : Sir, I beg leave to introduce "The Assam Land and Revenue Regulation (Amendment) Bill, 1997."

Mr. Speaker, Is it the pleasure of the House to grant

leave to introduce the Bill ?

( Voices ... yes, yes )

The leave is granted. There is a message from the Governor of Assam. The message is as follows :

Raj Bhavan
Guwahati
April 01, 1997

**ORDER**

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Land and Revenue Regulation (Amendment) Bill, 1997

Sd/- Loknath Misra
Governor of Assam.

Now, Hon'ble Minster, Revenue to introduce the Bill.

Dr. Zoii Nath Sarma (Minister) : Sir, I beg to introduce "The Assam Land and Revenue Regulation ( Amendment ) Bill, 1997.

(Secretary, Assam Legislative Assembly read out the Title of the Bill, "The Assam Land and Revenue Regulation (Amendment) Bill, 1997." )

Mr. Speaker : Now, item No. 8, Hon'ble Minister, Revenue

to move the "Assam Land & Revenue Reassessment (Amendment ) Bill, 1997."

Dr. Zoii Nath Sarma (Minister Revenue) : Hon'ble Speaker, Sir, I beg leave to introduce the "Assam Land and Revenue Reassessment ( Amendment ) Bill, 1997."

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the "Assam Land & Revenue Reassessment (Amendment) Bill, 1997."

( Voices ......Yes, Yes )

Leave is granted. There is a message from the Hon'ble Governor of Assam. ( Hon'ble Speaker read out the Hon'ble Governor's Message)

ORDER

Raj Bhavan
Guwahati
April, 01, 1997

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Land & Revenue Re-assessment ( Amendment ) Bill 1997"

Sd/- Loknath Misra
Governor of Assam.

Now, Hon'ble Minister, Revenue to introduce the Bill.

Dr. Zoii Nath Sharma ( Minister, Revenue ) : Sir, I beg leave to introduce the Assam Land Revenue Reassessment ( Amendment ) Bill, 1997.

( Secretary, Assam Legislative Assembly read out the title of the bill "The Assam Land & Revenue Reassessment (Amendment) Bill, 1997."

## Government Resolution

Mr. Speaker : Now, item No. 9. Government Resolution. I, now call upon Hon'ble Minister' Shri Sahidul Alam Choudhury to move the resolution.

Shri Sahidul Alam Choudhury ( Minister, Panchayat & Rural Development) : Hon'ble Speaker Sir, I beg to move that whereas in pursuance of the provison to Article 243 N of the Constitution of India read with Section 130 of the Assam Panchayat Act, 1994 ( Assam Act-XVIII of 1994). The Assam Legislative Assembly in its meeting held on 14th September, 1994 adopted and approved a resolution to dissolve the existing Mahakuma Parishads with effect from the date of completion of the Zila Parishad under the Assam Panchayat Act, 1994.

And whereas, the Zila Parishads have not yet been so constituted.

And whereas, in order to give full effect to the

Assam Panchayat Act, 1994 (Assam Act XVIII of 1994) in respect of Constitution of Gaon Panchayats, Anchalik Panchayats and Zila Parishads, it is necessary to dissolve the existing Gaon Panchayats, Anchalik Panchayats and Mahakuma Parishads.

Now, therefore, in pursuance of the provision to Article 243 N of the Constitution of India read with Section 130m of the Assam Panchayat Act, 1994, this Assembly resolved to dissolve the existing Gaon Panchayats, Anchalik Panchayats and Mahakuma Parishads with immediate effect to facilitate the holding of fresh elections for Constitution of new Gaon Panchayats, Anchalik Panchayats and Zila Parishads in accordance with the provisions of the Assam Panchayat Act, 1994.

( মাননীয় অধ্যক্ষ আহি নিজৰ আসনত উপস্থিত হয় )

* **শ্ৰীহেমেন দাস** : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ ১৪ চেপ্তেম্বৰত পঞ্চায়ত বিলৰ ওপৰত এটা প্ৰস্তাৱ পাচ হৈছিল যদিও দুখৰ বিষয় জিলা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত নহল। ১৯৯৪ চনলৈকে পঞ্চায়ত আইনখন কেইবাবাৰো সংশোধন হৈছে কিন্তু সংশোধিত হোৱাৰ পিচতো আজিলৈকে নিৰ্বাচন অনুষ্ঠিত নহ'ল। স্বাভাৱিকতে বহু পঞ্চায়তৰ কাৰ্য্যকাল উকলি গৈছে। যিহেতু কাৰ্য্যকাল উকলি গৈছে আৰু কেইটামান কাৰিকৰী কাৰণৰ কাৰণে বাকী থাকিব পাৰে। কিন্তু প্ৰশ্ন হৈছে এনেকৈ প্ৰস্তাৱ অনাটো এটা দূৰ্ভাগ্যজনক কথা। দূৰ্ভাগ্যজনক বুলি এই কাৰণেই কৈছো যে পাৰ হৈ যোৱা দহ মাহ সময় বৰ বেচি সময় নহয়। অথচ এই দহ মাহৰ ভিতৰত পঞ্চায়তৰ নিৰ্বাচন পতাৰ কাৰণে কোনো ব্যৱস্থা লোৱা নহ'ল। এতিয়া প্ৰস্তাৱটো গ্ৰহণ কৰাৰ আগতে

* Speech not corrected

মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছিল আৰু এতিয়া কি ব্যৱস্থা লব। ১৯৯৪ চনত আইন পাচ কৰাৰ পিচত ১৯৯৫ চন পাৰ হৈ গ'ল, ১৯৯৬ চন গৈছে অথচ জিলা পৰিষদৰ সীমা নিৰ্দ্ধাৰণো বোধকৰো এতিয়ালৈকে কৰা নহ'ল। জিলা পৰিষদৰ সীমা নিৰ্দ্ধাৰণ হৈছে নে নাই আৰু এই আইন বাস্তৱত পৰিণত নকৰাৰ কাৰণেহে এতিয়া সংশোধনী প্ৰস্তাৱ আহিবলগীয়া হৈছে। গতিকে নিৰ্ব্বাচনৰ কাৰণে সময়মতে কিয় প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে সেই বিষয়ে মন্ত্ৰী মহোদয়ে সদনত জনাব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

* **শ্ৰীচিলভিউচ কন্দপান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে যিটো প্ৰস্তাৱ আনিছে বিধি বিধান মতে সেই বিলাক ক্ষেত্ৰত আমাৰ বিশেষ আপত্তি নাথাকিব পাৰে কিন্তু প্ৰস্তাৱ যে আনিবলগীয়া হ'ল ইয়াৰ কাৰণে মানুহৰ মনত সন্দেহ আহিব যে বিধায়ক সকলক ক্ষমতালৈ পঠোৱাৰ পিচত পঞ্চায়তী ৰাজৰ যোগেদি জনসাধাৰণক যিখিনি সুবিধা আৰু ক্ষমতা দিব লাগিছিল সেইখিনি দিয়া নহল। আগৰ চৰকাৰৰ দিনত এই প্ৰস্তাৱ নাছিল। আগৰ চৰকাৰে বহুত চেষ্টা কৰি প্ৰায় বাৰ চৈধ্য বছৰ বন্ধ হৈ থকা পঞ্চায়তী ব্যৱস্থা প্ৰয়োগ কৰাৰ কাৰণে প্ৰয়াত মুখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াই চেষ্টা কৰিছিল। বৰ্ত্তমান মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে বৰ্ত্তমানৰ চৰকাৰে যোৱা এঘাৰ মাহৰ সময় ছোৱাত পঞ্চায়তী ব্যৱস্থাৰে ৰাইজৰ হাতলৈ ক্ষমতা দিবলৈ কিয় ইতঃস্ততঃ কৰিলে সেইটো মন্ত্ৰী মহোদয়ে উত্তৰত পৰিস্কাৰ কৰি দিব বুলি আশা ৰাখিছো। এতিয়া বিধানসভাৰ সংখ্যাগৰিষ্ঠ ভোটত প্ৰস্তাৱটো পাচ হৈ যাব কিন্তু দুৰ্ভাগ্যৰ বিষয় যি সকল ৰাইজে আমাৰ বিধায়ক সকলক ইয়ালৈ পঠাইছিল তেওঁবিলাকলৈ ক্ষমতা দিয়াৰ ব্যৱস্থা আমি নকৰিলো। এইটো প্ৰাঅ'ৰিটি বেচিচত হব লাগিছিল। Already handed over power to people because the people have the right to exercise their power.

---

* Speech not corrected

বৰ্ত্তমান চৰকাৰে পক্ষপাতিত্ব কাম কৰা বুলি জনসাধাৰণে জানিলে নিশ্চয় বেয়া পাব। জনসাধাৰণক ক্ষমতা দিয়াৰ বিৰোধীতা কৰা উচিত হোৱা নাই। এই কথাবিলাকৰ পৰিস্কাৰ ব্যাখ্যা মন্ত্ৰী মহোদয়ৰ পৰা পাম বুলি আশা কৰিলো।

* শ্ৰীআল্লাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত ব্যৱস্থা ক্ৰাইম কৰাৰ কাৰণে যোৱা চৰকাৰৰ দিনত যিটো ব্যৱস্থা কৰা হৈছিল, সেই সময়ত আৰ্থিক অৱস্থা বেয়া আছিল। পৌৰ পঞ্চায়তী ৰাজ বিধিমতে এইটো কৰা হোৱা নাছিল। আমি আশাকৰা মতে এইটো ভাল ব্যৱস্থা আছিল যদিও নতুন চৰকাৰ অহা ১১ মাহৰ আগতে সেই ব্যৱস্থামতে পঞ্চায়তী নিৰ্ব্বাচনৰ বাবে ব্যৱস্থা লোৱা হৈছিল। কিন্তু নতুন চৰকাৰৰ দিনত তেনে কোনো ব্যৱস্থা লোৱা দেখা নাই। তাৰ আগতে নিৰ্বাচন কৰা হলে ভাল আছিল। যেতিয়া গণতান্ত্ৰিকভাৱে অনুষ্ঠান প্ৰতিষ্ঠান আদি পতা হয় তেতিয়া বাইজৰ মাজত সন্দেহ হয় যে এইটো গণতান্ত্ৰিকতাৰ মাজেদিহে আহিছে। গণতান্ত্ৰিকতাৰ প্ৰক্ৰিয়াটো অসমতো দেখা দিয়ে আৰু পূৰ্ণ পৰ্যায় ক্ষমতা বিকেন্দ্ৰীকৰণ কথাটো। সেইকাৰণে যি ব্যৱস্থাৰ দ্বাৰা আজি গঠন কৰা হ'ল সেইটো ভাঙি যাব। ইয়াৰ আগতেও মহকুমা পৰিষদ ভাঙি দিছিল। তেনে অৱস্থাত পূৰ্ণাঙ্গ ব্যৱহাৰে নিয়ম ভঙ্গ কৰা হৈছে। গ্ৰামোন্নয়ন আৰু অন্যান্য উন্নয়নৰ ক্ষেত্ৰত ক্ষমতা বিকেন্দ্ৰীকৰণ অপৰিহাৰ্য্যত কোনো সন্দেহৰ উদ্বেগ নাথাকিব। য'ত এটা নিৰ্দ্দিষ্ট পঞ্চায়তী ৰাজ ব্যৱস্থা আৰু নিৰ্বাচন যাতে অনুষ্ঠিত হয় তাৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰাটো উচিত হব বুলি মই ভাবো। জিলা পৰিষদ গঠন নকৰিলে পূৰ্ণাঙ্গভাৱে পঞ্চায়তী ৰাজ আহি যাব। নিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকাখন কি অৱস্থাত আছে তাকো জনা নাযায়। কামটো সোনকালে নকৰিলে দেখা যাব যে বাৰিষা আহিব আৰু লগে লগে বানপানীও আহিব। ইয়াৰ কাৰণে চৰকাৰে কিন্তু ব্যৱস্থা গ্ৰহণ কৰিব বা কৰাটো উচিত হব। সুদীৰ্ঘ ১২ বছৰৰ পিচতো পঞ্চায়তে

* Speech not corrected

পূৰ্ণতা নাপালে। আমাৰ চৰকাৰৰ দিনত পূৰ্ণতা লাভ কৰিব বুলি আশা কৰি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শসমূহ ৰাজ্য খনৰ কাৰণে এইটো এটা বলিষ্ঠ পদক্ষেপ হৈছে। সংবিধানৰ ৭২ নং অনুচ্ছেদ অনুসৰি গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ টাৰমচ্ হৈছে কেৱল ৫ বছৰৰ কাৰণেহে। এই ৫ বছৰীয়া কাৰ্য্যকালত সংবিধান সংশোধন কৰিবৰ কাৰণে অসম বিধান সভাত অনুমোদনৰ কাৰণে দিয়া হৈছিল কিন্তু দুখৰ বিষয় যে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ নিৰ্বাচন আনুষ্ঠানিকভাৱে কৰিব লাগিছিল যদিও কৰা নহল। কিন্তু কি কাৰণত কৰা নহল সেইটো আজিও আমাৰ কাৰণে অজ্ঞাত। এতিয়া নতুন চৰকাৰ গঠন হৈছে। নিৰ্বাচন পতাৰ বাবে এটা ৰিজোলিউচন লোৱা হৈছিল, মাননীয় সদস্য ২-১ গৰাকীয়ে কথাটো কৈছিল। ৰাইজক ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ মূল নীতি আছিল ক্ষমতা বিকশিত কৰাৰ কাৰণে সোনকালে নিৰ্বাচন হব লাগে। এই ক্ষেত্ৰত সোনকালে এটা পদক্ষেপ ললে ভাল হয়। তেতিয়া মাননীয় সদস্য সকলৰ চিন্তা চৰ্চাত সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। গতিকে সৰ্বসন্মতিক্ৰমে ৰিজোলিউচনটো পাচ কৰাৰ কাৰণে সকলো সদস্যই উৎসাহ আগবঢাব লাগে।

* শ্ৰীপুলকেশ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত সম্পৰ্কত আজি বিধান সভাৰ সদনত এটা বিধিগত নিয়ম উত্থাপন কৰা হৈছে। চৰকাৰৰ তৰফৰ পৰা এই প্ৰচেষ্টাটো স্পষ্টভাৱে কোৱা হৈছে। য'ত পঞ্চায়তী নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাই। জনসাধাৰণৰ হাতত পঞ্চায়তী ক্ষমতা দিব পৰা নাই। ১৯৮৬ চনত যিখন আইন কৰা হৈছিল তাৰ কিছুমানৰ কাৰ্য্যকাল উকলি গৈছে আৰু কিছুমানৰ এতিয়াও আছে। এই নিৰ্বাচন প্ৰক্ৰিয়াটোৰ প্ৰতি মই সমৰ্থন জনাইছো আৰু

* Speech not corrected

লগে লগে আমি আশা ৰাখিছো য'ত ক্ষমতা বিকেন্দ্রীকৰণৰ যিটো উদ্দেশ্য আছিল সেইটো সফল নোহোৱাৰ কাৰণে ৰাইজে অসুবিধাৰ সন্মুখিন হবলগীয়া হৈছে। ১৯৮৬ চনৰ আইন অনুসৰি যিবিলাক পঞ্চায়ত গঠন কৰা হৈছে বিশেষকৈ বৰক্ষেত্রী সমষ্টিত বেছিকৈ অসুবিধাৰ সৃষ্টি হৈছে। আগতে তেওঁলোকৰ কাম-কাজত গ্রামীন বিকাশ হৈছিল। কাম বিলাক নোহোৱাৰ কাৰণে হাইকোৰ্ট কৰিবলগীয়া হৈছে। বন্ধ কৰিবৰ কাৰণে ইনজাংচন দিবলগীয়া হৈছে। আইনখন ভঙ্গ কৰাৰ কাৰণে চৰকাৰে যি প্রচেষ্টা লৈছে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো যাতে ক্ষমতা বিকেন্দ্রীকৰণ কৰা হয়। ক্ষমতা দিয়াৰ যিটো উদ্দেশ্য সেইটো হৈছে পঞ্চায়তী ৰাজ সফলভাৱে ৰূপায়ণ কৰা হয় তাৰ কাৰণে মই চৰকাৰক সমৰ্থন জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

* শ্রীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা যি প্রচেষ্টা অনা হৈছে সেই বিষয়ে মই দুআষাৰমান কব বিচাৰিছো। গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ বিষয়ে দাঙি ধৰি কৈছো যে ১৯৯৪ চনৰ পৰাই পঞ্চায়তী বিধিমতে কাম কৰা নাই। Elected representative Panchayat ৰ কাম থকালৈকে ভাঙি দিব নালাগে। যোৱা চৰকাৰে নিৰ্ব্বাচন পাতিব পৰা নাই। ১৪ বছৰৰ পিচত চৰকাৰে এবাৰ হাউচ কৰি নিৰ্বাচন পাতিছিল। তাৰে কিছুমানৰ কাৰ্য্যকালৰ সময় উকলি গৈছে আৰু কিছুমানৰ অলপ দিন বাকী আছে। এতিয়া আমি জানিব বিচাৰিছো যে পঞ্চায়ত নিৰ্বাচন, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ নিৰ্বাচন ৬ মাহৰ ভিতৰত হব নে নাই? তাৰ কাৰণে এটা প্রস্তুতি লব লাগিছিল। সেই প্রস্তুতি লোৱা নাই। যিমানলৈকে আগবাঢ়িব লাগিছিল সিমানলৈকে আগবাঢ়িব পৰা নাই। ক্ষমতা বিকেন্দ্রীকৰণৰ বাবে যি প্রচেষ্টা চলাইছে তাত আমি বাধাৰ সৃষ্টি কৰিব নোৱাৰো। তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চাব লাগে। ৬ মাহৰ ভিতৰত নিৰ্বাচন পাতিব নে কিমান দিনৰ ভিতৰত নিৰ্বাচন পাতিব, সেইটো

---
* Speech not corrected

সঠিকভাৱে চৰকাৰে জনাব লাগে। এইটো
এড্হকৰ কথাটো নাহে।

* শ্ৰীচহিদুল আলম চৌধুৰী ( মন্ত্ৰী ) ঃ মাননীয়
সদনত মাননীয় সদস্য সকলে যিবিলাক পৰা ... সেই
পৰামৰ্শ সমূহ মই আন্তৰিকতাৰে বিবেচনা কৰি ... আজি যিটো
প্ৰস্তাৱ প্লেচ কৰা হৈছে এই ক্ষেত্ৰত বহুতে স্বীকাৰ কৰিছে যে বেছি
সংখ্যক সময় পাৰ হৈছে। যি সময় বাকী আছে ১৯৯৪ চনৰ পঞ্চায়ত
এক্ট মতে ইলেক্চন হোৱা নাই। আমি নিৰ্বাচন পতাৰ কাৰণে
ইতিমধ্যে ব্যৱস্থা লৈছো, আমাৰ সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় শেষ হৈছে।
কিন্তু ডেলিমিটেশ্বনৰ কাম বাকী আছে। এইটো শেষ কৰি আমি নিৰ্বাচন
পতাৰ পক্ষপাতি। পঞ্চায়ত নিৰ্বাচন পাতিব লাগে, এইটো ষ্টেট ইলেক্চন
ডিপাৰ্টমেন্টৰ কথা, তেওঁলোকৰ পৰামৰ্শ মতে আমি যিমান সোনকালে
পাৰি ইলেক্চন পতাৰ কাৰণে ব্যৱস্থা লম।

## Consideration and Passing of Government Bill

Mr. Speaker : I now put the Resolution before the House for approval. The Resolution is that :—

"Whereas in pursuance of the provisio to Article 243 N of the Constitution of India read with Section 130 of the Assam Panchayat Act, 1994 (Assam Act XVIII of 1994). The Assam Legislative Assembly in its meeting held on 14th September, 1994 adopted and approved a resolution to dissolve the existing Mahakuma Parishad with effect from the date of Constitution of the Zilla Parishad under the Assam Panchayat Act. 1994.

And whereas, the Zilla Parishads have not yet been so constituted.

And whereas in order to give full effect to the Assam Panchayat Act, 1994 (Assam Act. XVIII of 1994) in respect of Constitution of Gaon Panchayats, Anchalik Panchayats and Zilla Parishads, it is necessary to dissolve the existing Gaon Panchayats, Anchalik Panchayats and Mahakuma Parishads.

Now, therefore, in pursuance of the proviso to Article 243 N of the Constitution of India read with section 130 of the Assam Panchayat Act, 1994, this Assembly resolves to dissolve the existing Gaon Panchayats, Anchalik Panchayats and Mahakuma Parishads with immediate effect to facilitate the holding of fresh elections for Constitution of new Gaon Panchayats, Anchalik Panchayats and Zilla Parishads in accordance with the provisions of the Assam Panchayat Act. 1994".

Those who are in favour, say 'Ayes'

Those who are against say 'Noes'.

'Ayes' have it

'Ayes' have it

'Ayes' have it

The Resolution is passed. The Resolution is adopted.

Mr. Speaker : Now item no 10 (a) Hon'ble Chief Minister to move-

Shri Atul Bora (Minister, on behalf of the Chief Minister) : Sir, I beg to move that "The Assam Khadi and

Village Industries Board ( Amendment ) Bill. 1997 be taken into consideration.

Mr. Speaker : I now put the Motion before the House. The Motion is that "The Assam Khadi and Village Industries Board ( Amendment ) Bill, 1997" be taken into consideration.

Those who are in favour, say, 'Ayes'

Those who are against say, 'Noes'

'Ayes" have it

'Ayes'' have it

'Ayes' have it

The Motion is passed.

Now item No. 10 (b). There is no amendment in Clauses 2, 3 and 4 of the Bill.

I now put Clauses 2, 3 and 4 of the Bill before the House. The question is that-- Clauses 2, 3 and 4 do stand part of the Bill".

Those who are in favour say 'Ayes '

Those who are against, say 'Noes'

'Ayes" have it

'Ayes'' have it

'Ayes' have it

Clauses 2, 3 and 4 do from the part of the Bill.

I now put Clause 1, Preamble, Enacting Formula and short title of the Bill before the House. The question is that-- "Clause I, Preamble, Enacting Formula and short title do stand part of the Bill".

Those who are in favour say, 'Ayes'

Those who are against say, 'Noes'

'Ayes' have it,

'Ayes' have it,

'Ayes' have it

Clause 1, Preamble, Enacting and short title do from part of the Bill.

Mr. Speaker : Now, item No. 10 (c) Hon'ble Chief Minister to move--

Shri Atul Bora, ( Minister, on behalf of Chief Minister,) Sir, I beg to move that "The Assam Khadi and Village Industries Board (Amendment) Bill, 1997 be passed.

Mr. Speaker : I now put the Motion before the House. The Motion is that "The Assam Khadi and Village Industries Board ( Amendment ) Bill, 1997" "be passed.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it

'Ayes' have it

'Ayes' have it

The Motion is passed. The Bill is passed.

Now, item No. 11 (a) Hon'ble Minister, Municipal Adminstration to move—

Shri Biraj Kumar Sarma, (Minister) : Sir, I beg to move that "The Assam Municipal (Amendment) Bill. 1997" be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that-- "The Assam Municipal (Amendment ) Bill, 1997 be taken into consideration".

Those who are in favour, say, 'Ayes'

Those who are against. say 'Noes'.

'Ayes' have It

'Ayes' have it

'Ayes' have it

The motion is passed.

Now item No. 11 (b)

There is no amendment in Clauses 2 and 3 of the Bill. I now put Clauses 2 and 3 of the Bill before the House. The question is that- "Clauses 2 and 3 do stand part of the Bill".

Those who are in favour say 'Ayes'

Those who are against, say 'Noes'

'Ayes' have it

'Ayes' have it

'Ayes' have it

Clauses 2 and 3 do from the part of the Bill.

I now put Clause 1, Preamble, Enacting Formula and Short Title of the Bill before the House. The question is that- "Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill".

Those who are in favour say, 'Ayes'

Those who are against Say, 'Noes'

'Ayes' have it

'Ayes' have it

'Ayes' have it

Clause 1, Preamble, Enacting Formula and Short Title do from part of the Bill".

Now item No. 11 (c) Hon'ble Minister, Municipal Administration to move--

Shri Biraj Kumar Sarma, (Minister) : Sir, I beg to move that "The Assam Municipal ( Amendment ) Bill. 1997" be passed.

Mr. Speaker : I now put the Motion before the House. The motion is that—"The Assam Municipal (Amendment) Bill, 1997" be passed.

Those who are in favour say, 'Ayes'

Those who are against say, 'Noes'.

'Ayes' have it

'Ayes' have it

'Ayes' have it

The motion is passed. The Bill is passed.

Now item No. 12 (a) Hon'ble Minister, Panchayat and Rural Development to move

Shri Sahidul Alam Choudhury (Minister) : Sir, I beg to move that "The Assam Panchayat ( Amendment ) Bill, 1997 "be taken into consideration.

Mr. Speaker : I now put the Motion before the House. The Motion is that—"The Assam Panchayat (Amendment) Bill, 1997 be taken into consideration.

Those who are in favour, say 'Ayes'

Those who are against, say 'Noes'.

'Ayes' have it

'Ayes' have it

'Ayes' have it

The motion is passed.

Now, item No. 12 (b). There is no amendment in

Clauses 2, 3 and 4 of the Bill. I now put clauses 2, 3 and 4 of the Bill before the House for approval. The question is that— Clauses 2, 3 and 4 do stand part of the Bill.

Those who are in favour say, 'Ayes'

Those who are against say, 'Noes'

'Ayes' have it

'Ayes' have it

'Ayes' have it

Clauses 2, 3 and 4 do from part of the Bill.

There is a Government amendment on Clauses 5 of the Bill in the name of Hon'ble Minister, Panchayat and Rural Development. I now call upon the Hon'ble Minister, Panchayat and Rural Development to move the amendment.

Shri Sahidul Alam Choudhury, (Minister) : Sir, I beg to move "The Assam Panchayat ( Amendment ) Bill, 1997 clause by clause. The Clause 5 of the Bill shall be deleted and subsequent Clauses 6, 7, 8, 9, 10. 11, 12, 13, 14, 15, 16, 17, 18, 19, 20, 21, 22, 23, and 24 shall be renumbered as Clauses 5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19, 20, 21, 22, and 23

Mr. Speaker : I now put the amendment before the House. The question is that— The proposed Clause 5 of the Bill shall be deleted and subsequent Clauses 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17. 18, 19, 20, 21, 22, 23 and 24 shall be renumbered as Clauses 5, 6, 7, 8. 9, 10, 11, 12, 13, 14, 15, 16, 17, 18, 19, 20, 21, 22, and 23.

Those who are in favour say, 'Ayes'
Those who are against say 'Noes'
'Ayes' have it
'Ayes' have it
'Ayes' have it

The amendment is accepted. Clauses 5 do here deleted.

There are two amendments in the existing Clause 5 in the Bill as introduced standing in the name of the Hon'ble Members : Shri Silvius Condpan, Ardhendu Kr. Dey. Shri Sarat Borkatoky, Shri Adbul Muqtadir Choudhury, Shri Abu Saleh Najmuddin, Shri Mustafa Sahidul Islam, Smti, Pranati Phukan, Smti, Rupam Kurmi, Shri Mizbahul Islam Laskar' Shri Wazed Ali Choudhury, Shri Sukur Ali, Dr. Nazrul Islam, Shri Prithibi Majhi, Shri Etuwa Munda, Shri Girindra Mallik, Shri Dinesh Prasad Goala, Shri Gautom Roy. Dr. Hemo Prava Saikia, Shri Rashidul Haque, Shri A. B. S. Jo:dar and Shri Nizamuddin Khan.

Since the Government Amendment deleting the existing Clause 5 of the Bill as introduced has been deleted the amendments brought by the Hon'ble Members, deemed to have been dropped.

There is no amendment on Clauses 6, 7, 8, 9, 10. 11, 12, and 13 of the Bill. I now put Clauses 6, 7, 8, 9, 10, 11, 12 and 13 of the Bill before the House.

The question is that—

Clauses 6, 7, 8, 9, 10, 11, 12 and 13 do stand part of the Bill.

Those who are in favour say, 'Ayes' and those who are against, say 'Noes'. Clauses 6, 7, 8, 9, 10, 11, 12 and 13 do from part of the Bill.

Mr, Speaker: There are two amendments in Clause 14 of the Bill in the name of Shri Silvius Condpan and others and Shri Bimalangshu Roy and others. I now call upon Shri Silvius Condpan and Shri Bimalangshu Roy to move their amendments one by one and to speak on it.

Dr. Ardhendu Kumar Dey : Mr. Speaker Sir, I beg to move that the Sub-section (2) of Section 65 of the Principal Act sought to be amended by the proposed Sub-clause (ii) of Clause 14 of the Bill shall be substituted by the following :-

(2) All the members shall have the right to vote and in the motion of no-confidence only the directly elected members shall exercise such right.

Shri Bimalangshu Roy : Hon'ble Speaker Sir, I beg to move that Sub-section (2) of Section 65 of the Principal Act sought to be amended by the proposed sub-clause (ii) of Clause 14 of the Bill shall be substituted by the following :—

(2) All the members shall have the right to vote and in the motion of no confidene only the directly elected members shall exercise such right,

**Dr. Ardhendu Kr. Dey :** Mr. speaker Sir, all the powers and duties of Goan Panchayat or Anchalik Panchayat shall during the period of such dissolution be exercised and permored by such officer not below the rank of a Gazetted Officer as the Government may, from time to time appiont in this behalf.

**Sri Surendra Nath Medhi (Minister Vety.) :** Point of order Sir, resolution has already been passed. How the Hon'-ble member again speaking on the resolution eachself when it has already be passed ?

## Discussion and spoke on the Amendment

**ডাঃ অৰ্ধেন্দু কুমাৰ দে :** আজি এটা অসম পঞ্চায়তী এক্ট ১৯৯৭ এইটো এমেণ্ডমেন্ট হিচাপে অনা হৈছে। ইয়াত কল ৬৫ চাৱ চেকচন ২ তাত যিটো এমেণ্ডমেন্ট আনিছে সেইটো তাৰ পৰাই এমেণ্ডমেন্ট আনিছে। সেই কাৰণে পঞ্চায়তী এমেণ্ডমেন্ট ১৯৯৭ চনত ইয়াত প্ৰেচ কৰা হল। তাৰ কাৰণে এই সম্বন্ধে বহুখিনি কথা কবলগীয়া আছে। ইয়াত ৰিজ'লিউচন হিচাপে এ'ড কৰা হৈছে। এই ৰিজ'লিউচনৰ ওপৰত আলোচনা হৈছে। কিন্তু আজি ৰিজ'লিউচন কিয় আনিবলগীয়া হৈছে। ইয়াৰ প্ৰয়োজন আছিল নেকি? ইয়াৰ প্ৰয়োজন নাছিল কিন্তু শেষ পৰ্য্যায়ত অনা হল কাৰণেই যে বিধান সভাৰ কনষ্টিটিউচনৰ ভায়'লেন্সৰ ব্যৱস্থা কৰা হৈছিল। এইটো সাংবিধানিক ভায়'লেন্স, ইয়াৰ ব্যৱস্থা হৈছিল সেইটো এটা ৰিজ'লিউচন আকাৰে উইড্ৰ কৰিলে। এই বিষয়ে একো ব্যৱস্থা লোৱা নাই। এইটো ৬৫ চাৱ চেকচন ২ ত এমেণ্ডমেন্ট অনা

হৈছে। গভৰ্ণমেণ্ট নমিনিক যোগদান কৰাৰ সুবিধা দিছে।

মাননীয় অধ্যক্ষ মহোদয়, ইলেক্‌চন যিমান দিন নহব সিমান দিনৰ কাৰণে দায়িত্ব কাক দিব? দায়িত্ব দিয়া হৈছে পঞ্চায়ত আঞ্চলিকৰ কাৰণে। "All the powers and duties of Gaon Panchayat or Anchalik Panchayats shall during the period of such disolution be excercised and performed by such officer not below the rank of a Gazatted Officer, as the Government may from time to time appoint in this behalf." অফিচাৰক দিয়া হব। যিমান দিনলৈকে ইলেকচন নহব। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আলোচনা হৈছে, ফলত ১২ বছৰ ১৪ বছৰৰ পিচত পঞ্চায়ত ইলেকচন পতা হৈছিল ১৯৮৯ চনতে। আজি দেশৰ ৮০ ভাগ লোক গাওঁত বাস কৰে। তেখেত সকলৰ হাতত পঞ্চায়তী ৰাজ গতাই দিবৰ কাৰণে এইটো কৰা হৈছে। আমি ১৯৯২ চনত কৰিছিলো। কিন্তু আমাৰ যি জিলা পৰিষদ গঠন হোৱা নাই সেই কাৰণে আমি ১৯৯২ চনত নিৰ্বাচন পাতিলো। পঞ্চায়তী এক্ট ১৯৯৬ ত। ফলত সেই সময়ত আমি জিলা পৰিষদ পতাৰ কাৰণে প্ৰয়োজন বোধ কৰা নাছিলো। কিন্তু তাৰ অৰ্থ এইটো নহয় যে গোটেই পঞ্চায়ত ডিজল্‌ভ কৰি এটা প্ৰকান্তৰে—

Shri Surendra Nath Medhi ( Minister ) : Point of order Sir, Resolution has already been passed. How the Hon'ble Member again speaking on the resolution itself when it has already been passed ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকী বৰ্ত্তমান আইন মন্ত্ৰী নহয়। তেখেত এতিয়া পশু পালন মন্ত্ৰীহে। গতিকে আইনৰ কথা আমিও জানো। যিটো এমেণ্ডমেণ্ট পঞ্চায়তত অনা হৈছে ইয়াত বহু কথা আছে, ইয়াৰ দায়িত্ব অফিচাৰ সকলৰ ওপৰত দিয়া হৈছে। ঠিক আছে তেওঁলোকৰ হাতত দায়িত্ব দিছে কিন্তু যথাযথভাৱে কাম কৰিব নে নকৰে নে কোনোবা ৰাজনৈতিক নেতাৰ কথা শুনি কাম

কৰিব। অফিচাৰক যে দায়িত্ব দিয়া হৈছে তাৰ প্ৰমাণ মোৰ হাতত আছে। ডিব্ৰুগড় জিলাৰ প্ৰজেক্ট ডিৰেক্টৰজনে চিনিয়ৰ বিডিঅ'ৰ খোৱাং লাহোৱাল, পানীতোলা ডেভেলপ্‌মেন্টক নিৰ্দেশ দিছিল, এ, পি, এলৰ চেয়াৰমেন কে, গগৈ। এ, চি, ডেভেলপ্‌মেন্ট ব'ৰ্ডৰ চেয়াৰমেন যোগেন সোনোৱাল, আই, টি, ডি, পি,ৰ চেয়াৰমেন দলাল সোনোৱাল আৰু অ, বি, চি ওৱেলফায়াৰ ব'ৰ্ডৰ চেয়াৰমেন সুখেশ্বৰ বৰুৱাক তেওঁলোকে কি কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত ভঙা নাই, আঞ্চলিক পৰিষদ সকলো আছে। মাননীয় অধ্যক্ষ মহোদয়ঃ আপুনি এমেণ্ডমেন্টৰ ওপৰত কওঁক। যিহেতু এই পঞ্চায়ত সংশোধনী বিল অনা হ'ল আৰু এই সংশোধনী আনি তাত তেখেত সকলে কলে যে এই সময় চোৱাৰ কাৰণে বিষয়া সকলক দায়িত্ব দিয়া হব। সেয়েহে বুজা যায় যে কিছুমান ৰাজনৈতিক দলৰ নেতাক দায়িত্ব দিয়া হব। মাননীয় মন্ত্ৰী গৰাকীয়ে মুকলি ভাবে বিভিন্ন সভাত মুকলি ভাবে ঘোষণা কৰি আহিছে অমুক এ, জি, পিৰ মানুহে পঞ্চায়তৰ কাম-কাজ বিলাক চাব যদিও এই বিলখন এতিয়ালৈকে সংশোধন কৰা হোৱা নাই। সংবিধানৰ ওপৰত এনেকুৱা ধৰণে অপমান কৰা হৈছে যে মই কৈছো 65 Sub Section Clause ৰ বিষয়ে।

